● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত
সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সাহসী হোৱাটোৱে নুবুজায় যে আপুনি ভয় নাখায়। সাহসী হোৱাৰ অৰ্থ হৈছে আপুনি ভয় খায় কিন্তু তথাপি আপুনি শুদ্ধ কামটোৱে কৰে।

নীল গেইমেন
*ব্ৰিটিছ লেখক*



www.dainikagradoot.in

৫ প্ৰিয়ংকাৰ যাদু নচলিল, কংগ্ৰেছত পুনৰ প্ৰশ্ন উত্থাপিত
১৫ চেম্পিয়নছ লীগৰ কোৱাৰ্টাৰত ৰিয়াল-চিটী
৪ সামাজিক ডাৰউইনবাদ বনাম মোদীবাদ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৫২তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১১ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 11 March 2022 মূল্য ঃ ৯.০০ টকা

## আদৰ্শ শিক্ষা ব্যৱস্থাৰ বুনিয়াদী কথা

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



**এজন** উচ্চ শিক্ষিত মানুহে তেওঁৰ সমগ্ৰ জীৱনটোত যিমান কথা শিকে তাৰ ৭৫ শতাংশ শিকে শৈশৱৰ পাঁচটা বছৰত। অৰ্থাৎ মানুহ এজনে জীৱনটোত শিকিবলগীয়া কথাৰ অধিকাংশ বিদ্যালয়লৈ যোৱাৰ আগতে শিকে। বিদ্যালয়লৈ যোৱাৰ আগতে শিশুটোৱে যিবিলাক কথা শিকে, সেইবিলাক কথা *১০ পৃষ্ঠাত চাওক*

## অসমৰ পৰা উত্তৰ প্ৰদেশলৈ ■ এখনৰ পাছত আনখন ৰাজ্যত ব্যৰ্থ ■ বিজেপিৰ দাবীৰ বিপৰীতে বিৰোধীৰ ভাষ্য

# বিৰোধীশূন্য হ'ব নেকি দেশৰ সংসদীয় ব্যৱস্থা

■ বিজেপি এতিয়া সমগ্ৰ ভাৰতবৰ্ষৰ এক শক্তি ঃ হেমেন দাস ■ নুবুজা সাঁথৰ বুলি অভিহিত কৰিম ঃ দেবব্ৰত শইকীয়া ■ সমগ্ৰ বিশ্বতে একনায়কত্ববাদৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে ঃ অখিল গগৈ ■ আচলতে 'পাব্লিক মেম'ৰি'ও যথেষ্ট কমি আহিছে ঃ মুনিন মহন্ত ■ প্ৰকৃত অৰ্থত গণতন্ত্ৰ নোহোৱা হৈছে, গিমিকৰ ৰাজনীতি চলিছে ঃ লুৰীণজ্যোতি গগৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ মাৰ্চ ঃ** কালি ৰাজ্যৰ পৌৰসভা নিৰ্বাচনৰ ফলাফলৰ পাছত আজি ঘোষণা কৰা দেশৰ পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফলে বহু ৰাজনৈতিক পথ পৰিৱৰ্তনৰ ইংগিত বহন কৰিছে। কিয়নো এফালে কৃষক আন্দোলন, মূল্যবৃদ্ধি আৰু সাম্প্ৰদায়িক ৰাজনীতিক লৈ জনতাৰ ক্ষোভ, অসন্তুষ্টি আৰু একে সময়তে শাসকীয় বিজেপিৰ অপ্ৰতিৰোধ্য বিজয়ৰ গতি। আজি ঘোষণা কৰা দেশৰ পাঁচখন ৰাজ্যৰ নিৰ্বাচনী ফলাফলত একমাত্ৰ পঞ্জাৱক বাদ দি উত্তৰপ্ৰদেশ, গোৱা, মণিপুৰ আৰু উত্তৰাখণ্ডত বিজেপিৰ উত্থাপন চমকপ্ৰদ ঘটে। একপ্ৰকাৰ বিৰোধী দলসমূহ, সেয়া আঞ্চলিক দলেই হওক বা ৰাষ্ট্ৰীয়, দূৰতে বিদূৰ হ'ল। সংখ্যাগত দিশৰ পৰা এটাও দলে বিজেপিক কঠিন প্ৰত্যাহ্বান জনাব নোৱাৰিলে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টিয়ে পঞ্জাৱত ব্যতিক্ৰমী সফলতা লাভ কৰিলে যদিও আন চাৰিখন ৰাজ্যৰ ফলাফলত ব্যাপকভাৱে চৰ্চিত সামাজিক, অৰ্থনৈতিক *১১ পৃষ্ঠাত চাওক*



*মহানগৰীৰ নৱগ্ৰহ মন্দিৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ।*

## ■ প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বতে পুনৰ আস্থা ■ পঞ্জাৱত জয়ৰে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সবল ভূমুকি কেজৰিৱালৰ ■ উত্তৰ প্ৰদেশৰ জয়ে দিল্লীৰ কাষ চপালে আদিত্যনাথক ■ কংগ্ৰেছ ধূলিসাৎ

# ছেমিফাইনেলত বিজেপিৰ ৪-১



*উত্তৰ প্ৰদেশসহ চাৰি ৰাজ্যত বিজয়ৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সম্বৰ্ধনা বিজেপিৰ, নতুন দিল্লীত।*

■ ২০২৪ৰ সাধাৰণ নিৰ্বাচনৰ আভাস দিলে ঃ ফলাফলৰ পাছত ক'লে প্ৰধানমন্ত্ৰীয়ে ■ পৰাজয়ৰ পৰা শিক্ষা ল'ম ঃ ৰাহুল গান্ধী

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ মাৰ্চ ঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে আজি ঘোষিত পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফলত চাৰিখনতে বিজেপিয়ে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। এয়ে নহয়, ইয়াৰে তিনিখন ৰাজ্যত একেৰাহে দ্বিতীয়বাৰলৈ ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰি বিজেপিয়ে অভিলেখ ৰচিলে। সেই ৰাজ্য দুখন হৈছে উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু মণিপুৰ। পাঁচ ৰাজ্যত নিৰ্বাচন ঘোষণাৰ পাছৰে পৰা আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই কুচকাৱাজক ছেমিফাইনেল আখ্যা দিছিল ৰাজনৈতিক মহলে। এই দিশৰ পৰা চাবলৈ গ'লে বিজেপিয়ে ছেমিফাইনেলত অনায়াসে বিজয়ী হ'ল। অৱশ্যে ইয়াৰ লগে লগে আম আদমী পাৰ্টিয়ে পঞ্জাৱত সোণালী বিজয় সাব্যস্ত কৰিলে। ইয়াৰ লগে লগে আঠ বছৰীয়া দলটোৱে দিল্লীৰ পাছত পঞ্জাৱত দ্বিতীয়খন চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। একে সময়তে দলৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিৰোধী শক্তিৰ ধ্বজাবাহী হ'ব নেকি *১১ পৃষ্ঠাত চাওক*

### নিৰ্বাচনী ফলাফল

| | |
|---|---|
| **উত্তৰ প্ৰদেশ** | |
| মুঠ আসন | ৪০৩ |
| বিজেপি+ | ২৭৪ |
| এছপি | ১২৪ |
| কংগ্ৰেছ | ২ |
| বিএছপি | ১ |
| অন্যান্য | ২ |
| **পঞ্জাৱ** | |
| মুঠ আসন | ১১৭ |
| আপ | ৯২ |
| কংগ্ৰেছ | ১৮ |
| আকালি+ | ৪ |
| বিজেপি+ | ২ |
| অন্যান্য | ১ |
| **মণিপুৰ** | |
| মুঠ আসন | ৬০ |
| বিজেপি | ৩২ |
| এনপিপি | ৭ |
| জেডিইউ | ৬ |
| কংগ্ৰেছ | ৫ |
| অন্যান্য | ১০ |
| **উত্তৰাখণ্ড** | |
| মুঠ আসন | ৭০ |
| বিজেপি | ৪৮ |
| কংগ্ৰেছ | ১৮ |
| বিএছপি | ২ |
| অন্যান্য | ২ |
| **গোৱা** | |
| মুঠ আসন | ৪০ |
| বিজেপি+ | ২২ |
| কংগ্ৰেছ+ | ১২ |
| আপ | ৩ |
| নিৰ্দলীয় | ৩ |

## ডিজিটেল আন্তঃগাঁথনিত গুৰুত্ব ঃ গুৱাহাটীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ মাৰ্চ ঃ** কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ইয়াত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাণিজ্য আৰু উদ্যোগৰ অংশীদাৰসকলৰ স'তে বাজেট-পৰৱৰ্তী মত-বিনিময়ত পৌৰোহিত্য কৰে। বৈঠকত কেন্দ্ৰীয় বিত্ত ৰাজ্যিক মন্ত্ৰী ডঃ ভগৱত কিষাণ ৰাও কাৰাড; বিত্ত সচিব আৰু ব্যয় সচিব ডঃ টি.ভি. সোমনাথন; বিত্তীয় সেৱা বিভাগৰ সচিব সঞ্জয় *১০ পৃষ্ঠাত চাওক*

## ■ ১৯৮৫ৰ পাছত প্ৰথমবাৰৰ বাবে একেৰাহে দুবাৰকৈ মুখ্যমন্ত্ৰী হোৱাৰ খিতাপ অৰ্জন ■ পূৰ্বতকৈ বাঢ়িল বিজেপিৰ ভোটৰ হাৰ ■ বিজয় ভাষণত প্ৰধানমন্ত্ৰীৰ নাম ল'লে ১৭ বাৰ

# যোগীৰ হাততে উত্তৰ প্ৰদেশৰ বাঘজৰী




■ **নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ১০ মাৰ্চ ঃ** দেশৰ ৰাজনীতিত অতি গুৰুত্বপূৰ্ণ বিবেচিত উত্তৰ প্ৰদেশত পুনৰ মুখ্যমন্ত্ৰীৰ আসনত বহিবলৈ সাজু হ'ল যোগী আদিত্যনাথ। স্বাধীনোত্তৰ ভাৰতত ৩৭ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে একেৰাহে দুবাৰকৈ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হ'ব যোগী। ১৯৮৫ৰ পাছত উত্তৰ প্ৰদেশত কোনো শাসক দলে একেৰাহে দ্বিতীয়বাৰ ক্ষমতালৈ অহা নাই। পূৰ্বতকৈ অধিকসংখ্যক ভোট লাভ কৰি এইবাৰ বিজেপিয়ে ৰাজ্যখনৰ মুঠ ৪০৩ খন আসনৰ ভিতৰত ২৬২ খন আসন লাভ কৰিছে। উল্লেখ্য যে ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে প্ৰয়োজন ২০২ খন আসনৰ। আনহাতে, অখিলেশ যাদৱ নেতৃত্বাধীন সমাজবাদী পাৰ্টিয়ে ১২৬ খন আৰু কংগ্ৰেছে মাত্ৰ দুখন আসন লাভ কৰিছে। এইবাৰ পাঁচ ৰাজ্যৰ নিৰ্বাচনত উত্তৰ প্ৰদেশৰ ওপৰতে দৃষ্টি নিবদ্ধ আছিল ৰাজনৈতিক *আঠ পৃষ্ঠাত চাওক*

## মিছা প্ৰতিশ্ৰুতি নিদিও, কৰি দেখুৱাম ঃ গাম ■ মুখ্যমন্ত্ৰীসহ মন্ত্ৰী-সাংসদক শংকিত কৰিব পাৰিলো ঃ পৰাজিত বসুমতাৰীৰ প্ৰতিক্ৰিয়া

# মাজুলীত বিজেপি প্ৰাৰ্থী ভুৱন গাম জয়ী ৪২ হেজাৰ ভোটৰ ব্যৱধানত

### ১৬শই ভোট দিলে নোটাত



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১০ মাৰ্চ ঃ** অন্যান্য উপ-নিৰ্বাচনৰ দৰে মাজুলীতো শেষ হাঁহি মাৰিলে শাসকীয় দলে। ৯৯ নম্বৰ মাজুলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুৱন গামে বিপুল ব্যৱধানত জয়লাভ কৰে। ইয়াৰ ফলত অসম বিধানসভাত বিজেপিৰ আসন সংখ্যা পুনৰ ৬৩লৈ বৃদ্ধি পালে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ বিধায়ক পদ এৰি কেন্দ্ৰীয় মন্ত্ৰীসভাত যোগ দিয়াত *১০ পৃষ্ঠাত চাওক*



# দিল্লীত কঁপনি তুলি চমকপ্ৰদ উত্থানেৰে পঞ্জাৱ দখল আম আদমী পাৰ্টিৰ

■ মুখ্যমন্ত্ৰীসহ কংগ্ৰেছ-আকালি-বিজেপিৰ সকলো শীৰ্ষ নেতা ধৰাশায়ী ■ প্ৰথমবাৰলৈ বাদলহীন পঞ্জাৱৰ ৰাজনৈতিক আকাশ



■ **নিউজ ব্যুৰ'**
**চণ্ডীগড়/নতুন দিল্লী, ১০ মাৰ্চ ঃ** পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আজি ঘোষিত ফলাফলৰ অন্যতম আকৰ্ষণ হৈ পৰিল পঞ্জাৱত আম আদমী পাৰ্টি (আপ)ৰ চমকপ্ৰদ বিজয়। এইবাৰ পঞ্জাৱ আপৰে হ'ব বুলি নিৰ্বাচনী ধামখুমীয়াত ব্যাপকভাৱে চৰ্চিত হৈ আহিছিল। ভোটগ্ৰহণৰ পাছত প্ৰকাশিত সমীক্ষাবোৰেও এনে ছবিয়ে দাঙি ধৰিছিল। অৱশেষত এনে সকলো পূৰ্বানুমানক সত্য প্ৰমাণিত কৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপে পঞ্জাৱত অভূতপূৰ্ব বিজয় হস্তগত কৰিলে। পঞ্জাৱৰ মুঠ ১১৭ খন আসনৰ ভিতৰত সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজনীয় *১০ পৃষ্ঠাত চাওক*

## ■ নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন ঃ এইবাৰ প্ৰয়োজন নাই মিত্ৰদলৰ ■ চৰকাৰ গঠনৰ আশা পালি থকা কংগ্ৰেছ একেকোবে চতুৰ্থ স্থানত পৰিল ■ এনপিএফ-জেডিইউৰ উত্থান ঘটিল

# পূৰ্বতকৈ ১০ আসন বৃদ্ধিৰে মণিপুৰ বিজেপিলৈ

■ **নিউজ ব্যুৰ'**
**ইম্ফল, ১০ মাৰ্চ ঃ** মণিপুৰত বিজেপিয়ে এইবাৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি পুনৰ চৰকাৰ গঠন নিশ্চিত কৰিলে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰত এইবাৰ পূৰ্বতকৈ ১০খন অধিক আসন লাভ কৰি এককভাৱে চৰকাৰ গঠন কৰিবলৈ আগবাঢ়িছে বিজেপি। ৰাজ্যখনৰ মুঠ ৬০খন আসনৰ ভিতৰত বিজেপিয়ে লাভ কৰে ৩১ খন। উল্লেখ্য যে চৰকাৰ গঠনৰ বাবে ৩১খন আসনৰে প্ৰয়োজন। ২০১৭ৰ নিৰ্বাচনত মণিপুৰত বিজেপিয়ে ২১ খন আসন লাভ কৰিছিল। সেই নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভৰ পৰা তিনিখন আসন কমকৈ লাভ কৰিছিল কংগ্ৰেছে। ২৮খন আসন লাভ কৰি এক নম্বৰত আছিল কংগ্ৰেছ; কিন্তু এইবাৰ সেই *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ১৮° |
| ডিব্ৰুগড় | ৩২° | ১৬° |
| দিল্লী | ৩১° | ১৭° |
| কলকাতা | ৩৩° | ১৯° |
| মুম্বাই | ৩৪° | ২৬° |
| চেন্নাই | ৩২° | ২৪° |
| বাংগালুৰু | ৩২° | ১৭° |
| শ্বিলং | ২৬° | ১২° |

*১০ মাৰ্চ, ২০২২*



## চেঙা তেল



*কালি মই চুক্তিক সমৰ্থন দিছিলো, আজি বিৰোধিতা কৰিছো! কাইলৈ আকৌ সমৰ্থন কৰিম, পৰহিলৈ...!*


## নতুন উদ্যোগীৰ প্ৰথম পছন্দ হৈ উঠিছে অসমৰ কৃষিখণ্ড ঃ বৰা

### গুৱাহাটীত আন্তৰ্জাতিক ক্ৰেতা-বিক্ৰেতা সন্মিলন

**গুৱাহাটী, ১০ মাৰ্চ ঃ** অসম পুনৰ নিৰ্মাণৰ বাবে অসম চৰকাৰে ৰাজ্যৰ কৃষিখণ্ডৰ বিকাশত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন সংস্কাৰমুখী সিদ্ধান্তৰ বাবেই আজি ৰাজ্যৰ নতুন প্ৰজন্মৰ উদ্যোগীৰ বাবে প্ৰথম পছন্দ হৈ উঠিছে অসমৰ *১০ পৃষ্ঠাত চাওক*


## নিৰ্দলীয়ৰ সমৰ্থন লৈ চৰকাৰ গঠনৰ দাবী ঃ সমৰ্থন ঘোষণা এমজিপিৰ দুই বিধায়কৰো

# একক সংখ্যাগৰিষ্ঠতা লাভ নকৰিলেও পুনৰ বিজেপিৰ দখলতে থাকিল গোৱা



■ **নিউজ ব্যুৰ'**
**গোৱা, ১০ মাৰ্চ ঃ** ভোট পৰৱৰ্তী সমীক্ষাৰ ইংগিত অনুসৰিয়ে গোৱাৰ শাসনভাৰ নিজৰ দখলত ৰাখিলে বিজেপিয়ে। ২০খন আসন দখলৰ পাছত নিৰ্দলীয় তথা আন দলৰ সমৰ্থনত চৰকাৰ গঠন কৰাটো বিজেপিয়ে নিশ্চিত কৰিছে। ইতিমধ্যে দলটোলৈ সমৰ্থন আগবঢ়াইছে মহাৰাষ্ট্ৰবাদী গোমন্তক পাৰ্টি (এমজিপি)ৰ দুই নিৰ্বাচিত বিধায়কে। ফলত গোৱাত পুনৰ চৰকাৰ গঠনত বিজেপিৰ সন্মুখত কোনো ধৰণৰ বাধা নাথাকিল। অৱশ্যে *১০ পৃষ্ঠাত চাওক*

## সন্ধানহীন হৈ থকা শিক্ষকক নৃশংস হত্যা কোকৰাঝাৰত



**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১০ মাৰ্চ ঃ** কোকৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত চেঁচাপানী ৰেলগেটৰ সমীপত আজি সন্ধিয়া ক্ষত-বিক্ষত অৱস্থাত এজন শিক্ষকৰ মৃতদেহ উদ্ধাৰ হয়। পাছত মৃতদেহটো *১০ পৃষ্ঠাত চাওক*

## ■ ৭০খন আসনৰ ৪৭ খনেই দখল কৰি একেৰাহে দুবাৰ চৰকাৰ গঠনৰ অভিলেখ

# মুখ্যমন্ত্ৰী ধামী পৰাস্ত হ'লেও উত্তৰাখণ্ডত বিপুল জয়ৰে বিজেপিৰে চৰকাৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ মাৰ্চ ঃ** উত্তৰাখণ্ডত পুনৰ ক্ষমতালৈ উভতিল বৰ্তমানৰ শাসক দল বিজেপি। আজি ঘোষিত ফলাফলত বিজেপিয়ে ৪৭ খন, কংগ্ৰেছে ১৯ খন, বিএছপিয়ে দুখন আৰু অন্যান্যই দুখন আসন লাভ কৰে। চৰকাৰ গঠনৰ বাবে ৭০খন আসনবিশিষ্ট ৰাজ্যৰ বিধানসভাত প্ৰয়োজন ৩৬ খন আসনৰ। ২০০০ত ৰাজ্যৰ *আঠ পৃষ্ঠাত চাওক*

## ৬৬৭গৰাকী বিশেষ উত্তীৰ্ণক চৰকাৰৰ বঞ্চনাৰ অভিযোগ

### হুকহুকাই কান্দিলে বিশেষ টে'ট উত্তীৰ্ণই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ মাৰ্চ ঃ** 'শিক্ষামন্ত্ৰী হৈ থাকোতে সৰ্বশিক্ষাৰ অন্তৰ্গত বিভিন্ন পৰ্যায়ত কাম কৰি থকা কৰ্মচাৰীসকলক বিশেষ টে'ট দিবলৈ পৰামৰ্শ দিছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী শুকুৰবাৰ ২৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১১ মাৰ্চ ২০২২


# নিদৰ্শন হৈ উঠক

সমাজত শীৰ্ষস্থানীয় একোগৰাকী ব্যক্তিৰ আচাৰ-ব্যৱহাৰ, সাজ-পাৰ, খোজ-কাটলে প্ৰভূত প্ৰভাৱ পেলায়। ৰাজনীতি, সাহিত্য-সংস্কৃতি প্ৰভৃতিৰ চূড়াত আৰোহণ কৰা ব্যক্তিসকলে তেনেকুৱা কাৰ্যত ব্ৰতী হ'ব নালাগে, যিবোৰ সমাজৰ কাৰণে ক্ষতিকাৰক হয়। আনহাতে, কোনোবাই ক্ষতিকাৰক কাৰ্যৰ দৃষ্টান্ত দাঙি ধৰিব খুজিলেও সমাজে সেই ক্ষেত্ৰত লেকাম ধৰাটো বাঞ্ছনীয়। আমাৰ যুৱপ্ৰজন্ম অধঃপাতে গ'ল বুলি চিঞৰ-বাখৰ কৰিলেই দায়িত্ব শেষ নহয়। সাম্প্ৰতিক কালৰ আৰ্থ-সামাজিক পটভূমিৰ আধাৰতেই তেওঁলোকৰ চৰিত্ৰ গঢ় লৈ উঠিছে। কোনো নেতৃস্থানীয় লোকৰ সমাজক বিপথগামী কৰা কাৰ্যক কিদৰে বাধা দিয়াটো সম্ভৱ হ'ব পাৰে, সেইটোহে বিচাৰ্য বিষয়। সম্প্ৰতি আমি কেউফালে অপৰাধ প্ৰৱণতাৰ ছবিহে দেখিবলৈ পাইছো আৰু ক্ৰমাৎ তাৰ পৰিসৰ ভয়াবহ ধৰণে বৃদ্ধি পাই গৈছে। কেতবোৰ মহলে বিজ্ঞান-প্ৰযুক্তিৰ বিকাশ আৰু বিশ্বায়নৰ ফলস্বৰূপে এনেবোৰ দুষ্কৃতি সংঘটিত হোৱা বুলি মন্তব্য কৰিয়েই কৰ্তব্য সামৰে। আমাৰ ৰাজনীতি, কলা, ব্যৱসায়-বাণিজ্য, চাকৰি-বাকৰি ইত্যাদিৰ প্ৰতিটো ক্ষেত্ৰতেই দুষ্কৃতিৰ পয়োভৰ বৃদ্ধি পোৱা দেখা গৈছে আৰু তেনেবোৰ কাৰ্যৰ দ্বাৰা কিশোৰ-কিশোৰীসকল প্ৰভাৱান্বিত হোৱাটোৱেই স্বাভাৱিক।

সেয়ে সম্প্ৰতি ৰাজনীতিয়ে দুষ্কৃতিৰ পোহাৰ মেলি ধৰা বুলি প্ৰায়েই অভিযোগ তোলা শুনিবলৈ পোৱা যায়; কিন্তু প্ৰকৃতাৰ্থত ৰাজনীতিতকৈ সমাজ সংস্কাৰ আৰু কল্যাণৰ অৰ্থে অধিক গুৰুত্বপূৰ্ণ আন কিবা বিষয় আছে বুলি ধাৰণা নহয়। ৰাজনীতিয়েই সবাতোকৈ দায়িত্বশীল বৃত্তি। ক্ষমতাধিষ্ঠিত নেতাসকল যিমানেই সাৱধান নহওক কিয়, তেওঁলোকৰ দুষ্কাৰ্যৰ সন্ধান আনে নোপোৱাকৈ নাথাকে। শীৰ্ষ ৰাজনৈতিক নেতাই ধন আত্মসাৎ কৰা কাৰ্য তেওঁৰ তলতীয়া বিষয়া-কৰ্মচাৰীৰ পৰা লগুৱালৈকে গম পায়। তদুপৰি শীৰ্ষস্থানীয় নেতা নিকা নহ'লে প্ৰশাসন কেতিয়াও নিকা হ'ব নোৱাৰে। সেই বাবেই মাছ মূৰৰ পৰা গেলে বুলি কোৱা হয়। উচ্চস্তৰৰ নেতা দুৰ্নীতিত লিপ্ত হ'লে স্বাভাৱিকতে বিষয়া-কৰ্মচাৰীও দুৰ্নীতিগ্ৰস্ত হোৱাটো স্বাভাৱিক। সম্প্ৰতি সেই হেতুকে এচাম দুৰ্নীতিগ্ৰস্ত ক্ষমতাধিষ্ঠিত ৰাজনৈতিক নেতাৰ বাবে আমোলা-কৰ্মচাৰী আৰু অন্যান্য ক্ষেত্ৰলৈকে দুৰ্নীতি সম্প্ৰসাৰিত হৈছে। দুৰ্নীতিগ্ৰস্ত নেতাৰ মানসিকতা দুৰ্নীতিৰ ব্যাপক সম্প্ৰসাৰণ ঘটোৱাটো, কাৰণ তেনে অৱস্থাত 'চোৰ বেছি হ'লে কিলৰ সৰাহ' বুলি আশ্বস্ত হ'ব পাৰে। তদুপৰি দুৰ্নীতিগ্ৰস্তসকলে সমাজৰ নিকা ভাবমূৰ্তিৰ লোকসকলকো দুৰ্নীতিৰ আওতালৈ আনিবলৈ এনেদৰে চেষ্টা চলায়, যাতে সেইসকলে সমালোচনা কৰাৰ নৈতিক সাহস হেৰুৱাই পেলায়। এনেদৰে একোজন দুৰ্নীতিগ্ৰস্ত নেতাৰ হেতুকেই সমাজত বিষাক্ত বাতাবৰণৰ সৃষ্টি হৈছে। এই প্ৰক্ৰিয়াই সৰ্বনাশ সাধন কৰিছে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ। ৰাজনীতি মানে তেওঁলোকে এনেকুৱা ধৰণৰ কদৰ্য কাম বুলিয়েই ধৰি লৈছে। আমাৰ ক্ষমতাধিষ্ঠিত নেতাসকলে সততে মনত ৰখা উচিত যে অনন্তকাল তেওঁলোক সংসাৰত জীয়াই নাথাকে। গতিকে ভৱিষ্যত প্ৰজন্মৰ কল্যাণৰ কথা চিন্তা কৰিয়েই তেওঁলোকে পৰিশীলিত জীৱনধাৰাৰে অগ্ৰসৰ হোৱা উচিত, কাৰণ তেওঁলোকৰ প্ৰতিটো বাক্য আৰু প্ৰতিটো খোজে নতুন পুৰুষৰ ওপৰত প্ৰভাৱ পেলাই আহিছে। তেনেদৰেই আমাৰ প্ৰতিষ্ঠিত শিল্পীসকলো নতুন পুৰুষৰ আদৰ্শৰ প্ৰতীক হোৱা উচিত, কিয়নো শিল্পীসকলৰ কথা আৰু কামেও সমানেই প্ৰজন্মৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। একোজনৰ দুষ্কাৰ্যই সমাজখনকেই কিদৰে ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে, তাৰ নিদৰ্শন অসম বুৰঞ্জীত বদন বৰফুকনে দাঙি ধৰিছে। বদনে মান সেনাৰ সাহায্য বিচাৰি ব্ৰহ্মদেশলৈ নোযোৱা হ'লে হয়তো অসম আজিও স্বাধীন হৈয়েই থাকিলহেঁতেন।

## খো লা ম ঞ্চ

# সীমা সমস্যাৰ বাবে কেৱল অসমেই দায়ীনে ?



**দেশে** স্বাধীনতা লাভ কৰাৰ পাছত সীমা সম্পৰ্কে ৰৈ যোৱা ত্ৰুটিসমূহৰ বাবে বৰ্তমানেও সেই সমস্যাই সময়ে সময়ে মূৰ দাঙি উঠা দেখা যায়। এনে ক্ষেত্ৰত জিলা আৰু ৰাজ্যৰ সীমান্তত বসবাস কৰা লোকসকলৰ সহমত নিতান্তই প্ৰয়োজন। উল্লেখ্য যে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ বিভিন্ন সময়ত সংশ্লিষ্ট ৰাজ্যিক চৰকাৰকেইখনৰ লগত অসম চৰকাৰে বহু বৈঠকত মিলিত হোৱাৰ পাছতো প্ৰকৃত সমাধান কৰিব পৰা নাই। আনকি এই বৈঠকসমূহত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ উপস্থিতিয়েও সমস্যাৰ সমাধানত ব্যৰ্থ হোৱা দেখা যায়। সীমা বিবাদৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ভৰসা কৰি থাকে বাবে মীমাংসাও উচিত সময়ত হৈ নুঠে। যাৰ বাবে সীমা বিবাদৰ সমস্যাৰ সুৰুঙাটো ৰৈ থাকে। জিলা বা ৰাজ্যৰ সীমা নিৰ্ধাৰণ কোনো এটা জাতিৰ সংখ্যাগৰিষ্ঠ অনুসৰি কৰা দেখা যায়; কিন্তু ভৌগোলিক সীমা ভাগ-বতৰাৰ সময়ত তাৰ জটিলতা আহি পৰে। ইপক্ষই নিদিয়ে সিপক্ষই নেৰে, তেতিয়া হেঁচি-ঠেলি কিবা এটা সীমা কৰি থোৱা যায়, যিটো পুনৰ সমস্যাৰূপে দেখা দিয়ে। বৰ অসমৰ পৰা ফাটি গৈ ৰাজ্য গঠন কৰা সীমান্তৱৰ্তী অঞ্চলসমূহত বসবাস কৰা অসমীয়া জনসাধাৰণৰ ওপৰত এনেহেন কাৰণে সেই চুবুৰীয়া ৰাজ্যৰ বেদখলকাৰীয়ে বিগত সময়ছোৱাত নানা ধৰণৰ অত্যাচাৰ-উৎপীড়ন কৰাৰ খবৰ প্ৰচাৰ মাধ্যমত পোৱা যায়।

**বলোৰাম ডেকা,** *লেখক*

সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নে? মূলতঃ সীমা বিবাদ এটা অমীমাংসিত সমস্যা। যদিহে ভাগ-বাটোৱাৰা কৰা দুখন ৰাজ্যই এৰা-ধৰাৰ মাজেৰে মীমাংসাৰ বাবে আগবাঢ়ি নাযায়, তেতিয়াহ'লে ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় প্ৰতিনিধিবৰ্গয়ো ইয়াক সমাধান কৰিব নোৱাৰে। অসমৰ জনসাধাৰণ সহিষ্ণু আৰু বিশ্বাসী। কেন্দ্ৰ বা ৰাজ্য চৰকাৰে কৰি দিয়া ভাগ-বাটোৱাত সন্তুষ্ট থাকিব খোজে। আনকি মূল সমস্যাটোৰ পৰাও আঁতৰি থাকিবলৈ ভাল পায়। অসমৰ পৰা ফাটি যোৱা নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশে সময়ে সময়ে অসমৰ সীমা ঠেলি অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰি আছে।

তদুপৰি ৰাজনৈতিক কাৰণেও সীমা সমস্যা সমাধানত বাধাৰ সৃষ্টি কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন ৰাজনৈতিক দলগতভাৱে ভাগ হৈ আছে। কোনো দলে বা চৰকাৰে সমস্যা সমাধানৰ ক্ষেত্ৰত আগবাঢ়িলে বাকী ৰাজনৈতিক দলসমূহ তাত সহযোগ কৰাৰ বিপৰীতে কামটোত বাধা দিয়াৰহে চেষ্টা কৰা দেখা যায়। যাৰ বাবে সমস্যা সমাধানত জটিলতা আহি পৰে। ইয়াৰ উপৰি ভূমি সম্পৰ্কীয় প্ৰশাসনিক ব্যৱস্থাৰ সমস্যা সমাধানত দুৰ্বল স্থিতিৰ বাবে সীমা বিবাদৰ সঠিক সিদ্ধান্তত উপনীত হ'ব নোৱৰাটোও চৰকাৰৰ দুৰ্বলতা। সেয়েহে সীমা বিবাদত অসমক কেৱল দায়ী কৰিব নোৱাৰি যদিও জনসাধাৰণ আৰু চৰকাৰ ইয়াতকৈয়ো অধিক সক্ৰিয় হোৱাটো প্ৰয়োজন আছে।

*ফোন ঃ ৮৭৬১৯০৪৩১৭*

# সামাজিক ডাৰউইনবাদ বনাম মোদীবাদ

## প্ৰকৃতিয়ে জীয়াই থাকিবৰ বাবে যোগ্যজনক নিৰ্বাচিত কৰে



১৮৫৯ৰ ২৮ নৱেম্বৰত চাৰ্লছ ডাৰউইনৰ 'প্ৰজাতিৰ উদ্ভৱ' শীৰ্ষক গ্ৰন্থত উপস্থাপিত 'জীৱৰ ক্ৰমবিকাশৰ তত্ত্ব'ই সমগ্ৰ পৃথিৱীৰ বিদ্বৎ সমাজত আলোড়নৰ সৃষ্টি কৰিছিল। টমাছ হাক্সলি, লায়েল, হুকাৰ, আশা গ্ৰে আদি যেনেকৈ তত্ত্বটোৰ সমৰ্থক আছিল, তেনেকৈ ডাবনি, ৰিচাৰ্ড বেন, উইলিয়াম ড্ৰেপাৰ আদিয়ে তত্ত্বটোৰ ছাল বখলিয়াই সমালোচনা কৰিছিল। বিজ্ঞানী সমাজো প্ৰায় দুভাগত বিভক্ত হৈছিল। ১৮৭১ৰ ২৪ ফেব্ৰুৱাৰীৰ মানুহৰ বিৱৰ্তনক লৈ লিখা ডাৰউইনৰ Descent of Man প্ৰকাশ হোৱাৰ লগে লগে ডাৰউইনবাদে সম্পূৰ্ণতা লাভ কৰে। ধৰ্মবিশ্বাসীৰ বিৰোধিতাৰ ভয়ত ডাৰউইনে প্ৰথম গ্ৰন্থখন প্ৰকাশ কৰিবলৈ কুৰি বছৰ ৰৈ আছিল; সেইখনৰ সফলতাই মানুহৰ বিৱৰ্তনৰ বিষয়ে লিখা গ্ৰন্থ প্ৰকাশ কৰিবলৈ বিজ্ঞানীজনক উৎসাহিত কৰিছিল।

ডাৰউইনৰ তত্ত্বই সমাজ বিজ্ঞানীসকলকো প্ৰভাৱিত কৰিছিল। সাধাৰণতে একোটা তত্ত্বৰ মূল সূত্ৰবোৰ যিমানেই সৰল আৰু সহজবোধ্য হয়, সিমানেই আকৰ্ষণীয় হয়। বিজ্ঞানৰ সূত্ৰবোৰ প্ৰায়েই তেনেকুৱা; যেনে— নিউটনৰ বলবিদ্যাৰ তৃতীয় সূত্ৰ— 'প্ৰত্যেক ক্ৰিয়াৰে সমান আৰু বিপৰীত প্ৰতিক্ৰিয়া থাকে', আইনষ্টাইনৰ এটা সূত্ৰ— 'গতিশীল বস্তুত সময় লাহে লাহে যায়', ফেৰাডে'ৰ বিদ্যুৎ উৎপাদনৰ সূত্ৰ— 'চুম্বক ক্ষেত্ৰ এখনত এডাল পৰিবাহী তাঁৰ লৰাই থাকিলে তাঁৰডালত বিদ্যুৎ উৎপন্ন হয়' ইত্যাদি সূত্ৰবোৰ তেনেই সৰলভাৱে উপস্থাপিত হৈছে, সেয়েহে বিজ্ঞান নজনাসকলৰ বাবেও সূত্ৰবোৰ আকৰ্ষণীয়। সমাজ বিজ্ঞানীয়েও বিচাৰিছিল— এনে কিছুমান সৰল সূত্ৰৰে মানুহৰ সমাজৰ বিকাশৰ পৰ্যায়বোৰ ব্যাখ্যা কৰিবলৈ আৰু ইয়াৰ বাবে বিজ্ঞানৰ বিশেষকৈ জীৱ বিজ্ঞানৰ আশ্ৰয় ল'ব বিচাৰিছিল, কাৰণ সমাজ যেনেকৈ মানুহৰে গঠিত, তেনেকৈ জীৱ বিজ্ঞানতো সকলো জীৱৰে জীৱনৰ বিষয়ে আলোচনা কৰাৰ লগতে সবাতোকৈ উন্নত বুলি ভবা মানুহৰ আলোচনাও হয়।

অষ্টাদশ শতাব্দীৰ মধ্যভাগত ৰুচোৱে তেওঁৰ দুটা প্ৰৱন্ধত আদিম পৰ্যায়ৰ পৰা আধুনিক মানুহৰ উত্তৰণৰ পৰ্যায়বোৰ চিহ্নিত কৰিছিল, অৱশ্যে সভ্যতাৰ বিকাশৰ স'তে সংগতি ৰাখি মানুহ কিমানদূৰ আগুৱাইছে, সেই বিষয়ে তেওঁৰ সন্দেহ আছিল। ঊনবিংশ শতিকাৰ আৰম্ভণিতে অগাস্ত কম্‌টেই সমাজ বিজ্ঞানৰ প্ৰগতিৰ সাধাৰণ সূত্ৰ বিচাৰি জীৱ বিজ্ঞানৰ দ্বাৰস্থ হয়। সমাজৰ বৃদ্ধি আৰু



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

বিকাশৰ কথা চিন্তা কৰিবলৈ লওঁতে বুজা গ'ল যে জীৱ জগতৰো তেনেদৰে বৃদ্ধি আৰু বিকাশৰ কথা আছে। আন এটা কথা হ'ল— জীৱ জগতৰ প্ৰাথমিক সৰল অৱস্থাৰ পৰা ক্ৰমে বিকাশ ঘটিছে উন্নত জীৱলৈ। ডাৰউইনবাদে সৰল ব্যাখ্যাৰে প্ৰথমে এককোষী জীৱৰ পৰা বহুকোষীলৈ, তাৰ পাছত বহুকোষী জীৱ ক্ৰমাৎ উত্তৰণৰ যোগেদি অধিক উন্নত জীৱলৈ পৰিৱৰ্তিত হয় বুলি বুজাই দিলে। তলখাপৰ জীৱ মানে শাৰীৰিক জটিলতা কম আৰু উন্নত জীৱ মানে অধিক জটিলতাৰ প্ৰকাশ। একেদৰে একেবাৰে আদিম কালত মানুহ গাইগুটীয়াকৈ থাকিলেও লাহে লাহে সমাজ ব্যৱস্থা আৰম্ভ হ'ল। প্ৰাথমিক বহুকোষী জীৱৰ দৰেই প্ৰাথমিক সমাজো আছিল তেনেই সৰল। জীৱদেহৰ জটিলতা বাঢ়ি ক্ৰমান্বয়ে উন্নত জীৱ হোৱাৰ দৰে সমাজৰো পৰিসৰ তথা জটিলতা বাঢ়িল। জীৱৰ শৰীৰৰ একোটা অংগই একাধিক কাম কৰাৰ পাছত বিভিন্ন কৰ্মৰ বাবে বিভিন্ন অংগৰ সৃষ্টি হ'ল। একেদৰে সমাজতো কৰ্মবিভাগ আহিল। জীৱদেহত বিভিন্ন অংগৰ সৃষ্টি হোৱাত জটিলতা বাঢ়িল, বিভিন্ন কৰ্মৰ সমন্বয়ৰ বাবে নিয়ন্ত্ৰকৰ ভূমিকা লোৱা মগজুৰো জটিলতা বাঢ়িল। একে ধৰণৰ ঘটনা ঘটিল সমাজ জীৱনতো। সমাজৰ নিয়ন্ত্ৰণৰ বাবে মুখিয়ালৰূপী শাসকৰ আৱিৰ্ভাৱ হ'ল।

জীৱ বিজ্ঞানৰ ডাৰউইনবাদক বিৱৰ্তনৰ ধাৰণাৰে সমাজ বিজ্ঞানত বিভিন্ন ধৰণেৰে প্ৰয়োগ কৰাৰ ক্ষেত্ৰত দুটা দলৰ সৃষ্টি হৈছিল; ইয়াৰে 'সামাজিক ডাৰউইনবাদ' তত্ত্বৰ উদ্ভাৱক দলটোৱে পোনে পোনে মানৱ সমাজত ক্ৰমবিকাশৰ ধাৰণাৰ সনা-পোতোকা কৰিছিল। দাৰ্শনিক হাৰ্বাৰ্ট স্পেন্সাৰে ১৮৫২তেই প্ৰকাশ কৰিছিল 'সামাজিক নিৰ্বাচন তত্ত্ব'। সাত বছৰৰ পাছত প্ৰকাশিত ডাৰউইনবাদৰ এটা সূত্ৰ আছিল 'প্ৰাকৃতিক নিৰ্বাচন'— প্ৰকৃতিয়ে জীয়াই থাকিবৰ বাবে যোগ্যজনক নিৰ্বাচিত কৰে; আনহাতে, স্পেন্সাৰে সমাজত বৰ্তি থাকিবলৈ যোগ্যজনক সমাজে নিৰ্বাচন কৰে। ভাৰতীয় শাস্ত্ৰত থকা 'যোগ্য ভোগ্য বসুন্ধৰা' বাণীৰ দৰে স্পেন্সাৰে কৈছিল 'যোগ্যতমৰ নিৰ্বাচন'। স্পেন্সাৰৰ ইংৰাজী বাক্যাংশ ডাৰউইনে 'প্ৰজাতিৰ উদ্ভৱ'ৰ পঞ্চম সংস্কৰণত (১৮৬৯) ব্যৱহাৰ কৰিছিল। ডাৰউইনবাদৰ মতে প্ৰকৃতিয়ে যোগ্যতমক নিৰ্বাচিত কৰিবলৈ অধিক বংশ বিস্তাৰ হোৱাটো বিচাৰে। সেইদৰে সামাজিক ডাৰউইনবাদতো স্পেন্সাৰে ক'লে যে মানুহৰ সংখ্যাধিক্য সমাজৰ বাবে সুফলদায়ক।

ডাৰউইনবাদক সমাজত প্ৰয়োগ কৰাৰ অসুবিধাটো আছিল— অন্য জীৱক প্ৰকৃতিয়ে নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে মানুহেহে প্ৰকৃতিক বহু পৰিমাণে নিয়ন্ত্ৰণ কৰে, গতিকে প্ৰাকৃতিক নিৰ্বাচনক সামাজিক নিৰ্বাচনলৈ পৰিৱৰ্তিত কৰিব নোৱাৰি। সামাজিক ডাৰউইনবাদৰ বহু ত্ৰুটিৰ বাবে ই পৰিত্যক্ত হ'লেও আধুনিক ভাৰতত প্ৰধানমন্ত্ৰী মোদীয়ে জ্ঞাতে বা অজ্ঞাতে ইয়াৰ প্ৰয়োগ কৰিছে। মানুহে দক্ষতা, বুদ্ধিমত্তা আদিৰে নতুন নতুন কৌশল উদ্ভাৱন কৰিছে। এনে মানুহেই সমাজত শ্ৰেষ্ঠ আৰু এওঁলোকক যিমান পাৰি সহায় কৰিলেহে মানুহৰ উন্নতি হ'ব। 'জীৱনত সফলতা লাভ কৰাসকলেই সমাজৰ উন্নতিৰ বাহক, গতিকে তেওঁলোকে বিশেষ সুবিধা পাব লাগে'— স্পেন্সাৰৰ এই ধাৰণা মোদীয়ে সফল প্ৰয়োগ কৰিছে যেন লাগে। আমেৰিকাত উইলিয়াম গ্ৰাহাম চুমনাৰৰ নেতৃত্বত কুৰি শতিকাৰ প্ৰথম ভাগলৈকে সমাজ ডাৰউইনবাদে বাৰুকৈয়ে শিপাইছিল। জীৱনৰ প্ৰথম দৰকাৰী কথাটো হৈছে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এই সংগ্ৰামত সহায় কৰে পুঁজিয়ে; যিটোৱে শ্ৰমৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰে আৰু সমাজলৈ অগ্ৰগতি আনে।

আমেৰিকাৰ সমাজ ডাৰউইনবাদৰ আৰ্হিতেই ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে প্ৰায় এশ বছৰৰ আগতেই পৰিত্যক্ত হোৱা তত্ত্ব প্ৰয়োগ কৰিছে। ধন-সম্পত্তিয়ে প্ৰগতিৰ প্ৰচেষ্টাক উৎসাহ যোগায়, গতিকে ধনী লোক সমাজৰ প্ৰগতিৰ বাবে অধিক দৰকাৰী। এনে ধনী লোকক চৰকাৰে অধিক সুবিধা দি সম্পদ গোটোৱাত সহায় কৰিব লাগে; সেই মতে মোদীয়ে আদানি-আম্বানীসকলক অধিক ধনী হোৱাত উৎসাহ দিছে। যোৱা কেইবছৰমানৰ ভিতৰতে প্ৰধানমন্ত্ৰীৰ সমাজবাদে ইপ্সিত ফল দিছে। চৰকাৰে অনুসৰণ কৰা নীতিৰ ফলত দেশৰ ধনীসকল অধিক ধনী হৈ গৈছে আৰু দৰিদ্ৰ অধিক দৰিদ্ৰ হৈছে।

**আমেৰিকাত উইলিয়াম গ্ৰাহাম চুমনাৰৰ নেতৃত্বত কুৰি শতিকাৰ প্ৰথম ভাগলৈকে সমাজ ডাৰউইনবাদে বাৰুকৈয়ে শিপাইছিল। জীৱনৰ প্ৰথম দৰকাৰী কথাটো হৈছে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এই সংগ্ৰামত সহায় কৰে পুঁজিয়ে; যিটোৱে শ্ৰমৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰে আৰু সমাজলৈ অগ্ৰগতি আনে**

আন্তৰ্জাতিক স্বেচ্ছাসেৱী সংগঠন অক্সফামৰ তথ্য মতে ভাৰতৰ অতি ধনী এক শতাংশ লোকৰ হাতত মুঠ সম্পদৰ প্ৰায় ৯০ শতাংশ কুক্ষিগত হৈ আছে। দেশৰ ৫৫ কোটি মানুহ বা ৪০ শতাংশ লোক আটাইতকৈ দুখীয়া হৈছে। ক'ভিড মহামাৰীয়ে বেছিভাগ লোককে ধৰাশায়ী কৰিলে যদিও ভাৰতত ২০২০ত থকা বিলিয়নাৰৰ সংখ্যা ১০২ৰ পৰা এবছৰৰ ভিতৰতে ১৪২লৈ বঢ়ালে। ভাৰত চৰকাৰে ধনীসকলক নানা ধৰণৰ কৰ ৰেহাইৰে সম্পদ বঢ়াবলৈ সুবিধা কৰি দিছে; সামাজিক ডাৰউইনবাদতো ধনীক বেছি সুবিধা দিয়াৰ কথা আছে।

এনে সমাজবাদৰ ফলত দৰিদ্ৰসকল অধিক দুখীয়া হৈ হৈ এসময়ত সম্পদশূন্য হ'বগৈ। বাওঁপন্থাৰ মতে মানুহৰ যেতিয়ালৈকে কিবা হেৰুওৱাৰ ভয় থাকে, তেতিয়ালৈকে সৰ্বাত্মক বিপ্লৱ নহয়, অৰ্থাৎ মানুহ সৰ্বহাৰা হ'লেহে শোষক শ্ৰেণীৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰে। সামাজিক ডাৰউইনবাদৰ নীতি নহ'লেও মোদীয়ে জনসাধাৰণক তেনে অৱস্থালৈ যাবলৈ দি বিপদ বঢ়াই নলয়। সেয়েহে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ নীতি অনুসৰণ কৰি বৰ্তমানৰ চৰকাৰেও বিনামূলীয়াকৈ চাউল আৰু অন্যান্য সামগ্ৰী দিছে। এইখিনি সামগ্ৰীৰ লোভত ভোটাৰ ৰাইজেও মোদীৰ দলক সদায় ভোট দি যাব, অৱশ্যে কৰ্মৰ প্ৰতি অনীহাই তেওঁলোকৰ বিলুপ্তিও ঘটাব।

ঊনবিংশ শতিকাত ইংলণ্ডত সামাজিক ডাৰউইনবাদৰ স্পেন্সাৰৰ আৰ্হি চলা নাছিল, কাৰণ ইংলণ্ডৰ উদাৰপন্থীসকলে সমাজৰ অৱহেলিত শ্ৰেণীৰ বাবে বহুতো ইতিবাচক আইন প্ৰণয়ন কৰিছিল। আনহাতে, এই তত্ত্বৰ নেতা উইলিয়াম চুমনাৰে পুঁজিবাদৰ সমৰ্থক আমেৰিকাত সামাজিক ডাৰউইনবাদৰ প্ৰতিষ্ঠা কৰিব পাৰিছিল। ডাৰউইনৰ তত্ত্বতো আছিল অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ কথা, এই সংগ্ৰামত জয়ী হ'বলৈ পুঁজিয়েই সহায় কৰিব, গতিকে ধন-সম্পদৰ গৰাকীসকলেই সভ্যতাৰ অগ্ৰগতিত অৰিহণা যোগাব। ইয়াৰ বাবে এটা চামৰ হাতত অধিক ধন থাকিব লাগিব আৰু এই ধন বংশানুক্ৰমিকভাৱে স্থিত হ'ব লাগিব। ধন-সম্পদৰ গৰাকীসকল হৈছে বিশেষভাৱে চিহ্নিত ব্যক্তি। ভাৰত চৰকাৰেও আদানি-আম্বানীৰ দৰে নিৰ্বাচিত ব্যক্তিকেই দেশৰ প্ৰগতিৰ বাবে মনোনীত কৰিছে। আমেৰিকান শিল্পপতিসকলে সামাজিক ডাৰউইনবাদী হিচাপে তেওঁলোকৰ সাফল্যক ব্যাখ্যা কৰিছে। ৰেল কোম্পানীৰ মালিক জেমছ জে হিলে বিচাৰিছিল ৰেলৰ দৰে সকলোবোৰ বৃহৎ উদ্যোগৰ ব্যক্তিগতকৰণ হ'ব লাগে। মোদীৰ বাবে এইসকল আদৰ্শ ব্যক্তি।

সামাজিক ডাৰউইনবাদ ব্যৰ্থ হৈছিল, মোদীবাদো হয়তো বিফল হ'ব একেবোৰ কাৰণতেই।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# অন্য এক দৃষ্টিৰে বৈকুণ্ঠপুৰী ৰাঙলী পথাৰ

*হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে*
*প্ৰেম অমৃতৰ নদী।*
*শ্ৰীমন্ত শংকৰে পাৰভাঙি দিলা*
*বহে ব্ৰহ্মাণ্ডক ভেদি।।*

**গত** ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈকে নাহৰকটীয়াৰ ৰাঙলী পথাৰ হৰিনামৰ ধ্বনিৰ অমৃত ৰসেৰে বৈকুণ্ঠপুৰীত পৰিণত হৈছিল। বৈকুণ্ঠনো কাক কয়? এই বিষয়ে বৈষ্ণৱ পণ্ডিত ইলাৰাম দাসে তেওঁৰ 'নামঘোষা ৰসামৃত' গ্ৰন্থত সৰল ভাঙনিত কৈছে— হৰিনাম ৰসৰ প্ৰেম অমৃতৰ নৈখনি পূৰ্বে বৈকুণ্ঠ প্ৰকাশ কৰি আছিল। শ্ৰীমন্ত শংকৰে এই নদীৰ পাৰ ভাঙি দিয়াত প্ৰেম অমৃতৰ নদী ব্ৰহ্মাণ্ড ভেদি গ'ল। আমাৰ সাধাৰণ জ্ঞানৰ সীমিত পৰিধিৰ মতে বৈকুণ্ঠপুৰী কোনো ঠাইতে নাই। প্ৰেম অমৃতৰ নদীও নাই। সেই কাল্পনিক বৈকুণ্ঠপুৰী আৰু প্ৰেম অমৃতৰ নদী মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা বিৰচিত কীৰ্ত্তন, দশম আৰু শ্ৰীমদ্ভাগৱতৰ তিনি অধ্যায়তে আবদ্ধ আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে সৰ্বসাধাৰণ ভকতৰ সংগত ব্যক্ত কৰিলে। ভক্তবৃন্দই ভক্তিৰস পালন কৰি ৰস পোৱাত কাব্যিকভাৱে প্ৰকাশ কৰোঁতে এই উপমা দিছে। কোনোবা শাস্ত্ৰত পোৱা মতে আকৌ যি স্থানত সমবেত ভক্তই অহনিশ ধৰ্ম চৰ্চা কৰে সেয়েই বৈকুণ্ঠপুৰী। যি স্থানত সৎ কৰ্মৰ চিন্তা, ন্যায়, অহিংসা, ক্ষমা, দয়া, ধৈৰ্য, সত্য, মানৱীয়তা আদিৰ চৰ্চা হয় সেই স্থানেই বৈকুণ্ঠপুৰীলৈ ৰূপান্তৰিত হয়। তাৰ বিনে অন্য ক'তো বৈকুণ্ঠপুৰী নাই। বৈকুণ্ঠপুৰী সদৃশ স্থানত হিংসা, অন্যায়, অনীতি, কুচৰ্চা-কপট, শত্ৰুতা ভাব আদিৰ স্থান নাই; কিন্তু বৰ্তমান বৈকুণ্ঠপুৰীত তেনে পৰিৱেশ দেখা নাযায়।



প্ৰতিটো ধৰ্মৰ নিৰ্ধাৰিত কিছু নীতি-নিয়ম থাকে। সেই বিষয়ে আমাৰ ক'বলগা নাই। কিন্তু শংকৰ সংঘৰ নীতি-নিয়মৰ ক্ষেত্ৰত নক'লে ভুল হ'ব। এই বিষয়ে বহুতৰ অভিযোগ আছে যদিও মুখ খুলিবলৈ ভয় কৰে। যিসকলে মাত মাতে সেইসকলে সংঘৰ সদস্যসকলৰ পৰা অনেক ককৰ্থনা শুনিব লাগে। কাৰণ ধৰ্মক হেনো নিন্দা কৰিব নাপায়। শংকৰ সংঘইহে বোলে শুদ্ধ বৈষ্ণৱ ধৰ্ম পালন কৰিছে। এইখিনিতে আমাৰ প্ৰশ্ন হয় যে শংকৰ সংঘৰ জন্ম হোৱাৰ পূৰ্বে উপৰি পুৰুষসকলে কি ধৰ্ম পালন কৰিছিল। আজিৰ পৰা আঠ দশকৰ আগতে আমি দেখা মতে ধৰ্মক কেন্দ্ৰ কৰি কোনো বিতৰ্ক আৰু কাজিয়া-পেচাল হোৱা নাছিল। পিতৃ-মাতৃৰ বিয়োগ হ'লে দহদিন আৰু মাহেকত বামুণে পিণ্ড কৰ্ম কৰিছিল আৰু পাছত নাম কীৰ্তনেৰে শ্ৰাদ্ধ সমাপন কৰিছিল। পিতৃ-মাতৃৰ বিয়োগত যিজনে ক্ৰিয়া ধৰিছিল সেইজনে মূৰত বগা কাপোৰৰ চিতকানি মাৰিছিল, লাখুটিৰ দৰে এডালৰ আগত নাল নথকা কটাৰী এখন গুজি লৈ আৰু বহিৰ কাৰণে শুকান কলঠৰোৱাৰ কঠ এখন আছিল। গাত বগা চাদৰ এখন লৈছিল। শ্ৰাদ্ধৰ আগদিনা বা শ্ৰাদ্ধৰ দিনা পিণ্ড দিয়াৰ আগতে মুণ্ডন কৰিছিল। সেই নীতি-নিয়ম আজিৰ দিনত সলনি হ'ল। সেই সম্পৰ্কে আমাৰ ক'বলগাও নাই। কিন্তু শংকৰ সংঘৰ মতে পিণ্ড দিয়াটো নিষিদ্ধ কৰা হৈছে। তাতো আমাৰ ক'বলগীয়া নাই। আমাৰ প্ৰশ্ন হৈছে মুণ্ডন কৰা নকৰাক লৈহে। মুণ্ডন কৰিলে হেনো মৃতকৰ আত্মাই শান্তি নাপায়। মৃতকৰ আত্মাই শান্তি পায়নে অশান্তি পায় সেইটো কোনেও ক'ব নোৱাৰে। আমাৰ অশান্তিৰ কাৰণ হৈছে মুণ্ডন আৰু কৰ্মকাণ্ডহে; একেজন পিতৃৰ দুজন পুত্ৰই পিতৃৰ বিয়োগৰ পিছত মুণ্ডন আৰু কৰ্মকাণ্ডক লৈ বেলেগে বেলেগে পিতৃ বা মাতৃৰ শ্ৰাদ্ধ কৰাতহে। এই ক্ষেত্ৰত দুই পুত্ৰৰ অশান্তি হয়নে শান্তি হয় সেইটো বিতৰ্কৰ বিষয়। এয়েই নহয় খেলৰ ব্যক্তিসকলো বিভ্ৰান্ত হ'ব লগাত পৰে।

দ্বিতীয় প্ৰশ্ন হৈছে বিবাহৰ ক্ষেত্ৰত। অসমতেই নহয় ভাৰতৰ বৈবাহিক পদ্ধতি হৈছে হোমপোৱা। অসমৰ বেছিভাগ বিবাহ কাৰ্য সম্পাদন হয় হোম যজ্ঞৰে। আহোমৰ ক্ষেত্ৰত ব্যতিক্ৰম আছিল। এসময়ত আহোম সম্প্ৰদায়ৰ বিবাহ সম্পন্ন হৈছিল 'বুজনি' পদ্ধতিৰে। গাঁৱৰ বয়োজ্যেষ্ঠ এজনে দৰা-কইনাক উপস্থিত ৰাইজক সাক্ষী কৰি কেনেকৈ যুগ্ম জীৱনৰ কৰ্তব্য পালন কৰিব সেই সম্পৰ্কে দুয়োকে বুজনি দিছিল; কিন্তু পৰৱৰ্তী সময়ত আহোমে চকলং কৰিবলৈ ধৰিলে। আহোমৰ চকলং আৰু হোমপোৱা বিবাহত শংকৰদেৱৰ প্ৰৱেশ নিষেধ। তেওঁলোকৰ নিজা সংবিধান ওলাল আৰু সেই পদ্ধতিৰে বিবাহকাৰ্য সম্পাদন কৰে। আপত্তি নাই। আমোদজনক এয়েই যে কেতিয়াবা সংঘৰ ল'ৰা-ছোৱালীয়ে অনা সংঘৰ ল'ৰা-ছোৱালীক ভাল পাই বাধ্যত পৰি বিয়া হ'ব লগা হ'লে সংঘ পৰিয়ালে এৰাব নোৱাৰি বিয়া দিলে হোমপুৰি বা আহোম হ'লে চকলং কৰি দিয়ে আৰু তেতিয়া সংঘৰ পিতৃ-মাতৃয়ে সেই বিয়াৰ পৰা বিৰত থকা দেখা যায়। নিজ সন্তান বা কন্যাৰ সেই শুভ মুহূৰ্তত পিতৃ-মাতৃৰ অনুপস্থিতি ধৰ্মৰ খাতিৰত বেদনাদায়ক নহয়নে?

কি কাৰণ বা কি সংঘাতত শংকৰ সংঘৰ জন্ম হৈছিল সেই বিষয়ে আমি অজ্ঞ। কিন্তু এবাৰ কোনোবা এটা লেখাত পোৱা মতে নগাঁও জিলাৰ ইলাৰাম দাসে কলেজত পঢ়ি থাকোতে কেইজনমান সহপাঠীৰ লগত বৰদোৱা সত্ৰলৈ যাওতে হেনো প্ৰৱেশ পথত বাধা দি মূল সত্ৰত প্ৰৱেশ কৰিবলৈ নিদিলে। কাৰণ ইলাৰাম দাস অনুসূচীত সম্প্ৰদায়ৰ লোক আছিল। যদি সেইটো সত্য হয় তেন্তে সেই সত্ৰৰ সেই সময়ৰ সত্ৰাধিকাৰ গৰিহণাৰ যোগ্য এই কাৰণেই যে শংকৰদেৱৰ ধৰ্ম আদৰ্শৰ নামত সত্ৰ পাতি আদৰ্শৰ বিপৰীত পন্থা গ্ৰহণ কৰা। বৰদোৱা বুলিয়েই নহয় মাজুলীৰ সত্ৰবিলাকৰো কোনো কোনোৱে এনে বিপৰীত পন্থা অৱলম্বন কৰা দেখা যায়। উদাহৰণস্বৰূপে নমামি ব্ৰহ্মপুত্ৰ যজ্ঞত অংশ লোৱা আৰু কপালত দীঘলীয়া ফোট লোৱা। ইলাৰাম দাসে বৰদোৱা সত্ৰৰ ব্যৱহাৰত ক্ষুণ্ণ হৈ মহাপুৰুষ শংকৰদেৱৰ এক শৰণ নামধৰ্মৰ প্ৰতি আকৃষ্ট হৈ ৰচনা কৰা 'নামঘোষা ৰসামৃত' নামৰ পুথিখন লেখত ল'বলগা। কোন চনত বৰদোৱা সত্ৰলৈ গৈছিল সেইটোহে উল্লেখ নাছিল। ইলাৰাম দাসৰ বৈষ্ণৱ ধৰ্ম আন্দোলনৰ আলমতে শংকৰ সংঘৰ জন্ম হৈছিল নে আগে-পিছে হৈছিল সেইটো অৱশ্যে নাজানো।

**অ ভি ম ত**


শংকৰ সংঘৰ জন্ম ১৯৩০ত নগাঁৱৰ পলাশনিত হোৱা বুলি কয়। পলাশনি গাঁৱৰ নামঘৰত ধৰ্মালোচনী সভাত এদিন ৰমাকান্ত মুক্তিয়াৰে শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ বিষয়ে ৰসাল বক্তৃতা দি ভকতক মনোমুগ্ধ কৰে। তাৰ পৰাই শংকৰ সংঘৰ উকমুকনি হয় বুলিও কয় আৰু সেই চনত শংকৰ সংঘই পূৰ্ণৰূপ পাইছিল নে নাই তাৰ উল্লেখ নাই যদিও ১৯৩২ত পলাশনিত অনুষ্ঠিত হোৱা অধিৱেশনত সভাপতিত্ব কৰিছিল বাগ্মীবৰ নীলমণি ফুকনে আৰু নাহৰকটীয়াৰ ৰাঙলী পথাৰৰ ৯১তম শংকৰ সংঘৰ মূল তোৰণৰ নাম নীলফুকন দিয়া হৈছিল। কোনো কোনোৱে ১৯৫৮তহে সংঘই পূৰ্ণাংগ ৰূপ পোৱা বুলি কয়। যি কি নহওক, মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত এক শৰণ নাম ধৰ্মৰ নামত সৃষ্টি হোৱা 'শংকৰদেৱ সংঘ' নামকৰণ আৰু সংঘৰ কিছুমান ৰীতি-নীতিৰ সম্পৰ্কেহে আমাৰ দৰে বহুতে আপত্তি কৰে। ধৰ্মৰ নামত শংকৰদেৱে কোনো অনুষ্ঠান খোলা নাছিল। নামঘৰৰ প্ৰতিহে আগ্ৰহ প্ৰকাশ কৰিছিল। সেই কাৰণেই আজিৰ দিনত গ্ৰামাঞ্চলত নামঘৰৰ সংখ্যা অধিক দেখা যায়।

আমাৰ প্ৰশ্ন হৈছে কি সংঘাতত শংকৰ সংঘৰ জন্ম হৈছিল। শংকৰ সংঘৰ প্ৰথম পদাধিকাৰ সোণাৰাম চুতীয়া আছিল নেকি? দ্বিতীয়তে শংকৰ সংঘই ধৰ্ম পালনৰ নামত যি নীতি অৱলম্বন কৰিছে সেই নীতি মহাপুৰুষ শংকৰদেৱে কৰিছিলনে বা মানি চলিছিলনে? শংকৰদেৱৰ আই গৰাকীয়েই দেখোন শাক্তধৰ্ম পালন কৰিছিল আৰু মাধৱদেৱৰ প্ৰচেষ্টাতহে মূৰ্তি আঁতৰোৱা হৈছিল হেনো। কথাটো যদি সঁচা হয় তেন্তে মহাপুৰুষজনাই সেই গৰাকী আইৰ স'তে বিনা আপত্তিত সংসাৰ কৰা নাছিলনে? এগৰাকী ব্যক্তিয়ে ৰামচৰণ ঠাকুৰৰ গুৰুচৰিতৰ উদ্ধৃতি দি কৈছিল যে কোনোবা এগৰাকী আইৰ বিয়োগ হওঁতে হেনো শংকৰদেৱে কৰ্মকাণ্ড মানিহে শুচি হৈছিল। কথাটো সঁচানে? জয়গুৰু শংকৰ।

**গগন চেতিয়া**
ৰাজগড়, গুৱাহাটী

# অল কায়দাৰ খলিফা ৰাষ্ট্ৰৰ মানচিত্ৰত অসম

## অসমত পাঁচ অল কায়দাৰ সদস্য আটক



**বিশ্বত্ৰাস** জেহাদী সংগঠন 'ভাৰতীয় উপ-মহাদেশত অল কায়দা' (এ কিউ আই এছ)ৰ শাখা সংগঠন 'আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ পাঁচজন জেহাদীক গ্ৰেপ্তাৰৰ পাছতে ৰাজ্যত একপ্ৰকাৰ জোঁকাৰণিৰ সৃষ্টি হৈছে। যোৱা তিনি আৰু চাৰি মাৰ্চত বৰপেটা জিলাৰ হাউলী আৰু কলগাছিয়াৰ পৰা আৰক্ষীয়ে এজন বাংলাদেশী নাগৰিকসহ পাঁচজন এবিটিৰ সদস্যক গ্ৰেপ্তাৰ কৰে। যোৱা পাঁচ মাৰ্চত বাগ্‌সা জিলাৰ মানাহৰ বাঁহবাৰী ৰেঞ্জৰ অতিথিশালাত এক সংবাদমেলত এই কথা সদৰী কৰে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। তেওঁ সদৰী কৰা মতে, ধৃত লোককেইজনৰ অন্যতম মহম্মদ সুমন ওৰফে ছাইফুল ইছলাম ওৰফে হাৰুণ ৰছিদ বাংলাদেশী নাগৰিক। বাংলাদেশৰ নাৰায়ণগঞ্জ জিলাৰ অৰাইঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত অটাদি গাঁৱৰ বাসিন্দা মহম্মদ সুমনে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰি বৰপেটাৰ হাউলীৰ ঢাকালীয়াপাৰা মছজিদৰ মাদ্ৰাছাত শিক্ষকৰূপে কাম কৰিছিল। মাথোঁ সেয়াই নহয়, কে'বা বছৰ পূৰ্বে অসমত প্ৰৱেশ কৰি বাংলাদেশী নাগৰিকজনে অসমতে বিয়া পাতি সংসাৰ পাতি আছিল। তেওঁৰ আছে পুত্ৰ আৰু কন্যা; কিন্তু শিক্ষকতাৰ ছলেৰে অসমত জেহাদী কাৰ্যকলাপৰ জাল মেলি দিয়া বুলি আৰক্ষী সঞ্চালকপ্ৰধানে সদৰী কৰি তেওঁৰ এই জেহাদী কাৰ্যকলাপৰ স'তে জড়িত থকাৰ অভিযোগত কলগাছিয়াৰ পৰা তিনিজন আৰু হাউলীৰ পৰা এজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন ক্ৰমে হাউলীৰ কালীয়াপাৰাৰ টাইমুৰ ৰহমান খান (৫৪) আৰু কলগাছিয়াৰ বালাপথাৰৰ খাইৰুল ইছলাম (২৭), কলগাছিয়াৰ খাৰবালিৰ বাদশ্বাহ চুলেইমান খান (২৮) আৰু নৌচাদ আলী (৪০)। ধৃত লোককেইজন বাংলাদেশৰ অল কায়দাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ হৈ কাম কৰি আহিছিল। তেওঁলোক আনছাৰ ইছলাম, যাৰ বৰ্তমান নাম আনছাৰউল্লাহ বাংলা টীম নামৰ জেহাদী সংগঠনৰ প্ৰত্যক্ষ কৰ্মীৰূপে জেহাদী আৰু মৌলবাদী কাৰ্যকলাপত জড়িত আছিল। বিশেষকৈ অসমৰ এটা বিশেষ সম্প্ৰদায়ৰ যুৱকক আকৰ্ষিত কৰি সদস্য ভৰ্তি কৰি আহিছিল। লগতে জেহাদীৰ কাৰ্যকলাপ সক্ৰিয় কৰি তোলাৰ লগতে মৌলবাদী জেহাদীৰ শিপা বিয়পাই দিছিল বুলি অসম আৰক্ষীয়ে প্ৰকাশ কৰিছে।

**চাহাবুদ্দিন আহমেদ**

এইখিনিতে মন কৰিবলগীয়া যে বিগত কে'বা বছৰ ধৰি অসমত বৃদ্ধি পাইছে জেহাদী তথা মৌলবাদী কাৰ্যকলাপ। বাংলাদেশৰ জে এম বিকে ধৰি কেতবোৰ নিষিদ্ধ মৌলবাদী সংগঠনৰ তৎপৰতা আৰু কাৰ্যকলাপ চলোৱাৰ বাতৰি সময়ে সময়ে সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। তদুপৰি অসম আৰক্ষীৰ বিশেষ শাখায়ো ইয়াৰ সত্যতা প্ৰমাণ কৰা বুলি প্ৰকাশ পাইছে। অৱশ্যে সেই সত্যতা পৰৱৰ্তী সময়ত ওলাই পৰিছে আৰু ওলাই আছে। সেয়া যিয়েই নহওক, এটা কথা নিশ্চিত যে সন্ত্ৰাসবাদৰ আন্তঃৰাষ্ট্ৰীয় প্লেটফৰ্ম হাক্কানি নেটৱৰ্কৰ আৰ্হিত অসমতো একিউ আই এছ এ অসমৰ চৰ-চাপৰি মাদ্ৰাছাসমূহত ইছলামীয় সন্ত্ৰাসবাদীৰ সংগঠনৰ নেটৱৰ্ক গঢ়ি তোলাৰ অভিযোগ নতুন নহয়। বিশেষকৈ বৰ্তমান সময়ত অসমৰ বিভিন্ন স্থানত চলি থকা বেচৰকাৰী মাদ্ৰাছাসমূহত ৰাষ্ট্ৰবিৰোধী কাম-কাজ চলি থকা বুলি অভিযোগ উঠি আহিছে। মাদ্ৰাছাসমূহত ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ চলি থকাৰ সন্দেহত মাজে-সময়ে চোকা দৃষ্টি দিয়াৰ বাবে প্ৰশাসনক দাবী জনাই আহিছে একাংশ দল-সংগঠনে। ধৰ্মৰ আঁৰ লৈ এটা ৰাষ্ট্ৰ বিৰোধী চক্ৰই মাদ্ৰাছাসমূহৰ ছাত্ৰ-ছাত্ৰীক বিপথে পৰিচালিত কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা বিয়পি পৰা এই সমগ্ৰ উত্তৰ- পূৰ্বাঞ্চল, নেপালৰ তেৰাই অঞ্চল আনকি ম্যানমাৰৰ ৰোহিংগ্যা অধ্যুষিত অঞ্চলত ইয়াৰ কাৰ্যকলাপ চলি আহিছে বুলি সময়ে সময়ে অভিযোগ উঠিছে। হাক্কানি নেটৱৰ্কে ইছলামীয় সন্ত্ৰাসবাদ বিয়পাবৰ বাবে মাদ্ৰাছাক ব্যৱহাৰৰ অভিযোগৰ সমান্তৰালকৈ শ্লিপাৰ চেল তৈয়াৰ কৰি অহা বুলি অভিযোগ উঠিছে। ইপিনে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত কে'বাটাও মৌলবাদী সংগঠনে কাৰ্যকলাপ চলাই আহিছে বুলি মন্তব্য কৰিছে। এটা কথাত উপনীত হ'ব পাৰি যে সাম্প্ৰতিক চৰকাৰৰ কাৰ্যকলাপৰ বিৰুদ্ধে একাংশ অশিক্ষিত, অৰ্ধ-শিক্ষিত যুৱকক ধৰ্মৰ অজুহাতত মৌলবাদী কাৰ্যকলাপত লিপ্ত কৰাটো একো অবিশ্বাস্য কথা নহয়। কাৰণ এতিয়া সমাজত নিজৰ স্বাৰ্থসিদ্ধি কৰিবলৈ হ'লে ধৰ্ম হৈ পৰে মূল অস্ত্ৰ। ধৰ্মক আহিলাৰূপে লৈ ইতিমধ্যে সমাজত সংঘটিত হৈছে বিশৃংখল কাৰ্যকলাপ। বিশেষকৈ শান্তি-শৃংখলা বিঘ্নিত হৈ পৰা এই কাৰ্যকলাপৰ জৰিয়তে দেশৰ ঐক্য-সংহতি-সম্প্ৰীতিক আঘাত কৰি আহিছে। ইছলামত এনে কাৰ্যকলাপৰ অনুমতি দিয়া হোৱা নাই। একাংশ ন্যস্তস্বাৰ্থজড়িত ধৰ্মৰ বিশেষ জ্ঞান নথকা লোক এই কাৰ্যত জড়িত হৈ সমাজত এনে বিশৃংখলতা সৃষ্টিত ইন্ধন যোগোৱাটো একো আচৰিত কথা নহয়। তেনেস্থলত সমগ্ৰ ধৰ্মটোক দোষাৰোপ কৰিলে ভুল কৰা হ'ব। কাৰণ ধৰ্মই কোনোদিনে বিভাজনত গুৰুত্ব দিয়া নাই। ইছলামে সহমৰ্মিতা আৰু সম-মৰ্মিতাতহে গুৰুত্ব আৰোপ কৰে। যি দেশৰ বায়ু-পানী-বতাহ খাই ডাঙৰ-দীঘল হয়, সেই দেশৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰাটো ইছলাম ধৰ্মৰ নিৰ্দেশ। তেনেস্থলত ধৰ্মৰ নামত মৌলবাদী সন্ত্ৰাসবাদী কাৰ্যকলাপ চলোৱাটো কোনোপধ্যে গ্ৰহণযোগ্য নহয় আৰু হ'ব নোৱাৰে। এই ক্ষেত্ৰত ইছলাম ধৰ্মৰ সচেতন লোকসকলৰ লগতে চৰকাৰৰ ইতিবাচক সঁহাৰিৰ প্ৰয়োজন।


*ফোন ঃ ৮৪৮৬২৯৯২৫১*

## অনাস্থাত জয়ৰ পাছত তিনি নেতাক কাৰাগাৰলৈ প্ৰেৰণ কৰিব ইমৰানে



**নিউজ ব্যুৰ', কৰাচী, ১০ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে কয় যে সংসদত উত্থাপিত অনাস্থা ভোটত জয়লাভৰ পাছত তেওঁ পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বিৰোধী নেতা আছিফ আলী জৰ্দাৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ গোচৰৰ তদন্ত ব্যাপক কৰি তুলিব। অনাস্থা প্ৰস্তাৱক 'বিৰোধীৰ মৃত্যু' বুলি অভিহিত কৰি ইমৰানে তেওঁ বিচৰা পথৰেই বিৰোধী অগ্ৰসৰ হৈছে। অনাস্থা জয়ৰ পাছত ইমৰানৰ প্ৰথম লক্ষ্য হ'ব প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্দাৰী। বিৰোধী নেতা শ্বাহবাজ শ্বৰীফকো কাৰাগাৰলৈ প্ৰেৰণৰ হুংকাৰ দি ইমৰানে কয় যে অনাস্থা জয়ৰ পাছত তেওঁ জৰ্দাৰী, শ্বৰীফ আৰু বিৰোধী নেতা ফজলুৰক কাৰাগাৰলৈ নিক্ষেপ কৰিব।

## গাহৰিৰ হৃদপিণ্ড প্ৰতিস্থাপনৰ দুমাহ পাছত মৃত্যু মাৰ্কিন নাগৰিকৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১০ মাৰ্চ ঃ** দুমাহ পূৰ্বে আমেৰিকাৰ চিকিৎসকে মানৱ দেহত সফলতাৰে গাহৰিৰ হৃদপিণ্ড প্ৰতিস্থাপনৰে বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। কিন্তু স্থায়ী নহ'ল এই নজিৰবিহীন সাফল্য। অস্ত্ৰোপচাৰৰ দুমাহ পাছত যোৱা নিশা মৃত্যু হ'ল ডেভিড বেনেট নামৰ ৫৭ বছৰীয়া ব্যক্তিজনৰ। আমেৰিকাৰ ইউনিভাৰচিটী অৱ মেৰিলেণ্ড মেডিকেল স্কুলে প্ৰকাশ কৰা অনুসৰি বিগত কিছুদিন ধৰি বেনেটৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল আৰু যোৱা নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। প্ৰসংগত উল্লেখ্য যে যোৱা সাত জানুৱাৰীত চিকিৎসকে সফলতাৰে বেনেটৰ শৰীৰত গাহৰিৰ হৃদপিণ্ড প্ৰতিস্থাপন কৰিছিল। অস্ত্ৰোপচাৰৰ পাছৰে পৰা বেনেটক চিকিৎসকে নিৰীক্ষণত ৰাখিছিল।

## ১২-১৮ বছৰ বয়সীয়াক ক'ভ'ভেক্স প্ৰতিষেধক প্ৰদানৰ অনুমতি ডি চি জি আইৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মাৰ্চ ঃ** পুনেৰ ছিৰাম ইনষ্টিটিউটে তৈয়াৰ কৰা ক'ভ'ভেক্স প্ৰতিষেধক ভাৰতৰ ১২ৰ পৰা ১৭ বছৰ বয়সীয়া কিশোৰ-কিশোৰীক প্ৰদানৰ ক্ষেত্ৰত অনুমতি দিলে ডি চি জি আয়ে। চৰ্ত সাপেক্ষে এই প্ৰতিষেধক জৰুৰীভিত্তিত ব্যৱহাৰৰ অনুমতি দিয়া হৈছে। ১৮ বছৰ বয়সৰ তলৰ লোকসকলৰ বাবে ক'ভ'ভেক্স হৈছে ক'ভিডৰ চতুৰ্থটো প্ৰতিষেধক, যাৰ প্ৰয়োগৰ বাবে ডি চি জি আয়ে অনুমতি দিলে। অৱশ্যে ভাৰত চৰকাৰে ১৫ বছৰৰ কম বয়সৰ লোকসকলক কৰ'নাৰ প্ৰতিষেধক প্ৰদানৰ সন্দৰ্ভত এতিয়ালৈকে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা নাই।

## শিশুৰ চিকিৎসালয়ত বৰ্বৰোচিত আক্ৰমণ ঃ গৰজি উঠিল ৰাষ্ট্ৰসংঘ

**নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ১০ মাৰ্চ ঃ** ৰাছিয়াৰ আক্ৰমণৰ বৰ্বৰতাৰ পৰা ৰেহাই লাভ নকৰিলে চিকিৎসালয়ে। ৰেহাই লাভ কৰা নাই কণমানি শিশুৰেও। ইউক্ৰেইনৰ মাৰিউপ'লত ৰাছিয়াৰ বোমা আক্ৰমণত ধ্বংসস্তূপত পৰিণত হ'ল এখন চিকিৎসালয়। এই চিকিৎসালয়ত ভৰ্তি হৈ আছিল প্ৰসূতি আৰু সদ্যোজাত শিশু। তদুপৰি এই চিকিৎসালয়ত বহু শিশুও চিকিৎসাধীন হৈ আছিল। পৰিস্থিতি ইমানে জটিল যে বোমা বিস্ফোৰণৰ ঘটনাত কিমানজন লোকৰ মৃত্যু হ'ল তাৰ সঠিক তথ্য প্ৰশাসনে প্ৰকাশ কৰিব পৰা নাই। ইউক্ৰেইনত শিশুৰ চিকিৎসালয়ত ৰাছিয়াৰ এই বৰ্বৰ আক্ৰমণক কঠোৰভাৱে গৰিহণা দিলে ৰাষ্ট্ৰসংঘই। আজি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিও গুটেৰেছে টুইটাৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'ইউক্ৰেইনৰ মাৰিউপ'লৰ শিশুৰ চিকিৎসালয়ত আক্ৰমণ অতি ভয়াৱহ। সাধাৰণ মানুহৰ ওপৰত এই ধৰণৰ আক্ৰমণ বৰ্বৰোচিত। এই অৰ্থহীন হিংসা অবিলম্বে বন্ধ কৰিব লাগিব। এতিয়াই ৰক্তপাত বন্ধ কৰক।'



### দাবী ইউক্ৰেইনৰ ঃ যুদ্ধত অংশ ল'ব বিচৰা বিদেশীক অত্যাধুনিক মাৰণাস্ত্ৰ চালনাৰ লগতে আত্মসুৰক্ষাৰ প্ৰশিক্ষণ প্ৰদান

# ২০ হেজাৰ বিদেশী স্বেচ্ছাসেৱকে থিয় দিছে ৰুছ আগ্ৰাসনৰ বিৰুদ্ধে

**নিউজ ব্যুৰ' কীভ, ১০ মাৰ্চ ঃ** যোৱা ছয় মাৰ্চলৈকে ২০ হেজাৰৰো অধিক ভিন্ন দেশৰ স্বেচ্ছাসেৱকে ইউক্ৰেইনত ৰাছিয়াৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হ'ল। এই তথ্য প্ৰকাশ পাইছে 'কীভ ইণ্ডিপেণ্ডেণ্ট' নামৰ সংবাদপত্ৰখন। বাতৰি কাকতখনৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি এতিয়ালৈকে বিশ্বৰ বিভিন্ন দেশৰ পৰা ইউক্ৰেইনত উপস্থিত হোৱা ২০ হেজাৰ স্বেচ্ছাসেৱকে ইউক্ৰেইনৰ সেনাবাহিনীৰ হৈ ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধত অংশ লৈছে। ইফালে, ইউক্ৰেইন প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি, দেশখনৰ হৈ যুঁজ দিয়া এইসকল বিদেশী স্বেচ্ছাসেৱীয়ে ইচ্ছা কৰিলে ইউক্ৰেইনৰ নাগৰিকত্বৰ বাবে আবেদন জনাব পাৰিব। স্মৰ্তব্য যে যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা ইউক্ৰেইনৰ কে'বাজনো সাংসদ, প্ৰাক্তন সুন্দৰী, অসামৰিক ব্যক্তি, অভিনেতা, সংগীত শিল্পীৰ লগতে বিদেশৰ স্বেচ্ছাসেৱকেও ৰাছিয়াৰ বিৰুদ্ধে হাতত অস্ত্ৰ তুলি লৈছে। উল্লেখ্য যে এইসকল স্বেচ্ছাসেৱকৰ মাজত ২১ বছৰীয়া এজন ভাৰতীয় ছাত্ৰও আছে। তামিলনাডুৰ কয়ম্বাটুৰ জিলাৰ সৈনিকেশ ৰবিচন্দ্ৰনে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ইউক্ৰেইনেও অৰ্ধসামৰিক বাহিনীত কিছুদিন পূৰ্বে যোগদান কৰিছিল। ৰবিচন্দ্ৰনৰ দৰে বিশ্বৰ আন কে'বাখনো দেশৰ নাগৰিকে সম্প্ৰতি ইউক্ৰেইনলৈ গমন কৰি ৰুছ বিৰোধী যুঁজত অংশ লৈছে। ইউক্ৰেইন প্ৰশাসনে দাবী কৰা অনুসৰি, দেশখনৰ হৈ যুদ্ধত অংশ ল'বলৈ এইসকল বিদেশী নাগৰিকে স্বইচ্ছাই আগবাঢ়ি আহিছে। যুদ্ধত অংশ ল'ব বিচৰা বিদেশী নাগৰিকসকলক অত্যাধুনিক মাৰণাস্ত্ৰ চালনাৰ লগতে আত্মসুৰক্ষাৰ প্ৰয়োজনীয় প্ৰশিক্ষণ সেনাই প্ৰদান কৰিছে।




## ৰাজস্থান পুৰুষৰ ৰাজ্য, সেয়েহে ধৰ্ষণত শীৰ্ষত ঃ মন্ত্ৰীৰ মন্তব্যক লৈ ব্যাপক প্ৰতিক্ৰিয়া



**নিউজ ব্যুৰ', জয়পুৰ, ১০ মাৰ্চ ঃ** ধৰ্ষণৰ নিৰিখত দেশৰ ভিতৰতে শীৰ্ষত আছে ৰাজস্থান। এনে অপবাদক লৈ লজ্জা অনুভৱ কৰাৰ পৰিৱৰ্তে বিধানসভাত থিয় হৈ গৌৰৱ কৰিলে ৰাজস্থানৰ মন্ত্ৰী শান্তি ধাৰিৱালে। মন্ত্ৰীগৰাকীয়ে কালি বিধানসভাত ধৰ্ষণ সন্দৰ্ভত এক আলোচনাত মন্তব্য কৰি কয়, 'ধৰ্ষণত ৰাজস্থান এক নম্বৰ ৰাজ্য। ইয়াক লৈ কোনো সন্দেহ নাই। কিন্তু কিয় ধৰ্ষণত ৰাজস্থান শীৰ্ষত। ইয়াৰ কাৰণ হৈছে ৰাজস্থান পুৰুষৰ ৰাজ্য।' মন্ত্ৰী ধাৰিৱালৰ এই মন্তব্যই ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিজেপিয়ে অভিযোগ কৰা অনুসৰি, এনে মন্তব্যৰে ধাৰিৱালে কেৱল মহিলাকে নহয়, বিধানসভাকো অপমান কৰিলে। ইফালে, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা ৰেখা শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'ৰাজস্থান চৰকাৰত এনে মন্ত্ৰী থকা হেতুকে সেইখন ৰাজ্যত মহিলাৰ বিৰুদ্ধে নানা অপৰাধ সংঘটিত হৈছে। আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।'

## অভিনেতা ছনুৰ ভগ্নীৰ মালবিকাও ম'গাত হ'ল পৰাজিত

**নিউজ ব্যুৰ', ম'গা, ১০ মাৰ্চ ঃ** পঞ্জাৱৰ বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত ম'গা সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা মালবিকা সুদে জয়লাভ কৰিব নোৱাৰিলে। উল্লেখ্য যে মালবিকা হৈছে বলিউডৰ বহুচৰ্চিত অভিনেতা ছনু সুদৰ ভগ্নী। কিন্তু কিয় পৰাজিত হ'ল মালবিকা? উত্থাপিত অভিযোগ অনুসৰি, ভগ্নীৰ হৈ নিৰ্বাচনৰ প্ৰচাৰত তেনে বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰা নাছিল ছনুৱে। ফলত ভ্ৰাতৃৰ প্ৰভাৱৰে নিৰ্বাচনত ভোটদাতাৰ সমৰ্থন লাভৰ ক্ষেত্ৰত মালবিকা সফল হ'ব নোৱাৰিলে। তদুপৰি কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত থিয় দিয়াৰ ফলতো মালবিকাক সমষ্টিবাসীয়ে প্ৰত্যাখ্যান কৰা বুলি ধাৰণা কৰা হৈছে। কিয়নো এইবাৰৰ নিৰ্বাচনত পঞ্জাৱবাসীয়ে কংগ্ৰেছক সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান কৰি আম আদমী পাৰ্টি (আপ)ৰ সমৰ্থনত থিয় দিলে। ম'গা সমষ্টিত মালবিকাই তৃতীয় স্থান লাভ কৰাৰ বিপৰীতে আপৰ প্ৰাৰ্থী ডাঃ অমনদীপ কৌৰ অৰোৰাই প্ৰথম আৰু শিৰোমণি আকালি দলৰ প্ৰাৰ্থী বৰজিন্দৰ সিং মাখন বৰাৰে দ্বিতীয় স্থান লাভ কৰে।





## পুলৱামাত সেনাৰ অভিযানত নিহত এজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১০ মাৰ্চ ঃ** জম্মু-কাশ্মীৰৰ পুলৱামাৰ নেনা বটপুড়াত নিৰাপত্তা বাহিনীয়ে আজি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে এক বৃহৎ অভিযান চলায়। এই সামৰিক অভিযানত নিৰাপত্তা বাহিনীৰ গুলিত ধৰাশায়ী হ'ল এজন সন্ত্ৰাসবাদী। অঞ্চলটোত সন্ত্ৰাসবাদীয়ে ঘাটি পতাৰ বাতৰি লাভ কৰাৰ পাছতে আজি পুৱাৰে পৰা সেনা আৰু আৰক্ষীয়ে সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাইছিল। হঠাতে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয়পক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিৰ পাছত অঞ্চলটোৰ পৰা এজন সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

## প্ৰিয়ংকাৰ যাদু নচলিল, নেতৃত্বক লৈ কংগ্ৰেছত পুনৰ প্ৰশ্ন উত্থাপিত

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ মাৰ্চ ঃ** পাঁচ ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনৰ ফলাফলত আকৌ এবাৰ মুখ থেকেচা খালে কংগ্ৰেছে। পঞ্জাৱত কংগ্ৰেছৰ চৰকাৰ পতন ঘটাৰ লগতে উত্তৰ প্ৰদেশতো দলটোৱে বেয়াকৈ পৰাজিত হ'ল। পাঁচ ৰাজ্যৰ নিৰ্বাচনত এইদৰে কংগ্ৰেছে চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰাৰ পাছত আকৌ এবাৰ কংগ্ৰেছত নেতৃত্বক লৈ প্ৰশ্ন উত্থাপিত হ'ল। উল্লেখ্য যে পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত এইবাৰ বিশেষ সক্ৰিয় ভূমিকাত অৱতীৰ্ণ হৈছিল কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই। উত্তৰ প্ৰদেশৰ নিৰ্বাচনত প্ৰিয়ংকা আছিল কংগ্ৰেছৰ প্ৰভাৰী।



ৰাজ্যখনৰ সদ্যসমাপ্ত নিৰ্বাচনত প্ৰিয়ংকাই প্ৰচাৰত নিৰন্তৰে অংশ লৈছিল। পঞ্জাৱতো প্ৰিয়ংকাই দলৰ হৈ ব্যাপক প্ৰচাৰ চলাইছিল। একেদৰে গোৱা, উত্তৰাখণ্ড আৰু মণিপুৰতো কংগ্ৰেছ নেত্ৰীগৰাকীয়ে দলৰ হৈ প্ৰচাৰত অংশ লৈছিল। কিন্তু ৰাহুল গান্ধীৰ দৰে প্ৰিয়ংকায়ো কংগ্ৰেছক পুনৰ জাগ্ৰত কৰি তুলিবলৈ সফল নহ'ল। বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ শেহতীয়া ব্যৰ্থতাৰ পাছত সেয়েহে নেত্ৰী হিচাপে প্ৰিয়ংকাৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপিত হৈছে। কংগ্ৰেছৰ একাংশই আশা কৰিছিল যে ৰাহুলৰ পৰিৱৰ্তে পাঁচ ৰাজ্যৰ সদ্যসমাপ্ত নিৰ্বাচনত নেতৃত্বৰ দায়িত্ব প্ৰিয়ংকাই বহন কৰাৰ ফলত কংগ্ৰেছৰ ফলাফল উন্নত হ'ব। কিন্তু বাস্তৱত সেয়া নহ'ল। বৰঞ্চ ৰাহুলৰ নেতৃত্বতকৈও প্ৰিয়ংকাৰ নেতৃত্বত পাঁচ ৰাজ্যত বেয়াকৈ মুখ থেকেচা খাব লগা হ'ল কংগ্ৰেছে। পাঁচ ৰাজ্যৰ এই নিৰ্বাচনী ব্যৰ্থতাৰ পাছত কংগ্ৰেছত নেতৃত্ব পৰিৱৰ্তনৰ প্ৰসংগটোৱে লোকসভাৰ আগন্তুক নিৰ্বাচনৰ পূৰ্বে পুনৰ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে।



## নীট পৰীক্ষাৰ্থীৰ বয়সৰ ঊৰ্ধ্বসীমা প্ৰত্যাহাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ মাৰ্চ ঃ** চিকিৎসক হ'বলৈ বিচৰা শিক্ষাৰ্থীসকলৰ বাবে সুখবৰ। চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা 'নীট'ত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত বয়সৰ ঊৰ্ধ্বসীমা শিথিল কৰিলে নেচনেল মেডিকেল কাউন্সিলে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডব্যই এই কথা টুইটযোগে প্ৰকাশ কৰি জনোৱা অনুসৰি কেৱল বয়সৰ ঊৰ্ধ্বসীমা বৃদ্ধি কৰাই নহয়, এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতাও কিছু সলনি কৰা হৈছে। পূৰ্বে নেচনেল মেডিকেল কাউন্সিলে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষাৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ বয়সৰ ঊৰ্ধ্বসীমা ২৫ বছৰ নিৰ্ধাৰণ কৰিছিল। এই বিষয়ত সম্প্ৰতি উচ্চতম ন্যায়ালয়ত এক গোচৰ অব্যাহত আছে। বয়সৰ ঊৰ্ধ্বসীমা প্ৰত্যাহাৰৰ ফলত এতিয়াৰে পৰাা শিক্ষাৰ্থীয়ে মেডিকেলৰ প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত বয়সজনিত কাৰণত কোনো বাধাৰ সন্মুখীন হ'ব নালাগিব।

## হিন্দুৰে নহয়, মুছলমানৰো ভোট লাভ বিজেপিৰ ঃ দাবী উত্তৰ প্ৰদেশৰ মন্ত্ৰীৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১০ মাৰ্চ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে পুনৰ চৰকাৰ গঠন কৰাটো নিশ্চিত হোৱাৰ পাছত ৰাজ্যখনৰ বিদায়ী চৰকাৰৰ মন্ত্ৰী সতীশ মাহানাই দাবী কৰি কয় যে এইবাৰৰ নিৰ্বাচনত কেৱল হিন্দুৰ ভোটত বিজেপিয়ে জয়লাভ কৰা নাই। ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকে বিজেপিক ভোট দিয়া বুলি দাবী কৰি মাহানাই কয় যে হিন্দুৰে নহয়, মুছলমানৰো ভোট বিজেপিয়ে লাভ কৰিলে। ইয়াৰ নৈপথ্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ কৃতিত্ব আছে বুলি মন্ত্ৰীজনে মন্তব্য কৰে। অৱশ্যে মাহানাই এইদৰে দাবী কৰিলেও উত্তৰ প্ৰদেশৰ ফলাফল ব্যাখ্যা কৰিলে স্পষ্ট হয় যে ৰাজ্যখনত সংখ্যালঘুৱে এইবাৰো বিজেপিক ভোট দিয়া নাই। বৰঞ্চ সংখ্যালঘুৰ ৯৫ শতাংশ ভোট লাভ কৰিলে সমাজবাদী পাৰ্টিয়ে।



## সন্ত্ৰাসবাদৰ যোগ্য উত্তৰ দিছে ভাৰতে, মোদীৰ পাকিস্তান নীতিক প্ৰশংসা আমেৰিকাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মাৰ্চ ঃ** পাকিস্তানৰ সন্ত্ৰাসবাদমূলক প্ৰৰোচনাৰ যোগ্য প্ৰত্যুত্তৰ দিছে ভাৰতৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে। এই ভাষাৰে প্ৰধানমন্ত্ৰী মোদীৰ পাকিস্তান নীতিক প্ৰশংসা কৰিলে আমেৰিকাৰ চোৰাংচোৱা বিভাগে। সম্প্ৰতি মাৰ্কিন কংগ্ৰেছক দাখিল কৰা এখন প্ৰতিবেদনত চোৰাংচোৱাই উল্লেখ কৰা অনুসৰি ভাৰতৰ বৰ্তমানৰ চৰকাৰে যি তৎপৰতাৰে পাকিস্তানৰ প্ৰৰোচনাৰ প্ৰত্যুত্তৰ দিছে, পূৰ্বে এনে সক্ৰিয়তা প্ৰত্যক্ষ হোৱা নাছিল। আমেৰিকাৰ নেচনেল ইণ্টেলিজেন্সৰ প্ৰতিবেদনত ভাৰত-পাকিস্তানৰ সম্পৰ্ক সন্দৰ্ভত উদ্বেগো প্ৰকাশ কৰা হৈছে। তদুপৰি ইছলামাবাদে সন্ত্ৰাসবাদক উচটনি দিয়াৰ বিষয়টোকো মাৰ্কিন চোৰাংচোৱাই এই প্ৰতিবেদনত মান্যতা প্ৰদান কৰিলে। প্ৰতিবেদনত প্ৰত্যক্ষভাৱে মাৰ্কিন চোৰাংচোৱাই এইদৰে উল্লেখ কৰিছে, 'দীৰ্ঘদিন ধৰি একাধিক সন্ত্ৰাসবাদী গোষ্ঠীক পাকিস্তানে সমৰ্থন দি আহিছে আৰু এইসমূহ সন্ত্ৰাসবাদীয়ে ভাৰত বিৰোধী কাৰ্যকলাপত লিপ্ত হৈছে। বিগত চৰকাৰসমূহৰ তুলনাত ভাৰতৰ বৰ্তমানৰ চৰকাৰে পাকিস্তানৰ প্ৰৰোচনাৰ বিৰুদ্ধে অধিক সক্ৰিয়তা প্ৰদৰ্শন কৰিছে।'



## একেৰাহে তিনিদিন দেশৰ দৈনিক সংক্ৰমণ তিনি হেজাৰৰ তলত, মৃত্যু ১৪৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ মাৰ্চ ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ৪,৫৭৫ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। দেশত একেৰাহে তিনিদিন ধৰি ক'ভিডৰ দৈনিক সংক্ৰমণ পাঁচ হেজাৰৰ তলত আছে। বৰ্তমানে ভাৰতত ৪৬,৯৬২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ১৪৫ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। অৱশ্যে এইসকল ৰোগীৰ ১০০ জনৰ মৃত্যু পূৰ্বে হৈছিল যদিও এতিয়াহে মৃত্যুক নথিভুক্ত কৰা হ'ল। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ১৫ হেজাৰ ৩৫৫ জন লোকৰ কৰ'নাত মৃত্যু হ'ল।

## দেশক এইবাৰ পথ প্ৰদৰ্শন কৰিব কেজৰিৱালে ঃ পঞ্জাৱ দখলত ঘোষণা ৰাঘৱৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ১০ মাৰ্চ ঃ** বিপুল সংখ্যাগৰিষ্ঠতাৰে পঞ্জাৱত প্ৰথমবাৰলৈ আম আদমী পাৰ্টি (আপ)-এ ক্ষমতা দখল কৰাৰ পাছত দলৰ নেতা ৰাঘৱ চাড্ডাই সংবাদ মাধ্যমৰ আগত দাবী কৰি কয় যে আপ ইতিমধ্যে ৰাষ্ট্ৰীয় দলত পৰিণত হ'ল। দিল্লীৰ পাছত পঞ্জাৱো দখল কৰি আপে দেশবাসীক চমক দিলে। কংগ্ৰেছক উৎখাত কৰি অচিৰে আপ দেশৰ মূল বিৰোধী দলত পৰিণত হ'ব বুলি দাবী কৰি ৰাঘৱে আজি কয়, 'আপৰ বাবে সঁচাকৈয়ে স্মৰণীয় দিন। কিয়নো আমি ৰাষ্ট্ৰীয় দলত পৰিণত হ'লো। আপ এতিয়া আঞ্চলিক দল নহয়। সৰ্বশক্তিমানে আমাক আৰু অৰবিন্দ কেজৰিৱালক আশীৰ্বাদ কৰক। তেওঁ হয়তো এদিন দেশক নেতৃত্ব দিব।'

## আপৰ বিধায়কে সমৰ্থকসহ উপস্থিত হ'ল বিশ্বাসৰ বাসগৃহত, মিঠাই খাবলৈ নোলাল বাহিৰলৈ



**নিউজ ব্যুৰ', গাজিয়াবাদ, ১০ মাৰ্চ ঃ** পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত আম আদমী পাৰ্টি (আপ)ৰ অভূতপূৰ্ব জয়ৰ পাছত দিল্লীৰ আপৰ বিধায়ক নৰেশ বালয়ানে আপৰ প্ৰাক্তন সদস্য তথা কবি কুমাৰ বিশ্বাসৰ বাসগৃহত উপস্থিত হ'ল। বিধায়কজনে আপৰ একাংশ সমৰ্থকসহ হাতত মিঠাইৰ টোপোলা লৈ বিশ্বাসৰ ঘৰত হাজিৰ হৈছিল। কিন্তু বালয়ানে নিয়া মিঠাই খাবলৈ ঘৰৰ বাহিৰলৈ নোলাল বিশ্বাস। স্মৰ্তব্য যে বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিশ্বাসে আপৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত কৰিছিল। কেজৰিৱালক খালিস্তান সমৰ্থক আখ্যা দিয়াৰ লগতে আপৰ মুৰব্বীজনে স্বাধীন খালিস্তানৰ প্ৰথম প্ৰধানমন্ত্ৰী হোৱাৰ স্বপ্ন দেখা বুলিও বিশ্বাসে ৰাজহুৱাভাৱে অভিযোগ কৰিছিল।

## পৰাজিত সিদ্ধু ঃ 'কপিল শৰ্মা শ্ব'ত আসনচ্যুত হোৱাৰ শংকাত অৰ্চনা



**নিউজ ব্যুৰ', মুম্বাই, ১০ মাৰ্চ ঃ** পঞ্জাৱ কংগ্ৰেছৰ সভাপতি নৱজ্যোৎ সিং সিদ্ধু ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনত পৰাজিত হ'ল। সমষ্টিটোত জয়লাভ কৰিলে আম আদমী পাৰ্টি (আপ)ৰ প্ৰাৰ্থী জীৱন জ্যোৎ কৌৰে। সিদ্ধুৰ এই পৰাজয়ৰ লগে লগে সামাজিক মাধ্যমত আজি চৰ্চিত হৈ উঠে টেলিভিছনৰ জনপ্ৰিয় ব্যংগ অনুষ্ঠান 'দ্য কপিল শৰ্মা শ্ব'ৰ প্ৰসংগ। সক্ৰিয় ৰাজনীতিত প্ৰৱেশৰ পূৰ্বে 'দ্য কপিল শৰ্মা শ্ব'ৰ বিচাৰকৰ আসনত উপবিষ্ট হৈছিল সিদ্ধু। কিন্তু ৰাজনীতিত সক্ৰিয়ভাৱে জড়িত হোৱাৰ পাছত সিদ্ধুৱে বিচাৰকৰ আসন ত্যাগ কৰাত এই আসনখন দখল কৰিছিল আন এগৰাকী জনপ্ৰিয় ব্যংগ শিল্পী অৰ্চনা পূৰণ সিঙে। কিন্তু নিৰ্বাচনত পৰাজয়ৰ পাছত এতিয়া কৰ্মহীন হোৱা সিদ্ধু পুনৰ 'দ্য কপিল শৰ্মা শ্ব'লৈ উভতি যাব বুলি সামাজিক মাধ্যমত আজি যথেষ্ট চৰ্চিত হয়। একাংশ লোকে সামাজিক মাধ্যমত অৰ্চনাক উদ্দেশ্যি কয় যে পঞ্জাৱৰ নিৰ্বাচনত সিদ্ধুৰ পৰাজয়ত তেওঁৰ বিপদ বাঢ়িল, কিয়নো এতিয়া পুনৰ বিচাৰকৰ আসন দখল কৰিব সিদ্ধুৱে। এনে চৰ্চাত অংশ লৈ অৰ্চনায়ো প্ৰত্যুত্তৰ দি কয় যে বিচাৰকৰ আসনৰ পৰা বিতাড়িত হ'লেও তেওঁৰ কোনো সমস্যা নহ'ব, কিয়নো তেওঁৰ হাতত এতিয়া আন বহু কাম আছে। উল্লেখ্য যে ২০১৯ত 'দ্য কপিল শৰ্মা শ্ব'ত অৰ্চনাই সিদ্ধুৰ স্থানত বিচাৰকৰ আসনত উপবিষ্ট হৈছিল।

## বিজেপিৰ বিপুল জয়ত শিৱসেনাৰ মন্তব্য ঃ এয়া 'নিৰ্বাচন ব্যৱস্থাপনা'ৰ জয়

**নিউজ ব্যুৰ', মুম্বাই, ১০ মাৰ্চ ঃ** উত্তৰ প্ৰদেশসহ পাঁচ ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত চাৰি ৰাজ্যত বিজেপিয়ে পুনৰ চমক প্ৰদৰ্শন কৰিলে। চাৰি ৰাজ্যত বিজেপিৰ ভাল ফলাফলৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে শিৱসেনাৰ নেতা সঞ্জয় ৰাউটে। শিৱসেনাৰ নেতাজনে বিজেপিৰ এই জয়ক প্ৰকৃততে 'নিৰ্বাচন ব্যৱস্থাপনা'ৰ জয় বুলি অভিহিত কৰে। 'এইসমূহ ৰাজ্যৰ নিৰ্বাচনত কংগ্ৰেছ দলে বেয়াকৈ পৰাজয়ৰ সন্মুখীন হ'ল। আমি অপেক্ষা কৰা ধৰণে ফলাফল লাভ নকৰিলো। পঞ্জাৱবাসীয়ে এটা নতুন বিকল্প লাভ কৰিলে আৰু আপক নিৰ্বাচন কৰিলে। বিজেপিৰ জয় হৈছে দৰাচলতে তেওঁলোকৰ 'নিৰ্বাচন ব্যৱস্থাপনা'ৰ জয়।' আজি শিৱসেনাৰ নেতাজনে এইদৰে মত প্ৰকাশ কৰে।



■ বিজেপি আঠ , অগপ এক, নিৰ্দলীয় এখনতে সীমাৱদ্ধ

# বিজেপি মিত্ৰজোঁটৰ দখলত গহপুৰ পৌৰসভা

**অগ্ৰদূত বাৰ্তা,**
**গহপুৰ, ১০ মাৰ্চ ঃ** একেৰাহে দ্বিতীয়বাৰৰ বাবে বিজেপি মিত্ৰজোঁটে গহপুৰ পৌৰসভা দখল কৰিবলৈ সক্ষম হৈছে। কালি ভোট গণনাৰ অন্তত ঘোষণা কৰা নিৰ্বাচনৰ ফলাফল অনুসৰি ১০ টা ৱাৰ্ডেৰে গঠিত গহপুৰ পৌৰসভাৰ নিৰ্বাচন অনুষ্ঠিত সাতটা ৱাৰ্ডৰ ভিতৰত পাঁচটা ৱাৰ্ডত বিজেপি আৰু এটা ৱাৰ্ডত অগপৰ প্ৰাৰ্থী বিজয়ী হোৱাৰ বিপৰীতে এটা ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। বিজেপিৰ বিজয়ী প্ৰাৰ্থীসকল হ'ল- এক নম্বৰ ৱাৰ্ডত পূৰ্ণিমা ফুকন, দুই নম্বৰ ৱাৰ্ডত জিতুমণি বৰা, পাঁচ নম্বৰ ৱাৰ্ডত মুকুট ভূঞা, ছয় নম্বৰ ৱাৰ্ডত পুটুমাই হাজৰিকা মুদৈ আৰু আঠ নম্বৰ ৱাৰ্ডত জোনালী দলে। অনহাতে চাৰি, ন আৰু ১০ নম্বৰ ৱাৰ্ডত বিজেপি প্ৰাৰ্থী ক্ৰমে অতুল বৰা, দীপালী কোষ্টা দাস, মন্দাকিনী দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ইপিনে তিনি নম্বৰ ৱাৰ্ডত অগপ প্ৰাৰ্থী বৰ্ণালী মহন্ত বিজয়ী হোৱাৰ বিপৰীতে সাত নম্বৰ ৱাৰ্ডত নিৰ্দলীয়া প্ৰাৰ্থী মাইনু বৰা বিজয়ী হয়। কংগ্ৰেছে চাৰিটা ৱাৰ্ডত প্ৰাৰ্থী থিয় কৰাইছিল যদিও আটাইকেইটা ৱাৰ্ডতে পৰাস্ত হয়।

# আৰব মহাসাগৰৰ সাঁতোৰ অভিযান সফল কৰিলে এলভিছে

**কঠিন প্ৰত্যাহ্বান নেওচি সম্পূৰ্ণ কৰিলে দুশ কিলোমিটাৰ সাঁতোৰ যাত্ৰা**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ মাৰ্চ ঃ** কঠিন প্ৰত্যাহ্বান নেওচি আৰব মহাসাগৰত ৫৩ ঘণ্টা সাঁতুৰি দুশ কিলোমিটাৰ জলপথ যাত্ৰা সম্পন্ন কৰিলে অসমৰ সাঁতোৰবিদ এলভিছ আলী হাজৰিকাই। আঠ মাৰ্চৰ পুৱা মুম্বাইৰ গেটৱে অৱ ইণ্ডিয়াৰ পৰা যাত্ৰা আৰম্ভ কৰা এই অভিযানৰ আজি সামৰণি পৰে। অভিযান সফলতাৰে সম্পন্ন কৰি এলভিছে কয়, 'এই যাত্ৰাত অংশ ল'বলৈ কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল। একাগ্ৰতা আৰু নিষ্ঠাৰে মোৰ সহযোগীসকলৰ স'তে এই অভিযান সম্পূৰ্ণ কৰো। ইয়াৰ লগে লগে মই ইণ্ডো আৰৱীয়ান মুম্বাই গেটৱে চাৰ্কোল সম্পূৰ্ণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমতো সাঁতোৰবিদৰূপে পৰিগণিত হওঁ। এই যাত্ৰা অতি প্ৰত্যাহ্বানপূৰ্ণ আছিল। কিয়নো আমি ডাঙৰ ডাঙৰ সাগৰীয় মাছ, জেলী ফিছ, ডলফিনৰ স'তে সাঁতুৰিব লগা হৈছিল। কিছু কিছু ঠাইত আমি পানীৰ সোঁতৰ বিপৰীতে সাঁতুৰিব লগা হৈছিল। সাগৰীয় উপকূলীয় অঞ্চলৰ বিশেষ বিশেষ প্ৰত্যাহ্বানৰো সন্মুখীন হৈছিলো। তাৰ পাছতো আমাৰ দলে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। আমাৰ এই অভিযান সফল কৰাত মহাৰাষ্ট্ৰ চৰকাৰ আৰু মহাৰাষ্ট্ৰ ছুইমিং এছ'চিয়েছনৰ যথেষ্ট সহযোগিতা আছিল।' উল্লেখ্য যে উক্ত সাঁতোৰ অভিযানত অংশ লোৱাৰ বাবে এলভিছ আলী হাজৰিকাই ছয় মাৰ্চত গুৱাহাটীৰ পৰা মুম্বাইলৈ বুলি ৰাওনা হৈছিল। আঠ মাৰ্চত পুৱা মুম্বাইৰ গেটৱে অৱ ইণ্ডিয়াৰ পৰা এই যাত্ৰা আৰম্ভ হয়।

## মঙলদৈত ক'ভিডত স্বামীহাৰা মহিলাক চিলাই মেচিন প্ৰদান

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ১০ মাৰ্চ ঃ** 'পিপলছ প্ৰগেছিভ ফাউণ্ডেছন' নামৰ গুৱাহাটীৰ এটি স্বেচ্ছাসেৱী সংস্থাৰ সৌজন্যত দৰং জিলাৰ মঙলদৈ নগৰৰ নিকটৱৰ্তী গেৰিমাৰীত যোৱা পাঁচ মাৰ্চত এগৰাকী অসহায় তথা ক'ভিডত স্বামীহাৰা মহিলাক চিলাই মেচিন প্ৰদান কৰা হয়। এই উপলক্ষে গেৰিমাৰীৰ বাসিন্দা স্থানীয় শিক্ষক তথা সমাজসেৱী গফুৰ আলীৰ বাসগৃহত এটি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পিপলছ প্ৰগেছিভ ফাউণ্ডেছনৰ সদস্য গফুৰ আলীয়ে স্বেচ্ছাসেৱী সংস্থা পিপলছ প্ৰগেছিভ ফাউণ্ডেছনৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বৰ্ণনা কৰে। স্বেচ্ছাসেৱী সংস্থাটোৱে বিগত সময়ছোৱাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কেনেদৰে অসহায় লোকক বিভিন্ন ধৰণে সহায় কৰি আহিছে তাৰ এক চমু বিৱৰণি দাঙি ধৰে। বিগত ক'ভিড কালত অৰ্থাৎ সাত মাহ পূৰ্বে ক'ভিডত মৃত্যু হৈছিল গেৰিমাৰীৰ আমিনা বেগমৰ স্বামী চাহাৰ আলী। স্বামীৰ অকাল মৃত্যুৰ পাছত দিশহাৰা হৈ পৰা চাহাৰৰ পত্নী আমিনাই অৱশেষত এটি ১০ বছৰীয়া পুত্ৰ আৰু এটি ১২ বছৰীয়া কন্যা সন্তানসহ পিতৃ মমতাজ আলীৰ গেৰিমাৰীৰ গৃহত আশ্ৰয় লৈ থাকে।

ইপিনে, পিতৃৰ আৰ্থিক অৱস্থাও শোচনীয় হোৱাত কন্যাক লৈ সমস্যাত পৰে পিতৃ মমতাজ। এনে পৰিস্থিতিৰ মাজতে আমিনাক কিছু সকাহ দিয়াৰ উদ্দেশ্যে সহায়ৰ হাত আগবঢ়ায়। আমিনা বেগমৰ চুবুৰীয়া তথা শিক্ষক- সমাজসেৱী গফুৰ আলীয়ে। গফুৰ আলীয়ে গুৱাহাটীৰ পিপলছ প্ৰগেছিভ ফাউণ্ডেছনৰ বিষয়ববীয়াসকলৰ স'তে বিষয়টো আলোচনা কৰি অৱশেষত স্বাৱলম্বী হ'বলৈ আমিনাক এটি চিলাই মেচিন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰদান কৰে।



নাম ভৰ্তি প্ৰ-পত্ৰ সংগ্ৰহৰ বাবে ডিমৌ চৰকাৰী স্কুলত শাৰী অভিভাৱকৰ, বৃহস্পতিবাৰ।

## অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বৰভাগ আঞ্চলিক সমিতিৰ কৃতী ছাত্ৰক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ১০ মাৰ্চ ঃ** বৰভাগ অঞ্চলৰ মৌৰা গাঁও নিবাসী তথা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কাৰ্তিক কুমাৰ কলিতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম (সোণৰ পদক লাভ) হৈ বৰভাগ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। কালি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিয়ে তেওঁৰ বাসগৃহত গৈ ফুলাম গামোচা আৰু কিতাপৰে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে নলবাৰী জিলা সমিতিৰ সাংগঠনিক সম্পাদক তাজিম উদ্দিন আহমেদ, বৰভাগ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ময়ূৰ ৰহমান, যুটীয়া সম্পাদক চাজিদ আহমেদ, সমাজসেৱা সম্পাদক তথা বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি প্ৰাঞ্জল কলিতা উপস্থিত থাকে।

## হাজোত শিক্ষকৰ ঘৰত চুৰি কাণ্ড নগদ ধনসহ লুটি নিলে প্ৰায় ১২ লক্ষাধিক মূল্যৰ সোণৰ আ-অলংকাৰ

**অগ্ৰদূত বাৰ্তা,**
**হাজো, ১০ মাৰ্চ ঃ** ক্ৰমশঃ চোৰ-ডকাইতৰ ৰম্যভুমিলৈ পৰ্যবসিত হাজোত নিশা সংঘটিত হৈছে এক চুৰিকাণ্ড। হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰুৱাবাৰীৰ এজন শিক্ষকৰ বাসগৃহত চোৰে চলাইছিল চাফাই অভিযান। বাসগৃহৰ দৰ্জা ভাঙি গৃহস্থক শোৱাপাটীত স্প্ৰেৰ জৰিয়তে অচেতন কৰি লুটি নিলে নগদ ধন ১২ লক্ষাধিক মূল্য টকাৰ সোণৰ আ-অলংকাৰ। এই চুৰিকাণ্ড সংঘটিত হৈছে বৰুৱাবাৰীৰ শিক্ষক দিলীপ কলিতাৰ বাসগৃহত। অইন দিনাৰ দৰে পৰহি নিশাও শিক্ষক দিলীপ কলিতাই পৰিয়ালৰ স'তে নিশাৰ আহাৰ গ্ৰহণ কৰি শুই পৰে। জানিব পৰা মতে, কিছুদিন পূৰ্বে শিক্ষক কলিতাৰ কন্যাৰ শান্তি বিবাহ সম্পন্ন হয়। এই শান্তি বিবাহ উপলক্ষে ঘৰত বহু সোণৰ আ-অলংকাৰৰ লগতে নগদ ধন জমা আছিল। তেনে সময়তে নিশা চোৰে পাছফালৰ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰি ঘৰৰ আটায়ে শুই থকা সময়ত আলমিৰা স্প্ৰে কৰি আটাইকে অচেতন কৰে। ইয়াৰ সুযোগ গ্ৰহণ কৰি চোৰে গডৰেজৰ তলা খুলি ভিতৰত থকা সোণৰ আঙঠি ১৫টা, সোণৰ পাচা আঠযোৰ, সোণৰ ছেট দুটা, ছেইন দুডাল, তিনিটা ম'বাইল ফোনৰ লগতে নগদ ৩৮ হেজাৰ টকা লুট কৰি লৈ যায়। কালি পুৱা ঘটনা সন্দৰ্ভত দিলীপ কলিতাই হাজো থানাত লিখিত এজাহাৰ দাখিল কৰে।

## চতিয়া পৌৰসভাৰ আটাইকেইটা ৱাৰ্ডেই বিজেপিৰ দখলত

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ১০ মাৰ্চ ঃ** কালি পৌৰসভা নিৰ্বাচনৰ ভোট গণনাত চতিয়া পৌৰসভাৰ তিনিটা ৱাৰ্ডতে বিজেপিয়ে বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হয়। চতিয়া পৌৰসভাৰ ১০টা ৱাৰ্ডৰ সাতটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপিয়ে আসন দখল কৰে। বাকী তিনিটাত যোৱা ছয় মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হয়। ঘোষিত ফলাফলত এক নম্বৰ, চাৰি নম্বৰ আৰু পাঁচ নম্বৰ ৱাৰ্ডত শাসকীয় দল বিজেপি প্ৰাৰ্থীয়ে আসন দখল কৰিবলৈ সক্ষম হয়। এক নম্বৰ ৱাৰ্ডত বিজেপিৰ দিলীপ ভূঞাই ৫০৮ টা ভোট লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী ড° দিলীপ ভূঞাই ৪১৮ টা ভোট লাভ কৰে। চাৰি নম্বৰ ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী জয়া চাংমাই ৬৬৫ টাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী নাৰায়ণ বৰুৱাই মাত্ৰ ৯৪ টা ভোট লাভ কৰে। পাঁচ নম্বৰ ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী পল্লৱী ফুকনে ৬১০ টাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী ডলী বৰুৱাই ৯৪ টা লাভ কৰে।

## শিক্ষয়িত্ৰী সন্ধ্যাৰাণী সোমৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা,**
**জাঁজী, ১০ মাৰ্চ ঃ** টীয়ক নামচেছুৰ জনতা হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী সন্ধ্যা ৰাণী সোম (৭০) কালি পুৱতি নিশা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ আগলৈকে সামাজিক কামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা শিক্ষয়িত্ৰীগৰাকী মানৱ গঢ় দিয়া এটা অনুষ্ঠান হিচাপে চিহ্নিত হৈছিল। প্ৰায় তিনিটা প্ৰজন্মক ব্যক্তিগতভাৱে ইংৰাজী শিক্ষাদান দিয়া শিক্ষয়িত্ৰীগৰাকী একমাত্ৰ সামাজিক কাম কৰিবৰ বাবে চিৰকুমাৰী হৈ ৰয়। তেওঁৰ শিক্ষাদানেৰে শিক্ষিত হৈ ৰাজ্যৰ বিভিন্ন ঠাইত কৰ্মৰত ব্যক্তিসকলে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তদুপৰি কালি পুৱা তেওঁৰ গৃহত উপস্থিত হৈ টীয়ক প্ৰেছ ক্লাব, শাখা সাহিত্য সভা, জগদুৱাৰ যুৱ সংঘ, নাট্য সন্মিলন, আটছা, আছু, যুৱ-ছাত্ৰ পৰিষদ, চাহ মজদুৰ সংঘ, জ্যেষ্ঠ নাগৰিক সন্থা, কেন্দ্ৰীয় সাংস্কৃতিক সংঘ, ৰেণু বৰা মেম'ৰিয়েল জুনিয়ৰ কলেজ, চিকেবি কলেজকে আদি কৰি প্ৰায় অৰ্ধ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ নশ্বৰদেহত অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## তপেশ্বৰ ডেকাৰ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ১০ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত মাৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট সমাজকৰ্মী প্ৰয়াত তপেশ্বৰ ডেকাৰ দ্বিতীয় বাৰ্ষিক স্মৃতিচাৰণ অনুষ্ঠান যোৱা আঠ মাৰ্চত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিজুলীবাৰীৰ প্ৰয়াত ডেকাৰ বাসগৃহত পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা স্মৃতিচাৰণ অনুষ্ঠান গীতা পাঠেৰে আৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক সত্যৰাম ডেকাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ ভগ্নী মাকন চহৰীয়াই আৰু মাল্যাৰ্পণ কৰে মাৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ ধনভঁৰালী ৰমাকান্ত চহৰীয়াই। ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক এম হাফিজ আলী আৰু শাখা সভাখনৰ সম্পাদক বিজু ফুকন বৰুৱাই আঁত ধৰা স্মৃতিচাৰণ অনুষ্ঠানত স্মৃতিচাৰণ কৰে ক্ৰমে সাহিত্যিক পেঞ্চনাৰ পৃথুৰাম বৰুৱা, শিল্পী পেঞ্চনাৰ উমাকান্ত শৰ্মা, অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক ক্ষীতিকান্ত নাথ, মাৰৈ-বিজুলীবাৰী সাহিত্য সভাৰ সভাপতি চাহজামাল হক, ৰমাকান্ত চহৰীয়া, অৱসৰীপ্ৰাপ্ত শিক্ষক হৰি বড়া, সত্যৰাম ডেকা, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰাম চন্দ্ৰ ডেকা, কোচ ৰাজবংশী সন্মিলনীৰ জিলা কৰ্মী পদুম ডেকা, শিক্ষয়িত্ৰী চন্দ্ৰমা ভূঞা, শিক্ষক ফিৰোজ আলী, অলকা ডেকা, প্ৰয়াত ডেকাৰ কন্যা দ্বিপশিখা ডেকা আদিয়ে। অনুষ্ঠানত প্ৰয়াত তপেশ্বৰ ডেকাৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যেৰে এটি পথৰ নাম আৰু ন্যাস গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## কোকৰাঝাৰ প্ৰেছ ক্লাবৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহ মুকলি



**অগ্ৰদূত বাৰ্তা,**
**কোকৰাঝাৰ, ১০ মাৰ্চ ঃ** কোকৰাঝাৰ প্ৰেছ ক্লাব নতুন ৰূপত সজাই তোলা হৈছে। কোকৰাঝাৰ প্ৰেছ ক্লাবৰ মেৰামতি তথা পুনৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত বিটিচিৰ প্ৰমোদ বড়োৱে কোকৰাঝাৰ প্ৰেছ ক্লাব মুকলি কৰে। এই উপলক্ষে কোকৰাঝাৰ সদৰৰ সাংবাদিকসকলৰ স'তে এক অন্তৰংগ বাৰ্তালাপতো মিলিত হয়। সংবাদজগতত কোকৰাঝাৰ প্ৰেছ ক্লাবৰ এক সুনাম আছে বুলি মন্তব্য কৰি বড়োৱে সততা আৰু নিষ্ঠাৰে সংবাদসেৱা কৰিবলৈ সাংবাদিকসকলক আহ্বান জনায়। কোকৰাঝাৰ প্ৰেছ ক্লাবৰ আন আনুষংগিক কাম-কাজসমূহো অহা বিত্তীয় বৰ্ষত পূৰণ কৰা হ'ব বুলি তেওঁ কয়। ইপিনে আগন্তুক ৰাজ্যসভাৰ নিৰ্বাচন সন্দৰ্ভত বড়োৱে কয় যে অহা ১১ মাৰ্চত দলৰ এক বৈঠক অনুষ্ঠিত হ'ব আৰু তাতেই ৰাজ্যসভাৰ প্ৰাৰ্থী সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। মিত্ৰদল হিচাপে এখন আসন পাব বুলি আশাবাদী বুলি মন্তব্য কৰি বড়োৱে কয় যে ৰাজ্যসভাত এগৰাকী বড়ো প্ৰতিনিধি থাকিব লাগে বুলি তেওঁলোকে আগৰ পৰাই কৈ আহিছে। আনহাতে, পৌৰসভা নিৰ্বাচনত বিজেপিৰ বৃহৎ বিজয়ক অভিনন্দন জ্ঞাপন কৰি ইয়াৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শিতা আৰু উন্নয়নমুখী যাত্ৰাৰ প্ৰতিফলন বুলি মন্তব্য কৰে। দেশৰ ভিতৰত অসম শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰৰ এখন হ'ব আৰু মুখ্যমন্ত্ৰীৰ উন্নয়নমুখী যাত্ৰাৰ ওপৰত ৰাইজৰ বিশ্বাস উপজিছে আৰু পৌৰসভা নিৰ্বাচনৰ ফলাফল তাৰেই প্ৰতিফলন বুলি মন্তব্যৰে বড়োৱে অনাগত সময়ছোৱাত চহৰাঞ্চলসমূহত আৰু অধিক উন্নয়ন হ'ব বুলি আশা প্ৰকাশ কৰিছে। উক্ত অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য নিলুৎ স্বৰ্গীয়াৰী আৰু প্ৰেছ ক্লাবৰ সমূহ সদস্য উপস্থিত থাকে।

## ভোমাপাৰা প্ৰাথমিক বিদ্যালয়ত নাৰী দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১০ মাৰ্চ ঃ** অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা, অভয়াপুৰী মহাবিদ্যালয় মহিলা কোষ আৰু অভয়াপুৰী মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত পৰহি ভোমাপাৰা প্ৰাথমিক বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। পুৱা অনুষ্ঠিত মুকলি সভাত অংশ লয় অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাঃ মুৰব্বী অধ্যাপিকা সৰুযু দেৱী, প্ৰগতিশীল নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানেৰে স্বাৱলম্বিতাৰ নিৰ্দশন ডাঙি ধৰা মহিলা পদুমী দেৱী, ভোমাপাৰা প্ৰাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন ৰায়, অধ্যাপক জয়ন্ত বৰা, অনিল ৰায় আদিয়ে অংশ লয়। সভাৰ আঁত ধৰে ড° পংখী হাজৰিকাই। ইয়াৰ পাছতে অনুষ্ঠিত হয় মহিলাসকলৰ মাজত ৰছীটনা প্ৰতিযোগিতা। শাহু আৰু বোৱাৰীসকলে এই প্ৰতিযোগিতাত অংশ লয়। ইয়াৰ পাছতে সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ লগতে গাঁৱৰ মহিলাসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিবেশন কৰে।

## ঘগ্ৰাপাৰত পথ দুৰ্ঘটনাত এজন নিহত

**অগ্ৰদূত বাৰ্তা,**
**ঘগ্ৰাপাৰ, ১০ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিলপাৰ বটাবাৰী চ'কত কালি পুৱা নমান বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন বিলপাৰ গাঁৱৰে ৰমেশ ডেকা (৬০) অনুসৰি দিন হাজিৰা কৰা ডেকাই অইন দিনাৰ দৰে কালি কামৰ সন্ধানত ঘৰৰ পৰা পুৱাই ওলাই আহিছিল। তেওঁ উক্ত চ'কটো পোৱাৰ সময়তে ৰাষ্ট্ৰীয় পথটোৰ সমীপত থিয় হৈ থকাৰ সময়তে ৰঙিয়াৰ দিশৰ পৰা অহা এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে খুনিওৱাত ডেকাই মূৰ আৰু বুকুত গুৰুতৰভাৱে আঘাত পায়। লগে লগে স্থানীয় ৰাইজে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰে যদিও কালি আবেলি তেওঁৰ চিকিৎসালয়তে মৃত্যু হয়।

## অৱসৰী শিক্ষক-লেখক ভগৱান চন্দ্ৰ কলিতাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ১০ মাৰ্চ ঃ** ৰঙিয়া মহকুমাৰ কওঁৰা ৰাজহ চক্ৰৰ অন্তৰ্গত সৌৰামুৰী পৈলানি চুবুৰিৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা লেখক ভগৱান চন্দ্ৰ কলিতা (৭২)ৰ বাৰ্ধক্যজনিত কাৰণত পৰহি নিশা ১১ বজাত নিজ গৃহত মৃত্যু হয়। পাত্ৰপুখৰীপাৰ হাইস্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰি ২০০৯ ত উক্ত বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষকজনে ছাত্ৰাৱস্থাৰে পৰা সাহিত্য সেৱাৰ স'তে জড়িত থাকি পশ্চিম বড়িগোগ আঞ্চলিক শাখা সাহিত্য সভাৰ উপ-সভাপতি আৰু অসম সাহিত্য সভাৰ আজীৱন সভ্যৰূপে সেৱা আগবঢ়াইছিল। দীৰ্ঘদিন ধৰি বিভিন্ন কাকত-আলোচনীত লেখা-মেলা কৰাৰ লগতে তেওঁ 'উপ-পথ,' 'অগ্নি পথ' আৰু 'মুক্তি পথ' নামেৰে তিনিখন গল্প পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ কেবাটাও গল্প গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰ হৈছিল। শৈশৱৰে পৰা কৃষি কাৰ্যৰ স'তে জড়িত হৈ তেওঁ আদৰ্শ কৃষকৰূপে খ্যাতি অৰ্জন কৰিছিল। জন্ম গাঁৱৰ লগতে পশ্চিম বড়িগোগ মৌজাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত অৱসৰপ্ৰাপ্ত শিক্ষক তথা লেখকজনৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে।

## মাৰ্ঘেৰিটাত ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ১০ মাৰ্চ ঃ** মাৰ্ঘেৰিটা মহকুমা আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই থকাৰ মাজতে আজি নামদাং কলিয়ৰীৰ সমীপৰ পৰা দুজন লোকক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে। লোকদুজনে ড্ৰাগছ বিক্ৰী কৰি থাকোতেই ড্ৰাগছ ভৰ্তি দুটা চাবোন বাকচসহ দেশ বাহাদুৰ লামা, আৰু ২২.৪৯ গ্ৰাম হেৰ'ইনসহ ৰণি তামাঙক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে লামা হত্যা আৰু ড্ৰাগছ সৰবৰাহৰ অভিযোগত পূৰ্বতে কাৰাগাৰলৈ যাবলগীয়া হৈছিল।

## কাইলৈ যোৰহাট জিলা হাইস্কুল শিক্ষক সন্থাৰ অধিবেশন

**চেলেংহাট ঃ** যোৰহাট জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ ৩৫ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন অহা ১২ মাৰ্চত যোৰহাট শিক্ষা ভৱনত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উল্লেখ্য যে যোৱা জানুৱাৰীতে লাহিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও ক'ভিড পৰিস্থিতিৰ বাবে অধিবেশনৰ দিনা পিছুৱাই দিয়া হৈছিল।

## শিল্পী পেঞ্চনাৰ অঞ্জলি বৰুৱাক সম্বৰ্ধনা জাতীয় মহিলা পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ১০ মাৰ্চ ঃ** 'আজি নাৰী পদে পদে অৱহেলিত। নাৰীৰ সম অধিকাৰৰ অবিহনে সমাজৰ উত্তৰণ সম্ভৱ নহয়। সেয়েহে সামাজিক, অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ নাৰীয়ে নিজৰ ভৰিত থিয় দি অধিকাৰ সাব্যস্ত কৰিবই লাগিব।' ঢেকিয়াজুলি ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যোৱা আঠ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে স্থানীয় সোণাৰি গাঁও মজলীয়া বিদ্যালয়ত অনুষ্ঠিত অঞ্চলৰ উদ্যোগী মহিলাক সম্বৰ্ধনা অনুষ্ঠানত পৌৰোহিত্য কৰি মহাবিদ্যালয় মহিলা কোষৰ সভানেত্ৰী জোনালী দত্ত ভূঞাই এই মন্তব্য কৰে। শিক্ষয়িত্ৰী ৰশ্মিৰেখা বৰগোঁহাইয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ উৎপল বৰদলৈ, সুবৰ্ণ প্ৰভা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষা ধৰিত্ৰী হাজৰিকা, মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চুমী কলিতাই বিশিষ্ট অতিথিৰ লগতে অধ্যাপিকা ৰূপলেখা দেৱীয়ে অংশগ্ৰহণ কৰি নাৰী দিৱসৰ তাৎপৰ্য আলোকপাত কৰে। শিক্ষয়িত্ৰী লাৱণ্য হাজৰিকা, সাংবাদিক পবিত্ৰ মহন্তই বক্তব্য প্ৰদান কৰা সভাতেই ক্ষুদ্ৰ পাচলি ব্যৱসায়ী উদ্যমী মহিলা ক্ৰমে সোণাৰি গাঁৱৰ জ্যোতি বৰদলৈ, জালুকনিবাৰীৰ ৰীণা গগৈক মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা গামোচা, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। ইফালে, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে দক্ষিণ যোৰহাট জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদ আঞ্চলিক সমিতিৰ অন্তৰ্গত, লিচুবাৰী বৰভেটা জাতীয় মহিলা পৰিষদ শাখাৰ উদ্যোগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ৬৮ বছৰীয়া উদ্যমী মহিলা অঞ্জলি বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে।

## যুদ্ধভূমি ইউক্ৰেইনত আবদ্ধ নগৰবেৰাৰ পাঁচ শিক্ষাৰ্থীৰ ঘৰত বিধায়িকা

**অগ্ৰদূত বাৰ্তা**
**আলোপতি, ১০ মাৰ্চ ঃ** যুদ্ধভূমি ইউক্ৰেইনত আবদ্ধ হৈ থকা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ পাঁচগৰাকী শিক্ষাৰ্থীৰ ঘৰত গৈ খা-খবৰ ল'লে বিধায়িকা নন্দিতা দাসে। যোৱা আঠ মাৰ্চত সমষ্টিৰ বিধায়িকা দাসে নগৰবেৰাৰ আৰিফ মাহফুজ ছিদ্দিকী, জাকাৰিয়া হুছেইন, ফাৰুক আব্দুল্লাহ, হাছান আল ৰছিদ আৰু ছাহিল আনোৱাৰৰ ঘৰে ঘৰে গৈ কেউজন ছাত্ৰৰ পিতৃ-মাতৃৰ লগত কথা পাতি তেওঁলোকৰ খা-খবৰ লয়। বিধায়িকাৰ উপস্থিতিত আৱেগিক হৈ পৰে শিক্ষাৰ্থীসকলৰ পৰিয়ালৰ লোকসকল। আবদ্ধ শিক্ষাৰ্থীসকলৰ পৰিয়ালৰ লোকে ব্যক্ত কৰা মতে, ইউক্ৰেইনত আবদ্ধ তেওঁলোকৰ সন্তান সম্প্ৰতি কুশলে আছে যদিও বিগত দিনকেইটাত যথেষ্ট ভয়-আতংকৰ মাজত অতিবাহিত কৰিছে। আবদ্ধ শিক্ষাৰ্থীসকল পানী আৰু খাদ্যৰ অভাৱত ভুগি থকাৰ কথাও ব্যক্ত কৰে। আবদ্ধ শিক্ষাৰ্থীকেইজনৰ পৰিয়ালৰ লোকে জনোৱা মতে, আজি আবদ্ধ ছাত্ৰকেইজন ইউক্ৰেইনৰ পৰা স্বদেশ অভিমুখে ৰাওনা হৈছে। উল্লেখ্য যে কেউজন ছাত্ৰ ইউক্ৰেইনৰ ছুমী ৰাজ্যিক বিশ্ববিদ্যালয়ত এমবিবিএছ পাঠ্যক্ৰমত অধ্যয়ন কৰি আছে।

## বি এইছ বি মহাবিদ্যালয়ত নাৰীৰ স্বাস্থ্য সজাগতা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ১০ মাৰ্চ ঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে পৰহি সৰুপেটাৰ বি এইছ বি মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত দাঁতিকাষৰীয়া বৰলীয়াপাৰা গাঁৱত নাৰীৰ স্বাস্থ্য সম্পৰ্কীয় সজাগতা অনুষ্ঠান এটাৰ আয়োজন কৰা হয়। স্থানীয় মহিলাৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত সভাপতিত্ব কৰে মহিলা কোষৰ সভাপতি ড° দিপ্তী কলিতাই। অনুষ্ঠানৰ আৰম্ভণিতে বি এইছ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে আদৰণি ভাষণ দি কয় যে আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ মহিলাসকলে নিজৰ স্বাস্থ্যজনিত সমস্যাবোৰক অৱহেলা কৰি চলে। আমাৰ দেশৰ মহিলাসকলৰ মাজত পুষ্টিহীনতাৰ সমস্যা বহু বেছি বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁলোকৰ মাজত এই সম্পৰ্কীয় সচেতনতা অত্যন্ত প্ৰয়োজনীয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ফণীধৰ মেছে কয় যে নাৰী দিৱস উদ্‌যাপনৰ মুখ্য কথাটো হৈছে নাৰীসকলৰ সমতাৰ অধিকাৰ প্ৰতিষ্ঠা কৰা। অনুষ্ঠানটোত সমল ব্যক্তিৰূপে উপস্থিত থাকি সৰুপেটাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ মৰমী কলিতাই নাৰীসকলৰ নিজস্ব শাৰীৰিক সমস্যাসমূহৰ বিষয়ে বহলাই আলোচনা কৰা। নাৰীয়ে ভোগা বিভিন্ন ৰোগৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত নাৰীসকলে ল'বলগীয়া সজাগতামূলক ব্যৱস্থাসমূহৰ বিষয়েও তেওঁ জানিবলৈ দিয়ে। উপস্থিত বিভিন্ন মহিলাৰ প্ৰশ্নৰো তেওঁ উত্তৰ দিয়ে। সভাপতিৰ আসনৰ পৰা ড° দিপ্তী কলিতাই কয় যে নাৰীসকলে পুৰনিকলীয়া ৰীতি-নীতি বা অন্ধবিশ্বাসৰ পৰা নিজকে মুক্ত কৰি ওলাই অহাটো প্ৰয়োজনীয়। নাৰীৰ স্বাস্থ্য ভালে থাকিলেহে পৰিয়াল একোটা ভালকৈ চলে আৰু পৰিয়াল ভালকৈ চলিলেহে সমাজখন ভালকৈ চলে বুলি তেওঁ কয়। ড° কল্পনা বৈশ্যই আঁত ধৰা এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় প্ৰীতিৰেখা দত্তই।

# ১০ টা ৱাৰ্ডৰ আঠটাত জয়লাভ

**ৰঙিয়া পৌৰসভা বিজেপিৰ দখলত**

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১০ মাৰ্চঃ** কালি ঘোষিত পৌৰসভাৰ নিৰ্বাচনৰ ফলাফলত ৰঙিয়াত ইতিহাস সৃষ্টি কৰি বিজেপিয়ে একক সংখ্যাগৰিষ্ঠ দলৰূপে পৌৰসভা গঠন কৰিব। ৰঙিয়া পৌৰসভাৰ ১০ টা ৱাৰ্ডৰ ভিতৰত বিজেপিয়ে আঠটা ৱাৰ্ডত জয়লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে দুটা ৱাৰ্ডত জয়লাভ কৰে বিজেপিৰ মিত্ৰ দলে দুটা ৱাৰ্ডত প্ৰাৰ্থিত্ব দিয়াৰ পাছত এখনতো জয়লাভ কৰিবলৈ সক্ষম নহ'ল। এইবাৰৰ নিৰ্বাচনত আটাইতকৈ উল্লেখনীয় দিশটো হ'ল সংখ্যালঘু অধ্যুষিত আঠ নম্বৰ ৱাৰ্ডত স্বাধীনোত্তৰ কালত প্ৰথমবাৰৰ বাবে বিজেপিয়ে জয় লাভ কৰে। ১২৫৭ গৰাকী ভোটদাতাৰ ভিতৰত ১২০৪ গৰাকী ধৰ্মীয় সংখ্যালঘু ভোটদাতা থকা ৱাৰ্ডত ১০৪৭ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে। এই ৱাৰ্ডত বিজেপিৰ বিদ্যুৎ ডেকাই ৬১৮ টা ভোট লাভ কৰি বিজয়ী হয়। ৰঙিয়া পৌৰসভাৰ আঠটা ৱাৰ্ডত বিজেপিয়ে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে দুটা ৱাৰ্ডত কংগ্ৰেছ প্ৰাৰ্থীয়ে জয়লাভ কৰিবলৈ সক্ষম হয়। ৰঙিয়া পৌৰসভাৰ বিজেপিৰ বিজয়ী প্ৰাৰ্থীসকল হ'ল এক নম্বৰ ৱাৰ্ডত অমৰেন্দ্ৰ লহকৰ, দুই নম্বৰ ৱাৰ্ডত বিউটি বেগম, তিনি নম্বৰ ৱাৰ্ডত গুণমনি বড়ো চাৰি নম্বৰ ৱাৰ্ডত মিতালী ডেকা, পাঁচ নম্বৰ ৱাৰ্ডত গুঞ্জন দাস, ছয় নম্বৰ ৱাৰ্ডত উত্তম পাল, সাত নম্বৰ ৱাৰ্ডত পূৰবী দাস আৰু আঠ নম্বৰ ৱাৰ্ডত বিদ্যুৎ ডেকা। কংগ্ৰেছৰ বিজয়ী প্ৰাৰ্থী দুগৰাকী হ'ল ন নম্বৰ ৱাৰ্ডত চানোৱাৰা বেগম আৰু ১০ নম্বৰ ৱাৰ্ডৰ ৰেচমা আহমেদ। ইপিনে, ৰঙিয়া মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত বিজয়ী প্ৰাৰ্থীসকলক কালি বিজেপিৰ ৰাজ্যিক সভাপতি তথা ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতা আৰু অতিৰিক্ত উপায়ুক্ত তথা ৰঙিয়া মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি জাৰীৰ ৰাহুল সুৰেশৰ উপস্থিতিত প্ৰমাণপত্ৰ প্ৰদান কৰে নিৰ্বাচনী বিষয়া ড° নীল হৰিৎ কৌশিকে। উক্ত অনুষ্ঠানত ৰঙিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া লীনা কুমাৰী পাৰে, সহকাৰী আয়ুক্তদ্বয় চম্পক ডেকা, অম্লান বৈশ্য, কওঁৰা ৰাজহ চক্ৰৰ ভাৰপ্ৰাপ্ত ৰাজহ চক্ৰ বিষয়া অনন্যা চৌধুৰী, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া হেমন্ত কুমাৰ শৰ্মা, উপ-পঞ্জীয়ক মনজিৎ কুমাৰ দাস উপস্থিত থাকে।

# সৰ্থেবাৰী পৌৰসভা বিজেপিৰ দখলত

## ■ সাতখন আসন দখলেৰে একক সংখ্যাগৰিষ্ঠতা
## ■ এটাত অগপ, দুটা ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী বিজয়ী

**অগ্ৰদূত বার্তা**
**সৰ্থেবাৰী, ১০ মার্চ ঃ** সৰ্থেবাৰী পৌৰসভা নিৰ্বাচনত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। নিৰ্বাচনৰ ফলাফল ঘোষণা অনুসৰি মুঠ ১০টা ৱাৰ্ডৰ ভিতৰত বিজেপিৰ প্ৰাৰ্থী সাতটা ৱাৰ্ডত বিজয়ী হৈ একক সংখ্যাগৰিষ্ঠতা লাভ কৰে। অগপৰ প্ৰাৰ্থীয়ে এটা ৱাৰ্ডত আৰু নিৰ্দলীয় প্ৰাৰ্থী দুটা ৱাৰ্ডত বিজয়ী হয়। ফলাফল অনুসৰি এক নম্বৰত বিজেপিৰ দীপজ্যোতি ডেকাই ২৪টা ভোটৰ ব্যৱধানত অগপ প্ৰাৰ্থী কিশোৰ ডেকাক পৰাস্ত কৰে। বিজেপিৰ দীপজ্যোতি ডেকাই ৯৫ টা ভোট লাভ কৰাৰ বিপৰীতে অগপৰ কিশোৰ ডেকাই লাভ কৰে ৭১ টা ভোট। দুই নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী প্ৰৱাল ভূঞা ৩৩ টা ভোটৰ ব্যৱধানত বিজয়ী হয়। নিৰ্দলীয় প্ৰাৰ্থী ভূঞাই ১২১ টা ভোট লাভ কৰাৰ বিপৰীতে অগপ প্ৰাৰ্থী চন্দন পাটোৱাৰীয়ে ৮৮ আৰু বিজেপি প্ৰাৰ্থী বন্দনা ডেকাই ৮৮ টা ভোট লাভ কৰে। তিনি নম্বৰত বিজেপি প্ৰাৰ্থী ভূপেন তামুলীয়ে ৫০টা ভোটৰ ব্যৱধানত বিজয়ী হয়। তামুলীয়ে ২৫৭ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদীপ চৌধুৰীয়ে ২০৭ টা ভোট লাভ কৰে। চাৰি নম্বৰত বিজেপিৰ প্ৰাৰ্থী প্ৰেমদা তামুলীয়ে ২৯৭ টা ভোট লাভ কৰি বিজয়ী হয়। নিৰ্দলীয় প্ৰাৰ্থী ৰিপুঞ্জয় তামুলীয়ে ২৬৩ টা ভোট লাভ কৰে। পাছত অগপৰ প্ৰাৰ্থী কমলিকা ডেকাই আঠটা ভোটৰ ব্যৱধানত বিজয়ী হয়। আগপৰ প্ৰাৰ্থীগৰাকীয়ে ২৬২ টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ হৰবালা তালুকদাৰে ২৫৪ টা ভোট লাভ কৰে। ছয় নম্বৰ ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী স্বৰ্ণলতা বৰ্মন বিজয়ী হয়। বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৩৫৮ টা ভোট লাভ কৰে আৰু নিৰ্দলীয় প্ৰাৰ্থী বিনীতা শইকীয়াই ১৮৪ টা ভোট লাভ কৰে। সাত নম্বৰত নিৰ্দলীয় প্ৰাৰ্থী ৰশ্মি ডেকা বিজয়ী হয়। নিৰ্দলীয় প্ৰাৰ্থী ডেকাই ২২৮ টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ প্ৰাৰ্থী বিষয়া তামুলীয়ে লাভ কৰে ১৭২ টা ভোট। আঠত বিজেপি প্ৰাৰ্থী সংগীতা দাসে ১৪৯ টা ভোট লাভ কৰি বিজয়ী হয়। অগপ প্ৰাৰ্থী কল্পনা বৰ্মনে ১০৩ টা ভোট পায়। ন নম্বৰত বিজেপি প্ৰাৰ্থী বৰ্ণালী ভূঞা ৩৫ টা ভোটৰ ব্যৱধানত বিজয়ী হয়। বিজেপি প্ৰাৰ্থীগৰাকীয়ে ১২২ টা ভোট পোৱাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী পপী ভূঞাই ৮৭ টা ভোট লাভ কৰে। ১০ নম্বৰ ৱাৰ্ডত বিজেপি প্ৰাৰ্থী বনজিৎ ডেকা বিজয়ী হয়। বিজেপিৰ প্ৰাৰ্থীজনে ২৩৮ টা ভোট লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী ৰাজীৱ আহমেদে লাভ কৰে ১৭৯ টা ভোট। এইবাৰৰ সৰ্থেবাৰী পৌৰসভা নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছে এখন আসনো লাভ কৰিবলৈ সক্ষম নহ'ল। আনহাতে এইবাৰৰ সৰ্থেবাৰীৰ পৌৰসভাৰ নিৰ্বাচনত আটাইকেইটা ৱাৰ্ডত মুঠ ৪৩ গৰাকী ভোটাৰে ন'টাত ভোটদান কৰে। অগপৰ বিজয়ী প্ৰাৰ্থী কমলিকা ডেকাক লৈ দলীয় কৰ্মী-সমৰ্থকসকলে আবেলি এক শোভাযাত্ৰা উলিয়ায়। আবেলি বিজেপিৰ বিজয়ী সাতগৰাকী প্ৰাৰ্থীয়ে ঐতিহ্যমণ্ডিত সৰ্থেবাৰীৰ সভাৰ খলাত দলীয় নেতা-কৰ্মা, সমৰ্থকক লৈ উপস্থিত হৈ সভাৰ খলাস্থিত শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ মন্দিৰ, বৰগোসাঁই ঘৰত সেৱা লয়। ইয়াৰ পাছত বিজয়ী প্ৰাৰ্থী সকলক লৈ দলীয় কৰ্মী-সমৰ্থকসকলে নিজ নিজ ৱাৰ্ডত শোভাযাত্ৰা উলিয়ায়।

# সদৌ ঢেকীয়াল মৌজা পালনামৰ আয়োজন

**অগ্ৰদূত বার্তা,**
**বৰুৱাবামুণগাঁও, ১০ মার্চ ঃ** ঢেকীয়াল মৌজা পালনাম পৰিষদৰ সপ্তবিংশতিতম পালনামভাগ অহা ১৩, ১৪ আৰু ১৫ মার্চত গণকপুখুৰীৰ হলৌ চুবুৰি নামঘৰত অনুষ্ঠিত হ'ব। অন্যান্য কাৰ্যসূচীৰ লগতে প্ৰথম দিনা সন্ধিয়া মহাপুৰুষ দুজনা বিৰচিত বৰগীত প্ৰতিযোগিতা, ১৪ মার্চত সন্ধিয়া গোলাঘাট জিলা ভিত্তিত মহিলাসকলৰ নাগাৰা নাম প্ৰতিযোগিতা আৰু তৃতীয় দিনা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা মৎস্য অৱতাৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব। নাগাৰা নামৰ বিজয়ীসকলক মানপত্ৰসহ প্ৰথম পুৰস্কাৰ তিনি হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ দুহেজাৰ পাঁচশ টকা আৰু তৃতীয় পুৰস্কাৰ দুহেজাৰ টকা প্ৰদান কৰা হ'ব। ভৰ্তি মাচুল দুশ টকা। বৰগীতৰ প্ৰথম পুৰস্কাৰ, ১৫শ টকা, দ্বিতীয় পুৰস্কাৰ এহেজাৰ টকা, তৃতীয় পুৰস্কাৰ হিচাপে আঠশ টকা প্ৰদান কৰা হ'ব। বৰগীতৰ যোগদানৰ মাচুল ৫০ টকা। বিজয়ীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব। যোগাযোগৰ বাবে ৯৪০১৩০৩৬২৮ বা ৯৭০৬৪৫১৮৪৬ত ফোন কৰিব পাৰিব।

# তুলসীবিলত আদৰ্শ হাস্পতালৰ আধাৰশিলা

**অগ্ৰদূত বার্তা**
**শ্ৰীৰামপুৰ/চিথিলা, ১০ মার্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত তুলসীবিলত আজি এখন আদৰ্শ হাস্পতালৰ আধাৰশিলা স্থাপন কৰা হয়। তুলসীবিলৰ লক্ষ্মীগাঁৱত প্ৰায় ছয় কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৩০ খন বিছনাযুক্ত চিকিৎসালয়খনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ (জনজাতি) সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। এই উপলক্ষে উক্ত স্থানতে বি পি এফৰ তুলসীবিল প্ৰাইমাৰী সমিতিৰ সভাপতি দেব সিং ব্ৰহ্মৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত বিধায়ক নাৰ্জাৰীয়ে কয় যে বি পি এফে সদায় ৰাইজৰ স্বাৰ্থত কাম কৰি আহিছে। তাৰেই উদাহৰণ উক্ত চিকিৎসালয়ৰ আধাৰশিলা বুলি উল্লেখ কৰি বিধায়কজনে কয় যে সমষ্টিবাসী ৰাইজৰ কথা চিন্তা কৰি ২০১৬ৰ পৰা ২০২০লৈকে তেওঁৰ বিগত কাৰ্যকালত কোকৰাঝাৰ জিলাৰ দোতমা, ফকিৰাগ্ৰাম আৰু তুলসীবিলত আধুনিক চিকিৎসালয় স্থাপনৰ বাবে অসম চৰকাৰৰ এন এইছ এম বিভাগৰ পৰা তিনিটা চিকিৎসালয় স্থাপন মঞ্জুৰি কৰি আনিছিল। সেইমতে দোতমা, ফকিৰাগ্ৰামত ইতিমধ্যে চিকিৎসালয়ৰ নিৰ্মাণ কাম আৰম্ভ কৰা হৈছে ১৩ পৃষ্ঠাত চাওক

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় প্ৰতিনিধি সভাৰ প্ৰস্তুতি

**অগ্ৰদূত বার্তা,**
**শিমলুগুৰি, ১০ মার্চ ঃ** বৃহত্তৰ অসমীয়া যুৱ মৰ্চাৰ কেন্দ্ৰীয় প্ৰতিনিধি সভা অহা ১৩ মার্চত ডিব্ৰুগড় জিলাৰ দুলীয়াজান ক্লাবত অনুষ্ঠিত হ'ব। এই উপলক্ষে ব্যাপক প্ৰস্তুতি চলি আছে। উল্লেখ্য যে বিগত সময়ছোৱাত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিখন দুটা ভাগত বিভক্ত হৈ পৰাত জনগণৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সম্প্ৰতি মতানৈক্য তথা বিসংবাদ আঁতৰাই অসমৰ সকলো জিলা সমিতিৰ বিষয়ববীয়া একত্ৰিত হৈ কেন্দ্ৰীয় প্ৰতিনিধি সভাখন দুলীয়াজানত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এইবাৰ কেন্দ্ৰীয় সমিতিত নতুন নতুন মুখৰ নেতাই পদবী দখল কৰাৰ বাবে উঠি-পৰি লাগিছে। বিশেষকৈ সভাপতি আৰু সচিব প্ৰধানৰদৰে গুৰু দায়িত্বৰ দৌৰত নতুন মুখৰ নেতাই অগ্ৰাধিকাৰ লাভ কৰিব বুলি ব্যাপকভাৱে চৰ্চিত হৈছে। বিশ্বস্ত সূত্ৰে জনা মতে সংগঠনটোৰ আগন্তুক কেন্দ্ৰীয় সভাপতিৰ পদত বৰ্তমানে কেন্দ্ৰীয় মুখ্য সাংগঠিক সচিব তথা যোৰহাট জিলাৰ উপদেষ্টা লাটুমণি দাস আৰু শিৱসাগৰ জিলাৰ সভাপতি যাদৱ গগৈৰ নাম বহুলভাৱে চৰ্চিত হৈছে। উল্লেখ্য যে সংগঠনৰ বিষয়ববীয়াসকলৰ মতানৈক্য দূৰীকৰণ তথা দুয়োটা সংগঠন একত্ৰীকৰণৰ ক্ষেত্ৰত মুখ্য ভূমিকা লোৱাসকলৰ ভিতৰত অন্যতম কেন্দ্ৰীয় মুখ্য সাংগঠনিক সচিব লাটুমণি দাসৰ জনপ্ৰিয়তাই সংগঠনটোৰ শীৰ্ষ আসন আহৰণৰ পথ সুগম কৰি তুলিব বুলি চৰ্চিত হৈছে। ইফালে, সংগঠনটোৰ প্ৰধান সচিবৰ দৌৰত ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মানস বৰুৱা আৰু তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নৱ কোঁৱৰ নাম বিশেষভাৱে চৰ্চিত হৈছে।

# পানী বিচৰাৰ ছলেৰে দিন দুপৰতে লুটিলে নগদ ধন, আ-অলংকাৰ

**অগ্ৰদূত বার্তা**
**পুৰণিগুদাম, ১০ মার্চ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদাম বৰাচুকৰ শিক্ষক চন্দন হাজৰিকাৰ ঘৰত কালি দিন দুপৰতে তিনিজনীয়া ডকাইতৰ দলে ঘৰত প্ৰৱেশ কৰি নগদ ধন, আ-অলংকাৰ লুট কৰি নিয়ে। শিক্ষক চন্দন হাজৰিকা আৰু তেওঁৰ দুই পুত্ৰ ঘৰত নথকাৰ সুযোগ গ্ৰহণ কৰি তিনিজনীয়া ডকাইতৰ দলে ঘৰৰ পিছফালৰ দুৱাৰেদি প্ৰৱেশ কৰি হাজৰিকাৰ পত্নীক পানী খাবলৈ বিচাৰে। তেওঁ পানী আনিবলৈ যোৱাৰ সময়তে ডকাইতৰ দলটোৱে প্ৰৱেশ কৰি চোকা অস্ত্ৰ দেখুওৱাৰ লগতে মুখত স্প্ৰে মাৰি অচেতন কৰি লয়। ইয়াৰ পাছতে আলমাৰীৰ পৰা নগদ ধন আৰু আ-অলংকাৰ লুট কৰি নিৰ্বিঘ্নে আঁতৰি যায়। ডকাইতৰ দলটোৱে হাজৰিকাৰ পত্নীক তেওঁলোকে মাটি কটা মানুহ বুলি পৰিচয় দিয়াৰ লগতে তেওঁলোকৰ ঘৰৰ পিছফালে মাটি কাটি আছে বুলি জনায়। ইয়াতে মানুহগৰাকীয়ে বিশ্বাস কৰি তেওঁলোকক পানী খাবলৈ দিয়াৰ সময়তে চোকা অস্ত্ৰ দেখুৱাই আলমাৰীৰ চাবি কাঢ়ি লোৱাৰ লগতে মুখত নিচা জাতীয় ঔষধ স্প্ৰে কৰে। উল্লেখ্য যে নিশাৰ ভাগত গোহালিৰ গৰু চুৰি কৰি সন্ত্ৰাস সৃষ্টি কৰাৰ পাছত এতিয়া আৰম্ভ হৈছে ডকাইতিৰ ঘটনা।

## ■ গ্ৰাম্য সাংবাদিকতাৰ লগতে কে'বাটাও বঁটা

# বকলীয়াঘাট প্ৰেছ ক্লাবৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন ঃ মুখপত্ৰ উন্মোচন



**অগ্ৰদূত বার্তা**
**হাওৰাঘাট, ১০ মার্চ ঃ** কালি বকলীয়াঘাট প্ৰেছ ক্লাবৰ দ্বি-বাৰ্ষিক অধিৱেশনখন বকলীয়াঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যক্ৰমণিকা অনুসৰি পুৱা ন বজাত বকলীয়াঘাট প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি ৰাধেশ্যাম গুপ্তাই। আনহাতে, ছহিদ তৰ্পণ কৰে বকলীয়াঘাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক লম্বোদৰ বৰাই, গছপুলি ৰোপণ কৰে প্ৰতিষ্ঠাপক সম্পাদক ভুৱন চন্দ্ৰ দত্তই। ইয়াৰ পাছত সাধাৰণ সম্পাদক লম্বোদৰ বৰাই আমন্ত্ৰিত অতিথিৰ লগতে কাৰ্বি আংলঙৰ ভিন্ন প্ৰান্তৰ সাংবাদিকসকলক চিনাকি কৰাই দিয়াৰ লগতে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত বকলীয়াঘাট প্ৰেছ ক্লাবৰ সভাপতি ৰাধেশ্যাম গুপ্তাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে বিধায়ক বিদ্যাছিং ইংলেঙে। উক্ত সভাত বকলীয়াঘাট প্ৰেছ ক্লাবৰ মুখপত্ৰ 'বকলীয়াঘাট'ৰ লগতে কবি ময়ূৰী দেৱনাথৰ কাব্য সংকলন ১৩ পৃষ্ঠাত চাওক

## সাতটা ৱাৰ্ডত বিজেপি, এটাত এজেপি, কংগ্ৰেছ-নিৰ্দলীয়

# বিজেপিৰ দখলত চাপৰ পৌৰসভা

**অগ্ৰদূত বার্তা**
**চাপৰ, ১০ মার্চ ঃ** বিজেপিয়ে দখল কৰিলে চাপৰ পৌৰসভা। ২০১৫ত তেতিয়াৰ 'চাপৰ নগৰ সমিতি'(বৰ্তমানৰ পৌৰসভা)ৰ নিৰ্বাচনত বিজেপিয়ে তিনিটা ৱাৰ্ডত জয়লাভ কৰাৰ বিপৰীতে এইবাৰৰ নিৰ্বাচনত চাপৰ পৌৰসভাৰ ১০ টা ৱাৰ্ডৰ ভিতৰত সাতটা ৱাৰ্ড নিজৰ দখলত আনিবলৈ সক্ষম হয়। আনহাতে, এজেপি এটা ৱাৰ্ডত, কংগ্ৰেছে এটা ৱাৰ্ডত আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটা ৱাৰ্ডত শেষ হাঁহি মাৰিছে। ভোট গণনাৰ অন্তত এক নম্বৰ ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী ধনঞ্জয় মেধিয়ে অগপৰ প্ৰাৰ্থী অৰুণ কলিতাক পৰাস্ত কৰিছে। দুই নম্বৰ ৱাৰ্ডত বিজেপি প্ৰাৰ্থী বিউটি ৰায়ে কংগ্ৰেছ প্ৰাৰ্থী বাসনা দাসক পৰাজিত কৰে। তিনি নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ মুছপিয়াৰা বেগমে এআইইউডিএফৰ ফাতেমা খাতুন, চাৰি নম্বৰ ৱাৰ্ডত বিজেপিৰ নিৰুপমা দাসে কংগ্ৰেছৰ মনালিছা পোদ্দাৰক, পাঁচ নম্বৰ ৱাৰ্ডত বিজেপিৰ অৰুণ নাগে কংগ্ৰেছৰ আবু শ্বাহী ইছলামক, ছয় নম্বৰ ৱাৰ্ডত অসম জাতীয় পৰিষদৰ ছুৰত আলী শ্বেইখে নিৰ্দলীয় প্ৰাৰ্থী অসীম দেক, সাত নম্বৰ ৱাৰ্ডত বিজেপি প্ৰাৰ্থী ছাহিদুৰ সৰকাৰে নিৰ্দলীয় প্ৰাৰ্থী সুৰত জামাল হক (দাইয়া) ক পৰাজিত কৰে । ইপিনে, আঠ নম্বৰ ৱাৰ্ডত বিজেপিৰ ৰত্নাকলি দাসে অগপ প্ৰাৰ্থী নিলঞ্জনা অধিকাৰীক, ন নম্বৰ ৱাৰ্ডত ইনুৱাৰা বেগমে বিজেপিৰ হামিদা চুলতানাক আৰু ১০ নম্বৰ ৱাৰ্ডত বিজেপি প্ৰাৰ্থী অজয় সিংহই নিৰ্দলীয় প্ৰাৰ্থী ভাস্কৰ ৰায়ক পৰাস্ত কৰি বিজয়ী হৈছে। চাপৰ পৌৰসভাৰ নিৰ্বাচনত বিজেপিয়ে ১০ টা ৱাৰ্ডৰ ভিতৰত সাতটা ৱাৰ্ডতে বিজয়ী হোৱাত প্ৰাক্তন বিধায়ক তথা অসম চৰকাৰৰ বিপণন নিগমৰ অধ্যক্ষ অশোক কুমাৰ সিংহীয়ে চাপৰবাসী ৰাইজ তথা সৰ্বস্তৰৰ বিজেপি কৰ্মীসকলক শুভেচ্ছা জনাইছে।

# উৰ্দু সন্দৰ্ভত গোৱালপাৰা ওৱাছিছ ট্ৰাষ্টৰ উদ্যোগত আলোচনাচক্ৰ



**অগ্ৰদূত বার্তা**
**মাটিয়া, ১০ মার্চ ঃ** গোৱালপাৰা চহৰৰ কল্পনা নগৰস্থিত ওৱাছিছ একাডেমী জুনিয়ৰ কলেজৰ সভাকক্ষত কালি উৰ্দু ভাষাৰ ওপৰত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ অধীনত ৰাষ্ট্ৰীয় উৰ্দু ভাষা উন্নয়ন পৰিষদৰ সৌজন্যত তথা গোৱালপাৰা ওৱাছিছ ট্ৰাষ্টৰ উদ্যোগত 'আগা হাছৰ কাশ্মিৰী কি আদাবি খিদমত' বিষয়ক শীৰ্ষক আলোচনাচক্ৰখনত পৌৰোহিত্য কৰে ওৱাছিছ ট্ৰাষ্টৰ সভাপতি কুৰবান আলী আকন্দে। প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা আলোচনাচক্ৰত গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ১৩ পৃষ্ঠাত চাওক

# জামুগুৰিহাটত অটল টিংকাৰিং ৰবটিক লেৱৰ উদ্বোধন বিধায়কৰ

**অগ্ৰদূত বার্তা**
**নদুৱাৰ, ১০ মার্চ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টুপিয়া পাঁচগাঁও একাডেমীত কালি নিটি আয়োগ ভাৰত চৰকাৰৰ অধীনত অটল টিংকাৰিং ৰবটিক লেৱৰ উদ্বোধন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক আধুনিক বিজ্ঞান সন্মত শিক্ষা প্ৰদানৰ সুবিধাৰ্থে নিৰ্মিত ভৱনটি বিধায়কজনে উন্মোচন কৰি কয় যে বিজ্ঞান শিক্ষাৰ প্ৰতি আমি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰিব লাগে। এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ হকে চৰকাৰৰ নিটি আয়োগৰ তৰফৰ পৰা আগবঢ়োৱা ২০ লাখ টকা ব্যয়ৰে নিৰ্মিত বিজ্ঞান ভৱন উদ্বোধন কৰি আনন্দিত বুলি উল্লেখ কৰি কয় যে বিজ্ঞান শিক্ষাৰ বাবে নিয়োগ কৰা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাদান কৰিব। ইয়াৰ পাছতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত এক সভাত অংশগ্ৰহণ কৰে প্ৰধান শিক্ষক অশোক কুমাৰ দাহাল, পৰিচালনা সমিতিৰ সভানেত্ৰী ৰূপালী বৰা, শিক্ষক- সমাজকৰ্মী নিতুমণি বৰা প্ৰমুখ্যে অঞ্চলটিৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীবৃন্দই।

# ঈশ্বৰীয় আমন্ত্ৰণ শীৰ্ষক শ্ৰীমন্ত ভাগৱত জ্ঞান কথাৰ ভাগৱত ব্যাখ্যা

**অগ্ৰদূত বার্তা**
**লখিমপুৰ, ১০ মার্চ ঃ** শ্ৰীশ্ৰীগীতাধাম আধ্যাত্মিক সেৱা কেন্দ্ৰৰ উদ্যোগত শ্ৰীমন্ত ভাগৱত মহাপুৰাণৰ অমৃতময় জ্ঞান কথাৰ এক অনুষ্ঠান তিনি মেৰ পাৰ সাতদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ঈশ্বৰীয় আমন্ত্ৰণ শীৰ্ষক অনুষ্ঠানটোৰ লক্ষ্য হ'ল প্ৰতিঘৰ গৃহস্থী তথা যুৱ সমাজৰ আধ্যাত্মিক কল্যাণৰ। লখিমপুৰ জাপিসজীয়া সাধনীভৱনত অনুষ্ঠিত। এই জ্ঞান কথাৰ অনুষ্ঠানটোত ভাগৱত ব্যাখ্যা কৰিব আধ্যাত্মিক কৰ্ম প্ৰাণ লোহিত চন্দ্ৰ দেৱ শৰ্মাই। নিতৌ দিনৰ দুই বজাৰ পৰা নিশা ১০ বজালৈ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# উত্তৰ গোৰ্ৱধনা হাইস্কুলৰ মেট্ৰিক পৰীক্ষাৰ্থীৰ বিদায়ী সম্বৰ্ধনা সভা সম্পন্ন

**অগ্ৰদূত বার্তা**
**শালবাৰী, ১০ মার্চ ঃ** বাগ্‌সা জিলাৰ জালাহ শিক্ষা খণ্ডৰ অন্তৰ্গত উত্তৰ গোৰ্ৱধনা হাইস্কুলত বিদ্যালয়ত পৰিচালনা সমিতিৰ উদ্যোগত আৰু শালবাৰী এবিএমছুৰ সহযোগত বিদ্যালয়খনৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকল উদ্দেশ এখন বিদায়ী সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বিদায় সম্বৰ্ধনা সভাত শালবাৰী জিলা এবিএমছুৰ এটা সঁজাতী দলৰ উপস্থিতিত পৰিচালনা সমিতিৰ সভাপতি মজিৰ পৰামানিকৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষক হান্নান আলীয়ে। লগতে এবিএমছুৰ পৰা বিদ্যালয়খনৰ প্ৰতিজন শিক্ষক আৰু মেট্ৰিক পৰীক্ষাৰ্থীসকলক এখনকৈ ফুলাম গামোচা আৰু কলমেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত মেট্ৰিক পৰীক্ষাৰ্থীৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, এবিএমছুৰ শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক আব্দুল লতিফে ভাষণ প্ৰদান কৰে। সভাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক হান্নান আলীয়ে ভাষণ প্ৰসংগত মেট্ৰিকৰ ছাত্ৰ-ছাত্ৰীক আচলতে বিদায় দিয়া নহয়, বিগত ১০ বছৰত অধ্যয়ন কৰি কি শিকিলে তাৰেই বহীৰ পাতত সুন্দৰকৈ প্ৰতিফলন কৰাৰ দিহা-পৰামৰ্শৰ কথা ব্যক্ত কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক আছমত আলীয়ে ভাষণৰ মাজেৰে বিদ্যালয়খনৰ ৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীক পৰীক্ষাৰ আগমুহূৰ্তত ল'বলগীয়া দায়িত্ব আৰু কৰ্তব্যৰ লগতে প্ৰতিটো বিষয় কেনেদৰে অধ্যয়ন কৰিব তাৰ বিষয়ে অৱগত কৰে।

# মুছলপুৰত নিৰ্বাচনী বিষয়াক আৰক্ষীৰ প্ৰহাৰৰ প্ৰতিবাদ



**অগ্ৰদূত বার্তা**
**মুছলপুৰ, ১০ মার্চ ঃ** দক্ষিণ শালমাৰা-মানকাচৰৰ নিৰ্বাচনী বিষয়া বিভাস মেধিক সাতগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাণজিৎ লহকৰে প্ৰহাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি বাগ্‌সাতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে দক্ষিণ শালমাৰা জিলাৰ কাৰ্যবাহী দণ্ডাধীশ তথা নিৰ্বাচন বিষয়া মেধিয়ে যোৱা সাত মার্চত মাটি সংক্ৰান্তীয় এটা ঘটনাত তেওঁক ভাবুকি দিয়া এটা চক্ৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ সাতগাঁও থানালৈ গৈছিল। থানাখনৰ ভাৰপ্ৰাপ্ত বিষয়া লহকৰে থানা চৌহদৰ ভিতৰতে কাৰ্যবাহীজনক অভদ্ৰ আচৰণ আৰু শাৰীৰিকভাৱে প্ৰহাৰ কৰিছিল। আজি আৰক্ষী বিষয়াজনৰ শাস্তি বিচাৰি বাগ্‌সা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বাগ্‌সাৰ এ চি এছ বিষয়াসকলে প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত বাগ্‌সা জিলাৰ অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মা, আশ্ৰাফুল আমিনকে ধৰি কে'বাগৰাকীও প্ৰশাসনিক বিষয়াই অংশগ্ৰহণ কৰে।

# যোৰহাটৰ সাৰথি বৃদ্ধাশ্ৰমত শতায়ু গৰকা মহিলাক সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১০ মার্চ ঃ** সমগ্ৰ বিশ্বৰ লগতে অসম মহিলা বিশ্ববিদ্যালয়তো যোৱা আঠ মার্চত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি এলানি বক্তৃতা আৰু ছেভ দ্য চিল্ড্ৰেন স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানতে অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে সাম্প্ৰতিক আৰ্থ-সামাজিক পৰিস্থিতিত মহিলা সবলীকৰণৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোকপাত কৰে। উক্ত অনুষ্ঠানতে উপাচাৰ্যগৰাকীয়ে অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'সৌদামিনী' উন্মোচন কৰে। আলোচনীখন সম্পাদনা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক গীতিমণি হাতীমূৰীয়াই। অনুষ্ঠানত লখিমী বৰুৱাই অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে মহিলা ১৩ পৃষ্ঠাত চাওক

# দৰং জিলা কলিতা জনগোষ্ঠীৰ ১০৩ সংখ্যক অধিৱেশনৰ লাইখুঁটা স্থাপন

**অগ্ৰদূত বার্তা**
**দুনী, ১০ মার্চ ঃ** অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ ১০৩ সংখ্যক দ্বি-বাৰ্ষিক দিপীলা অধিৱেশনৰ মূল মণ্ডপৰ লাইখুঁটা কালি স্থাপন কৰে প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই। প্ৰাক্তন বিধায়ক শইকীয়াই ভাষণ প্ৰসংগত উল্লেখ কৰে কলিতা জনগোষ্ঠীৰ উন্নয়নৰ স্বাৰ্থত ৰাজ্যখনৰ কলিতাসকল একত্ৰিত হোৱাৰ প্ৰয়োজন হৈ পৰিছে। তেওঁ কয় যে কলিতা জনগোষ্ঠী ১০৩ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত এনে বিষয়ৰ ওপৰত আলোচনা হ'ব যিবোৰ কথাই নেকি কলিতা জনগোষ্ঠী উন্নয়ন ক্ষেত্ৰত ভৱিষ্যতে দিশ নিৰ্ণায়ক হিচাপে বিবেচিত হ'ব। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি খিতেশ্বৰ কলিতাই। পুৱা ন বজাত আয়তীৰ নাম প্ৰদৰ্শন। আদৰণি সমিতিৰ সভাপতি কৰুণা সিন্ধু ডেকাই আঁতধৰা সভাত বিশিষ্ট সমাজকৰ্মী কালিচৰণ শৰ্মা, দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কনক চন্দ্ৰ কাকতি, মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা জিলাৰ নৱ মনোনীত সভাপতি লোহিত চন্দ্ৰ কলিতা, জিলা সম্পাদক অজিত ডেকা আদি বিশিষ্ট লোকসকল উপস্থিত থাকে। উল্লেখ্য যে দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন ১০৩ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন অহা দুই আৰু তিনি এপ্ৰিলত দিপীলাত অনুষ্ঠিত হ'ব।

# সোণতলীৰ দুৱামাৰীত এনৰেগাৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বার্তা**
**সোণতলী, ১০ মার্চ ঃ** কামৰূপ জিলাৰ সোণতলীৰ দুৱামাৰীত যোৱা ন মার্চত এনৰেগাৰ কামৰ আধাৰশিলা স্থাপন কৰা হয়। দুৱামাৰী ঈদগাহ সংলগ্ন পুখুৰীৰ পাৰত স্থাপন কৰা হয় এই আধাৰশিলা। আধাৰশিলা উদ্বোধনৰ আগতে গাঁও প্ৰধান নজৰুল ইছলামৰ পৰিচালনাত অনুষ্ঠিত হয় এখন সম্বৰ্ধনা অনুষ্ঠানৰ। কিছমত কাঠমী পঞ্চায়ত সভাপতি গিয়াছউদ্দিনৰ সহযোগত আধাৰশিলা উদ্বোধন কৰে ছবুৰউদ্দিন আহমেদে। উল্লেখ্য যে দুৱামাৰী ১৩ পৃষ্ঠাত চাওক

# সন্ধাত আজি শংকৰদেৱ সংঘৰ অন্যতম প্ৰতিষ্ঠাতা ৰমাকান্ত মুক্তিয়াৰ ১৩৭ সংখ্যক জয়ন্তী

**অগ্ৰদূত বার্তা**
**ঘগ্ৰাপাৰ, ১০ মার্চ ঃ** ভাৰতবৰ্ষৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, শৈক্ষিক তথা বৌদ্ধিক ক্ষেত্ৰৰ সৰ্ববৃহৎ অৰাজনৈতিক জাতীয় অনুষ্ঠান শংকৰদেৱ সংঘৰ অন্যতম প্ৰতিষ্ঠাতা পুণ্যশ্লোক ৰমাকান্ত মুক্তিয়াৰ আতাৰ ১৩৭ সংখ্যক জয়ন্তী অহা ১১ মার্চত নলবাৰী জিলা শাখাৰ আতিথ্যত শংকৰদেৱ নামঘৰ, সন্ধাত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। ইতিমধ্যে অৰবিন্দ দাসক সভাপতি আৰু গংগাধৰ তালুকদাৰক ১৩ পৃষ্ঠাত চাওক

# ছিপাঝাৰত দৰং জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ অধিৱেশনৰ আয়োজন

**অগ্ৰদূত বার্তা**
**মঙলদৈ, ১০ মার্চ ঃ** ছিপাঝাৰ সমবায় সমিতিৰ সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত অহা ১২ মার্চৰ পৰা দুদিনীয়াকৈ ছিপাঝাৰস্থিত দৰঙী কলা কৃষ্টি উন্নয়ন সংঘত দৰং জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। দৰং জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সাধাৰণ সম্পাদক মাণিক শৰ্মা আৰু অভ্যৰ্থনা সমিতিৰ সম্পাদক কন্দৰ্প কুমাৰ শৰ্মাই সদৰী কৰা মতে, ১২ মার্চৰ পুৱা ন বজাত জিলা সন্থাৰ সভাপতি আচানউল্লাহ হকে পতাকা উত্তোলন, ছিপাঝাৰ সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সভাপতি হেমকান্ত নাথে ছহিদ তৰ্পণ কৰিব। ইয়াৰ পাছত অনুষ্ঠিত হ'ব প্ৰতিনিধি আৰু বিষয় বাছনি সভা। আনহাতে, ১৩ মার্চৰ দুপৰীয়া ১৩ পৃষ্ঠাত চাওক

# বিশ্বনাথ পৌৰসভাৰ ১০ টা ৱাৰ্ড দখল বিজেপিৰ

## এটাকৈ অগপ আৰু কংগ্ৰেছে লাভ কৰিলে

**অগ্ৰদূত বার্তা,**
**বিশ্বনাথ চাৰিআলি, ১০ মার্চ ঃ** বিশ্বনাথ সদৰ মহকুমাৰ দুখন পৌৰসভাৰ মুঠ ১২ টা ৱাৰ্ডৰ ফলাফল কালি ঘোষণা কৰা হৈছে। ১২টা ৱাৰ্ডেৰে গঠিত হোৱা বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ ন টা ৱাৰ্ডত অনুষ্ঠিত হৈছিল পৌৰ নিৰ্বাচন। মুঠ ১৯ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা বিশ্বনাথ চাৰিআলি পৌৰসভাৰ নিৰ্বাচনৰ কালি হোৱা ভোট গণনাৰ অন্তত ঘোষিত ফলাফল অনুসৰি দুই নম্বৰ ৱাৰ্ডত বিজয়ী হয় দীপক শইকীয়া (বিজেপি)। তেওঁ লাভ কৰে ৫৬৯টা ভোট। তেওঁৰ নিকটতম প্ৰতিদ্বন্দী ৰীতা মহন্ত (নিৰ্দলীয়)ই লাভ কৰে ৫০৬টা ভোট। সেইদৰে তিনি নম্বৰ ৱাৰ্ডত বিজয়ী হয় সীমা দাস গুপ্ত (ভাৰতীয় জাতীয় কংগ্ৰেছ)। তেওঁ লাভ কৰে ৬০৮টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী ঝুমাৰাণী পালে (বিজেপি) লাভ কৰে ৫০৪টা ভোট। চাৰি নম্বৰ ৱাৰ্ডত বিজয়ী হয় মিলন চন্দ্ৰ বৰা (বিজেপি)। তেওঁ লাভ কৰে ৩০৭ টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী সঞ্জীৱ কলিতা(নিৰ্দলীয়)ই লাভ কৰে ৯৭টা ভোট। পাঁচ নম্বৰ ৱাৰ্ডত বিজয়ী হয় জীৱন দাস (বিজেপি)। তেওঁ লাভ কৰে ৮৬১টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী সেবিকা ভদ্ৰা(নিৰ্দলীয়)ই লাভ কৰে ৫১১টা ভোট। সাত নম্বৰ ৱাৰ্ডত বিজয়ী হয় নমী কলিতা (বিজেপি)। তেওঁ লাভ কৰে ৬৮৪টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী মীৰা বৰা(নিৰ্দলীয়)ই লাভ কৰে ৪১৫ টা ভোট। একেদৰে আঠ নম্বৰ ৱাৰ্ডত বিজয়ী হয় নিভা ভুএগ্ৰা(বিজেপি)। তেওঁ লাভ কৰে ৪০০টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী জয়া শইকীয়াই (অসম জাতীয় পৰিষদ) লাভ কৰে ১৬২ টা ভোট। আঠ নম্বৰ ৱাৰ্ডত বিজয়ী হয় জুলু শইকীয়া (অগপ)। তেওঁ লাভ কৰে ৩০৭টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী হিমাদ্ৰী কলিতাই (ভাৰতীয় জাতীয় কংগ্ৰেছ) লাভ কৰে ১৮১টা ভোট। ১০ নম্বৰ ৱাৰ্ডত বিজয়ী হয় সুদীপ পাল (বিজেপি)। তেওঁ লাভ কৰা ৪৬৮টা ভোটৰ বিপৰীতে নিকটতম প্ৰতিদ্বন্দী বীথিকা সেনে(নিৰ্দলীয়) লাভ কৰে ২৬৪টা ভোট। সেইদৰে ১২নম্বৰ ৱাৰ্ডত বিজয়ী হয় আহচমা চুলতানা (বিজেপি)। তেওঁ লাভ কৰে ৪৫৪টা ভোট আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দী আব্দুল্লা আহমেদে ভাৰতীয় জাতীয় কংগ্ৰেছ লাভ কৰে ১৯২টা ভোট।


হস্তশিল্প, খাদ্য আৰু সংস্কৃতিৰ একক সংগমলৈ স্বাগতম
আজাদী কা
অমৃত মহোৎসৱ
হুনাৰ হাট
পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, খানাপাৰা
জি এছ ৰোড, গুৱাহাটী, অসম
১১ৰ পৰা ২০ মাৰ্চ, ২০২২ ● পুৱা ১০ বজাৰ পৰা নিশা ১০ বজালৈ
বিভিন্ন ৰাজ্যৰ হস্তশিল্পী
স্বদেশী হস্তশিল্প সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰী
বিভিন্ন ৰাজ্যৰ সুস্বাদু পৰম্পৰাগত খাদ্য
সাংস্কৃতিক অনুষ্ঠান
চাৰ্কাছ শিল্পীৰ জৰিয়তে অনুষ্ঠান
প্ৰৱেশ বিনামূলীয়া
উদ্বোধন
১২ মাৰ্চ, ২০২২, পুৱা ১১-৩০ বজা
হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
অনুগ্ৰহ কৰি
ক'ভিড বিধি পালন কৰিব।
Shop Online: www.hunarhaat.org
সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰণালয়,
ভাৰত চৰকাৰ
#AatmanirbharBharat
#VocalforLocal


সদ্ভাৱনা প্ৰকল্প
জনসাধাৰণৰ সুবিধাৰ্থে
অসম চৰকাৰৰ বিনম্ৰ প্ৰয়াস
sadbhavana.assam.gov.in
rtps.assam.gov.in
আবেদন দাখিল
আবেদনৰ স্থিতি
জনসংযোগ/ডি/১৭১৮৬/২১



# দ্বিতীয় মেচত নিউজিলেণ্ডৰ বিৰুদ্ধে পৰাস্ত ভাৰত



## বিশ্বকাপত সৰ্বাধিক উইকেট
## অষ্ট্ৰেলিয়াৰ ফুলষ্টনক স্পৰ্শ ভাৰতৰ ঝুলনৰ

**হেমিল্টন, ১০ মাৰ্চ ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলৰ পেচাৰ ঝুলন গোস্বামীয়ে বিশ্বকাপত সৰ্বাধিক উইকেট দখল কৰাৰ ক্ষেত্ৰত আজি অষ্ট্ৰেলিয়াৰ ফুলষ্টনক স্পৰ্শ কৰিছে। উল্লেখ্য যে চলিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ নিজৰ দ্বিতীয়খন মেচত আজি ভাৰতীয় মহিলা ক্ৰিকেট দল মুখামুখি হয় নিউজিলেণ্ডৰ। এই মেচতে এটা উইকেট দখল কৰা ঝুলনে বিশ্বকাপত সৰ্বাধিক উইকেট দখল কৰাৰ ক্ষেত্ৰত সমতা স্থাপন কৰে। অষ্ট্ৰেলিয়াৰ পেচাৰ ফুলষ্টনে 20 খন মেচত 39 টা উইকেট দখল কৰিছিল। আনহাতে, ভাৰতীয় মহিলা ক্ৰিকেট দলৰ পেচাৰ ঝুলন গোস্বামীয়ে 30 খন মেচত 39 টা উইকেট দখল কৰিলে। উল্লেখ্য যে নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট ঝুলনৰ কেৰিয়াৰৰ পঞ্চম বিশ্বকাপ। ভাৰতে চলিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ নিজৰ দ্বিতীয়খন মেচত পৰাজয়ৰ সন্মুখীন হৈছে। নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপত পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাসিত আৰম্ভণি কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি দ্বিতীয়খন মেচত শক্তিশালী নিউজিলেণ্ডৰ মুখামুখি হয়। মেচখনত ভাৰত 62 ৰাণত পৰাস্ত হয়।





## মহিলা বিশ্বকাপ ক্ৰিকেট

**হেমিল্টন, ১০ মাৰ্চ ঃ** ভাৰতে চলিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ নিজৰ দ্বিতীয়খন মেচত পৰাজয়ৰ সন্মুখীন হৈছে। উল্লেখ্য যে নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপত পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাসিত আৰম্ভণি কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি দ্বিতীয়খন মেচত শক্তিশালী নিউজিলেণ্ডৰ মুখামুখি হয়। মেচখনত ভাৰত 62 ৰাণত পৰাস্ত হয়। পোনতে বেটিং কৰা নিউজিলেণ্ডে ন উইকেটত 260 ৰাণ কৰে। ভাৰতৰ পূজাই চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত, ভাৰতে 46.4 অভাৰত 198 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ হৰমনপ্ৰীত কৌৰে 71 আৰু মিতালী ৰাজে 31 ৰাণ কৰে। উল্লেখ্য যে চলিত আই চি চি মহিলা বিশ্বকাপৰ পূৰ্বে ভাৰতীয় মহিলা ক্ৰিকেট দলে নিউজিলেণ্ডৰ বিৰুদ্ধে এক শৃংখলা খেলিছিল। কিন্তু এখন মেচ বাদ দি আটাইকেইখনতে পৰাস্ত হয় ভাৰতীয় মহিলা ক্ৰিকেট দল। সেয়ে আজিৰ মেচতো নিউজিলেণ্ড মহিলা ক্ৰিকেট দলেই ফেভাৰিট আছিল। উল্লেখ্য যে ইয়াৰপূৰ্বে বিশ্বকাপৰ প্ৰথম মেচত ভাৰতীয় মহিলা ক্ৰিকেট দলে 107 ৰাণত পৰাস্ত কৰিছিল পাকিস্তানক। পাকিস্তানৰ বিৰুদ্ধে পোনতে বেটিং কৰা ভাৰতে সাত উইকেটত 244 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত পাকিস্তানে 43 অভাৰতে 137 ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। সেই জয়ৰে ভাৰতে মহিলা বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে নিজৰ অপৰাজেয় যাত্ৰা অব্যাহত ৰাখিবলৈ সক্ষম হয়। উল্লেখ্য যে বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে 10 খন মেচৰ 10 খনতে জয়ী হৈছে ভাৰতীয় মহিলা ক্ৰিকেট দল। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে অহা 12 মাৰ্চত ৱেষ্ট ইণ্ডিজ, 16 মাৰ্চত ইংলেণ্ড, 19 মাৰ্চত অষ্ট্ৰেলিয়া, 22 মাৰ্চত বাংলাদেশ আৰু 27 মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব।


দিবা-নৈশ টেষ্টৰ বাবে ৰাথোৰৰ লগত ৰণনীতি দ্ৰাৱিড়ৰ

## আই টি এফ টেনিছত অসমৰ নাজনীন জাফৰ ৰাণাৰ্ছআপ

**গুৱাহাটী, ১০ মাৰ্চ ঃ** অসমৰ নাজনীন জাফৰে হাৰিয়ানাত অনুষ্ঠিত হোৱা আই টি এফ টেনিছ প্ৰতিযোগিতাৰ 35 বছৰ উৰ্দ্ধৰ মহিলাৰ একক শাখাত ৰানাৰ্ছআপ হৈছে। যোৱা চাৰিৰ পৰা ন মাৰ্চলৈ হোৱা উক্ত প্ৰতিযোগিতাৰ ফাইনেলত নাজনীন তিনিটা ছেটৰ অন্তত দিল্লীৰ সোনাল বড়াৰ বিৰুদ্ধে 4-6, 7-6, 11-13 ৰ ব্যৱধানত পৰাস্ত হয়। ইয়াৰপূৰ্বে ছেমিফাইনেলত নাজনীনে 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল হাৰিয়ানাৰ ভাৱনা ৰবিশক। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত মহাৰাষ্ট্ৰৰ প্ৰনীতা পাডনেকাৰক 6-0, 6-1 ৰ পোনপটীয়া ব্যৱধানত হৰুৱাইছিল নাজনীনে।

## আন্তঃজিলা এথলেটিকছৰ তৃতীয় দিনলৈ তালিকাৰ শীৰ্ষত গুৱাহাটী


**গুৱাহাটী, ১০ মাৰ্চ ঃ** গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত পূৰ্ণগতিত চলিছে আন্তঃজিলা জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা। উল্লেখ্য যে প্ৰতিযোগিতাৰ আজি তৃতীয় দিন আৰু 21 টা সোণৰ, 12 টা ৰূপৰ আৰু 9 টা ব্ৰঞ্জৰ পদকেৰে তালিকাৰ শীৰ্ষত আছে গুৱাহাটী। আনহাতে, 10 টা সোণৰ,8 টা ৰূপৰ আৰু 7 Âব্ৰঞ্জৰ পদকেৰে দ্বিতীয় স্থানত শিৱসাগৰ আৰু ছটা সোণ , সমসংখ্যকা ৰূপ আৰু 5 টা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থানত আছে ওদালগুৰি জিলা। ইতিমধ্যে প্ৰতিযোগিতাত গুৱাহাটীৰ ঈদুল হুছেইন আৰু ৰিমঝিম শইকীয়াই শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে ব্যক্তিগত শাখাত দুটাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যৰ প্ৰায় ন শতাধিক ক্ৰীড়াবিদৰ অংশগ্ৰহনেৰে গুৱাহাটীৰ সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত আৰম্ভ হৈছে 43 সংখ্যক আন্তঃজিলা জুনিয়ৰ-ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম এথলেটিকছ সন্থাৰ উদ্যোগত আৰু অসম ক্ৰীড়া প্ৰাধিকৰণৰ সহযোগত আয়োজিত হৈছে প্ৰতিযোগিতাখন। অহা 11 মাৰ্চলৈ চলিবলগীয়া প্ৰতিযোগিতাখনত 37 খন জিলাৰ 969 গৰাকী খেলুৱৈয়ে অংশগ্ৰহন কৰিছে। উল্লেখ্য যে 14,16,18,20 বছৰ অনুৰ্দ্ধ আৰু পুৰুষ-মহিলা শাখাত পুৰুষৰ 77 টা আৰু মহিলাৰ 76 টা ইভেন্ট অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত বহু নৱাগত খেলুৱৈ অংশগ্ৰহন কৰিছে। এই প্ৰতিযোগিতাৰ পৰাই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে অসম দল বাছনি কৰা হ'ব। উল্লেখ্য যে এইবাৰ অসম এথলেটিকছ সন্থাই গুৱাহাটীত আয়োজন কৰিব জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতা।

## প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা, লাহদৈগড়, ১০ মাৰ্চ ঃ** মঞ্জু বৰকোছৰ সোঁৱৰণী দ্বিতীয় বাৰ্ষিক প্ৰাইজমানি তথা চলন্ত ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা খন সৰু মইনাপৰীয়া ক্ৰিকেট ক্লাবৰ সৌজন্যত ক্লাবৰ লাহদৈগড় খেল পথাৰত অহা 12 , 13 আৰু 14 মাৰ্চত অনুষ্ঠিত হ'ব । যোগদানৰ মাছুল ছশ টকা , সৰ্বমুঠ প্ৰাইজমানি 15/হেজাৰ টকা । প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা দল সমূহক 9678268989, 9365678850, 8474888234 নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোগতা সকলে আহ্বান জনাইছে ।

## ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে আজি পেৰা এথেলীটৰ বাছনি

**গুৱাহাটী, ১০ মাৰ্চ ঃ** ওড়িছাৰ ভুৱনেশ্বৰত অহা 28-31 মাৰ্চত অনুষ্ঠিত হ'ব 20 সংখ্যক ৰাষ্ট্ৰীয় পেৰা এথেলেটিক চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাৰ বাবে অসম পেৰা এথেলেটিক দলটো গঠন কৰিবলৈ অহা 11 মাৰ্চত সৰুসজাই ষ্টেডিয়ামত এক বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। অসমৰ বিভিন্ন জিলাৰ ইচ্ছুক পেৰা এথলীটক অংশগ্ৰহণ কৰাৰ বাবে অসম পেৰালিম্পিক সন্থাৰ সৈতে 97069-84286 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে অহা 23 ৰ পৰা 27 মাৰ্চলৈ ৰাজস্থানৰ উদয়পুৰত অনুষ্ঠিত হ'ব 21 সংখ্যক ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতা । তাৰবাবে অসম পেৰালিম্পিক সন্থাই ইতিমধ্যে আয়োজন কৰিছিল পেৰা সন্তৰণবিদৰ বাছনি শিবিৰ । ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা প্ৰায় 50 গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰে এই বাছনি প্ৰক্ৰিয়াত । ইয়াৰ মাজৰ পৰা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিলৈ বাছনি হয় মুঠ 12 গৰাকী খেলুৱৈ । ইয়াৰ ভিতৰত আছে গুৱাহাটীৰ কৃষ্ণ দাস, অন্যতম ৰাজকুমাৰ, নলবাৰীৰ খগেন চন্দ্ৰ কলিতা, গোলাঘাটৰ হুকেশ্বৰ ডেকা, বৰপেটাৰ আনোৱাৰ চিকদাৰ, খাগুাকাৰ আব্দুল মতিন, চাজিদা বেগম, ডিব্ৰুগড়ৰ মুনিন্দ্ৰ লাহন, লক্ষীমপুৰৰ মনোৰঞ্জন পায়েং, মণিকান্ত পায়েং, ধুবুৰীৰ আব্দুল হামিদ শ্বেখ আৰু হোজাইৰ ছাহনা বেগম ।



জাৰ্মান অপেনৰ পৰা সিন্ধুৰ বিদায়

## প্ৰাইজমানি ভলীবল


**অগ্ৰদূত বাৰ্তা, মাহমৰা, ১০ মাৰ্চ ঃ** মাহমৰাৰ শিলিখাগুৰি যুৱ সমাজৰ উদ্যোগত আৰু সঞ্জহানীয় ৰাইজৰ সহযোগত অহা 13 মাৰ্চত এখনি আঞ্চলিক ভিত্তিত প্ৰাইজমণি ভলীবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উজনি কোঁৱৰ গাওঁ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতা খনৰ ভৰ্তি মাচুল দুশ টকা। প্ৰতিযোগিতা খনত অংশ ল'ব বিচৰা অঞ্চলটোৰ ইচ্ছুক দল সমূহে 9954970236 অথবা 6001692398 ত যোগাযোগ কৰিব পাৰিব।

## চেম্পিয়নছ লীগৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বেনজেমাৰ হেট্ৰিক
## অন্তিম আঠত ৰিয়াল মাদ্ৰিদ, মানচেষ্টাৰ চিটী

**মাদ্ৰিদ, ১০ মাৰ্চ ঃ** চেম্পিয়নছ লীগ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ৰিয়াল মাদ্ৰিদ আৰু মানচেষ্টাৰ চিটীয়ে। যোৱানিশা অনুষ্ঠিত হোৱা প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত পৰাস্ত কৰে পি এছ জিক। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জি জয়লাভ কৰিছিল। ৰোমাঞ্চকৰ মেচত ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদক একমাত্ৰ গ'লত হৰুৱাইছিল। খেলৰ প্ৰথম 90 মিনিটত কোনো গল নহ'ল যদিও পি এছ জিৰ তাৰকা এমবাপ্পে ইঞ্জুৰী টাইমত গল কৰি দলক 1-0 ৰ বিজয় দিয়ে। অৱশ্যে পি এছ জি আৰু ৰিয়াল মাদ্ৰিদৰ কোনটো দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব সেয়া যোৱানিশাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচতহে নিৰ্ণয় হয়। দ্বিতীয় লেগৰ মেচতো পি এছ জিয়ে প্ৰথমে গ'ল কৰিছিল। দলক অগ্ৰগতি দিয়ে তাৰকা এমবাপ্পে। পি এছ জিয়ে 2-0 ৰ ব্যৱধানত অগ্ৰগতি লয় যদিও দ্বিতীয়াৰ্ধত ৰিয়ালৰ ফৰাচী তাৰকা কৰিম বেনজেমাই তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জনৰে দলক মেচত 3-1 ৰ ব্যৱধানত বিজয় কৰোৱাৰ লগতে সামগ্ৰিকভাবে 3-2 ৰ ব্যৱধানেৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰোৱায়। ইফালে, যোৱানিশা হোৱা আন এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে স্পৰ্টিং লিছ্বনক লগত গ'লশূন্য ড্ৰ খেলে যদিও প্ৰথম লেগত জয়ী হোৱা হেতুকে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে মানচেষ্টাৰ চিটীয়ে। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত জয়লাভ কৰিছিল মানচেষ্টাৰ চিটীয়ে। প্ৰথম লেগৰ মেচত বৃহৎ ব্যৱধানত জয়ী হৈ অন্তিম আঠত নিজৰ স্থান নিশ্চিত কৰিছিল ইংলিছ ক্লাব মানচেষ্টাৰ চিটীয়ে। মেচখনত ইংলিছ ক্লাব মানচেষ্টাৰ চিটীয়ে 5-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে পৰ্তুগালৰ ক্লাব স্পৰ্টিং লিছবনক। মানচেষ্টাৰ চিটীৰ হৈ ছিলভাই দুটা তথা ষ্টাৰলিং, মেহৰাজ আৰু ফ'ডেনে এটাকৈ গ'ল দিয়ে। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে 5-0 গ'লৰ ব্যৱধানত জয়লাভ কৰাৰ পাছত যোৱানিশাৰ দ্বিতীয় লেগৰ মেচ কাৰ্যতঃ গুৰুত্বহীন হৈ পৰিছিল। চলিত চেম্পিয়নছ লীগ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলত ইতিমধ্যে প্ৰৱেশ কৰিছে বেয়াৰ্ণ মিউনিখ আৰু লিভাৰপুল। ৰবাৰ্ট লেৱাণ্ডোস্কিৰ হেট্ৰিকৰে বেয়াৰ্ণে সামগ্ৰিকভাবে 8-2 গ'লৰ ব্যৱধানত ছালজবাৰ্গৰ বিৰুদ্ধে জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে, লিভাৰপুলে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইণ্টাৰ মিলানৰ হাতত একমাত্ৰ গ'লত পৰাস্ত হ'লেও প্ৰথম লেগত 2-0 গ'লৰ ব্যৱধানত জয়ী হোৱা বাবে সামগ্ৰিকভাবে 2-1 গ'লৰ ব্যৱধানত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।



## এছিয়ান বক্সিঙৰ সভালৈ হেমন্ত



**গুৱাহাটী, ১০ মাৰ্চ ঃ** অহা 12 আৰু 13 মাৰ্চত জৰ্ডানত অনুষ্ঠিত হ'ব এছিয়ান বক্সিং কনফেডাৰেছনৰ বাৰ্ষিক সাধাৰণ সভা। উক্ত সভাত ভাৰতীয় বক্সিং ফেডাৰেছনৰ প্ৰতিনিধি হিচাপে অংশ ল'ব অসমৰ ক্ৰীড়া সংগঠক হেমন্ত কুমাৰ কলিতাই। উল্লেখ্য যে কলিতা ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব প্ৰধান। আনহাতে, অসম বক্সিং সন্থাৰো সম্পাদকৰ দায়িত্বত আছে কলিতা।

## ৰত্নকান্ত-ললিতা পাঠক ক্ৰিকেট প্ৰতিযোগিতা
## এয়াৰটেল এলেভেন, টাউন স্প'ৰ্টছ ক্লাবৰ সহজ জয়লাভ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১০ মাৰ্চ ঃ** ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰয়াত ৰত্নকান্ত পাঠক আৰু প্ৰয়াত ললিতা পাঠক সোৱৰণী নকআউট ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ওদালগুৰি এয়াৰটেল এলেভেনে বিকে বয়জ ওদালগুৰিক আঠ উইকেটত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে বিকে বয়জে 20 অভাৰত পাঁচটা উইকেট হেৰুৱাই 140 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বেট ধৰি এয়াৰটেলে 15.3 অভাৰত দুটা উইকেট হেৰুৱাই 144 ৰাণ সংগ্ৰহ কৰি জয়ী অৰ্জন কৰে। ইফালে আজিৰ দ্বিতীয়খন খেলত ওদালগুৰি টাউন স্প'ৰ্টছ ক্লাৱে ডি এল এছ এ ওদালগুৰিক 130 ৰাণত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে টাউন স্প'ৰ্টছে 20 অভাৰত আঠটা উইকেটৰ বিনিময়ত 179 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বেট ধৰি ডি এল এছ এ ওদালগুৰিয়ে 13.4 অভাৰত 49 ৰাণতে ইনিংছ সামৰে। কৌশিক দাস আৰু কংকন দাসে ক্ৰমে চাৰিটা আৰু তিনিটা উইকেট দখল কৰে।

## আজিৰে পৰা সদৌ অসম দিবা-নৈশ প্ৰাইজমানি ক্ৰিকেট


**অগ্ৰদূত বাৰ্তা,**
**বেবেজীয়া, ১০ মাৰ্চ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া ম'হমৰীয়া চাৰিআলিৰ সমীপৰ খেলপথাৰত ম'হমৰীয়া বয়জ ক্লাবৰ উদ্যোগত কাইলৈৰ পৰা তিনিদিনীয়াকৈ সদৌ অসম ভিত্তিত এখনি দিবা-নৈশ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বাদশ সংখ্যক সীমিত অভাৰৰ এই প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফী সহ নগদ 20 হেজাৰ টকা আৰু ফাইনেলিষ্ট দলকো ট্ৰফী সহ নগদ 10 হেজাৰ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব। ৰাজ্যখনৰ কেইবাটাও আগশাৰীৰ দলে যোগদান নিশ্চিত কৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক দলসমূহক প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবৰ বাবে 70028-12641, 70029-40309 অথবা 60008-07621 নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে। ইতিমধ্যে পিণ্টু দাসক সভাপতি আৰু হীৰকজ্যোতি দাসক সম্পাদকৰূপে লৈ গঠিত আয়োজক সমিতিয়ে প্ৰতিযোগিতাৰ সফল ৰূপায়ণৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে, মেন অব দ্যা চিৰিজ আৰু ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈগৰাকীকো বিশেষ বঁটা আগবঢ়োৱা হ'ব।

## প্ৰথম টেষ্টত ইংলণ্ডক যোগ্য প্ৰত্যুত্তৰ ৱেষ্টইণ্ডিজৰ

**এণ্টিগা, ১০ মাৰ্চ ঃ** ইংলণ্ডে ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত 311 ৰাণত প্ৰথম ইনিংছ সামৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰি ইংলণ্ডে প্ৰথমদিনা প্ৰথম ইনিংছত ছয় উইকেটত 268 ৰাণ কৰিছিল। টছত জয়ী হৈ বেটিং কৰা ইংলণ্ডৰ আৰম্ভণি সুখৰ নাছিল। দলে মাত্ৰ 115 ৰাণতে প্ৰথম পাঁচটা উইকেট হেৰুৱায়। দুই অপেনাৰৰ লগতে ব্যৰ্থ হয় অধিনায়ক জ' ৰুটো (13 ৰাণ)। কিন্তু জনী বেয়াষ্ট্ৰোৱে (140] শতকীয় ইনিংছ খেলি ইংলণ্ডক উদ্ধাৰ কৰে। তেওঁক যোগ্য সহযোগ দিয়ে ফকছে 42 ৰাণ কৰি। আনহাতে, বেন ষ্টকছে কৰে 36 ৰাণ। ৱেষ্ট ইণ্ডিজৰ হৈ ছালছে চাৰিটা উইকেট পায়। ইফালে, দ্বিতীয় দিনা প্ৰথম ইনিংছ আৰম্ভ কৰা ৱেষ্ট ইণ্ডিজে খেলৰ সামৰণিলৈ চাৰি উইকেটত 202 ৰাণ কৰে। ব্ৰেথৱেইটে কৰে 55 ৰাণ। উল্লেখ্য যে ইংলণ্ডে এচেজ শৃংখলাত বিধ্বস্ত হৈ ৱেষ্ট ইণ্ডিজ ভ্ৰমণ কৰিছে। ইফালে, ভাৰতত হোৱাইট ৱাশ্ব হৈছিল কেৰিবিয়ান বাহিনী।



## দিগন্ত ফুকন ক্ৰিকেটত ৰাজগড় ক্লাবৰ খিতাপ


থাইলেণ্ড অপেনত অদিতি অশোক।

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১০ মাৰ্চ ঃ** মৰাণৰ অন্যতম ক্ৰীড়া সংগঠন এলপাইন বয়জ ক্লাবৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা আন্তঃ ক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল খেলত ৰাজগড় ক্ৰিকেট ক্লাবে বিজয় মুকুট পিন্ধিবলৈ সক্ষম হৈছে । উত্তেজনা পূৰ্ণ খেল খনত ৰাজগড় ক্ৰিকেট ক্লাবে মৰাণৰ সমৃদ্ধি ক্ৰিকেট ক্লাবক দুই উইকেটৰ ব্যৱধানত পৰাজিত কৰে । সমৃদ্ধি ক্ৰিকেট ক্লাবে প্ৰথমে বেটিং কৰি 28 .2 অভাৰত সকলো উইকেট হেৰুৱাই 142 ৰাণ সংগ্ৰহ কৰে । প্ৰত্যুত্তৰত, ৰাজগড় ক্ৰিকেট ক্লাবে 29 .1 অভাৰত আঠটা উইকেট হেৰুৱাই জয়ৰ বাবে প্ৰয়োজনীয় ৰাণ খিনি সংগ্ৰহ কৰে । প্ৰতিযোগিতা খনত আম্পায়াৰ দ্বয় আছিল ধনজিৎ সিং আৰু বিকাশ ফুকন । স্ক'ৰাৰ নীলোৎপল ফুকন । খেলৰ শেষত বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে ভাগ লয় অসম চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাই । ভাষণ প্ৰসংগত মন্ত্ৰী বিমল বৰাই ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্য খনৰ বিভিন্ন প্ৰান্তত উন্নয়ন মূলক আঁচনিলৈ কাম কৰিছে বুলি কোৱাৰ লগতে মৰাণৰ এলপাইন বয়জ ক্লাবক সহায় কৰিব বুলি আশ্বাস প্ৰদান কৰে । এলপাইন বয়জ ক্লাবৰ সম্পাদক দিগন্ত গগৈয়ে আঁত ধৰা বঁটাবিতৰণী সভা খনত খেল পৰিচালনা সমিতিৰ সভাপতি ভৰত বৰা , জিলাক্ৰীড়া সন্থাৰ সম্পাদক সঞ্জীৱ বৰুৱা , ক্ৰীড়া সংগঠক বশিষ্ঠকৃষ্ণ গগৈকে মুখ্য কৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি তথা ৰাইজ উপস্থিত আছিল । প্ৰতিযোগিতা খনত শ্ৰেষ্ঠ বেটচমেন হিচাপে সমৃদ্ধি ক্ৰিকেট ক্লাবৰ ধ্ৰুৱজ্যোতি ফুকন নিৰ্বাচিত হয় । একেটা দলৰে বিকাশ ছেত্ৰীক প্লেয়াৰ অব দ্য চিৰিজ বঁটা দিয়া হয় । আনহাতে ৰাজগড় ক্ৰিকেট ক্লাবৰ নিশান্ত সিংঘানীয়াক ফাইনেল খেলৰ প্লেয়াৰ অব দ্য বঁটা প্ৰদান কৰা লগতে একেটা দলৰে সুনীল লাচিত শ্ৰেষ্ঠ বলাৰ হিচাপে বিবেচিত হয় । উল্লেখ্য যে উক্ত প্ৰতিযোগিতা খনত ৰাজ্য খনৰ 22 টা আগশাৰীৰ ক্ৰিকেট ক্লাবে অংশ গ্ৰহণ কৰিছিল।

জনতাৰ চৰকাৰ | my GOV

GOVERNMENT OF ASSAM
অসম চৰকাৰ

# প্ৰশাসনিক সংস্কাৰৰ দিশত অসম চৰকাৰৰ আন এটি সবল খোজ



কেন্দ্ৰীয়
পঞ্জীয়ন আইন, ১৯০৮ৰ
সংশোধনীত ৰাষ্ট্ৰপতিৰ
অনুমোদন

আৰু

অসম বিধানসভাৰ
পঞ্জীয়ন (অসম সংশোধনী) আইন, ২০২১ৰ
অধিসূচনাৰ

জৰিয়তে

## গুৱাহাটীকে ধৰি সমগ্ৰ অসমত

ফ্লেট
আৱাসিক এপাৰ্টমেণ্ট
বঙলা
কাৰখানা
শ্ব'ৰুম
দোকান ঘৰ
শ্বপিং মল

ক্ৰয়-বিক্ৰয় বা
লীজৰ ক্ষেত্ৰত
পঞ্জীয়নৰ
সৰলীকৰণৰ বাবে

উপায়ুক্ত/চৰকাৰী কৰ্তৃপক্ষৰ এন অ' চিৰ প্ৰয়োজনীতা প্ৰত্যাহাৰ

## চৰকাৰৰ দায়বদ্ধতাৰ হাত জনগণৰ সকাহৰ বাট

জনসংযোগ/ডি/১৭২১৬/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam diprassam.gov.in